● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

সামাজিক দায়বদ্ধতাত অবিচল

# অগ্ৰদূত


## দিগ্‌দৰ্শন

আপুনি নিজেই আপোনাৰ শ্ৰেষ্ঠ বন্ধু। গতিকে আনতকৈ নিজৰ মনৰ কথাই বেছিকৈ শুনক।

ষ্টিভেন কুক'
*আমেৰিকাৰ লেখক*




www.dainikagradoot.in




৫ ন'বেল জয়ী ইৰাকী নাৰী নাদিয়া মুৰাদ
১৫ প্ৰথম টেষ্টত চালকৰ আসনত ভাৰত
৪ চৌদিশে ভয়ানক উদাসীনতাৰ উৎসৱ



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৪৭তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ২১ ফাগুন ১৪২৮ ভাস্কৰাব্দ ৬ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 6 March 2022 মূল্য ঃ ৯.০০ টকা


## ৰিংকুমণিৰ বিয়োগত ম্ৰিয়মান অগ্ৰদূত পৰিয়াল



ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৫ মাৰ্চ ঃ অগ্ৰদূত প্ৰকাশনৰ নেপথ্যৰ অন্যতম চালিকা শক্তি ৰিংকুমণিসেন ডেকাৰ আজি পুৱতি নিশা ২.৩০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত অকাল বিয়োগ ঘটে। অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক দিগন্তসেন ডেকাৰ পত্নী ৰিংকুমণিৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫০ বছৰ। আকস্মিকভাৱে গুৰুতৰ ৰোগত আক্ৰান্ত হৈ বিগত দুমাহ ধৰি তেওঁ চিকিৎসাধীন হৈ আছিল। সদাহাস্যময়ী, অমায়িক আৰু সকলোৰে প্ৰতি মৰমিয়াল মহিলাগৰাকীৰ আজি দুপৰীয়া শতাধিক গুণমুগ্ধৰ উপস্থিতিত নৱগ্ৰহ ১০ পৃষ্ঠাত চাওক

■ ব্যয়বহুল প্ৰচাৰৰ অন্তত আজি ৰাজ্যত পৌৰ নিৰ্বাচন ■ বিজেপি-কংগ্ৰেছ-অগপৰ মাজত মূল যুঁজ ■ কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ ■ শতিকা পুৰণি বেলট পেপাৰ ত্যাগ

# ইভিএমত যুঁজিব আজি পৌৰ প্ৰাৰ্থীয়ে

■ ২৪খন জিলাত ১৬,৭৩,৮৯৯ গৰাকী ভোটাৰে ভাগ্য নিৰ্ণয় কৰিব কমেও ২,৫৩২ প্ৰাৰ্থীৰ ভাগ্য

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৫ মাৰ্চ ঃ প্ৰথমবাৰৰ বাবে একাংশ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে অতি ব্যয়বহুল ৰূপ দিয়া পৌৰসভা নিৰ্বাচনৰ কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজ্যৰ ৮০ খন পৌৰসভাৰ ৯৯৭ টা ৱাৰ্ডৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও প্ৰায় ৯৩৭ টা ৱাৰ্ডতহে এতিয়া ভোটৰ যুদ্ধ হ'ব। কিয়নো প্ৰায় ৬০ টা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ ১০ পৃষ্ঠাত চাওক





■ ইউক্ৰেইনৰ দ্বিতীয় বৃহত্তম পাৰমাণৱিক শক্তি কেন্দ্ৰৰ পৰা মাত্ৰ ৩২ কিলোমিটাৰ দূৰৈত ৰুছ সেনা

## ৰণদুন্দুভি বজাই বিদেশৰ পৰা আহিল ৬৬ হেজাৰ ইউক্ৰেইনীয়


■ নিউজ ব্যুৰ'

কিয়েভ, ৫ মাৰ্চ ঃ পুনৰ ইউক্ৰেইনত বিধ্বংসী হৈ উঠিছে ৰাছিয়া। ৰুছ বাহিনীয়ে সমগ্ৰ ইউক্ৰেইনজুৰি আক্ৰমণ অধিক তীব্ৰতৰ কৰি তুলিছে। ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি ইউক্ৰেইনত এই পৰ্যন্ত ৩৩১জন ১০ পৃষ্ঠাত চাওক



## অল-কায়দাৰ শাখা আনছাৰুল্লাহ বাংলা টিমৰ পাঁচ জেহাদীক গ্ৰেপ্তাৰ

বৰপেটাত অসম আৰক্ষীৰ অভিযান



অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা

শালবাৰী/বৰপেটা, ৫ মাৰ্চ ঃ বিশ্বত্ৰাস কুখ্যাত জেহাদী সংগঠন 'ভাৰতীয় উপ-মহাদেশত অল কায়দা' (একিউআইএছ)ৰ শাখা সংগঠন ১০ পৃষ্ঠাত চাওক

## ভাৰততে ইণ্টাৰ্ণশ্বিপ কৰিব পাৰিব দেশলৈ উভতি অহা মেডিকেলৰ ছাত্ৰই

এনএমচিৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

■ নিউজ ব্যুৰ'

কিয়েভ, ৫ মাৰ্চ ঃ যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ পৰা উভতি অহা চিকিৎসা শাস্ত্ৰৰ ছাত্ৰসকলৰ বাবে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে ৰাষ্ট্ৰীয় চিকিৎসা আয়োগ (এনএমচি)-এ। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ বাবে যিসকল ছাত্ৰই ১০ পৃষ্ঠাত চাওক

বড়ো জাতিয়ে অসমৰ ভৱিষ্যৎ অধিক শক্তিশালী কৰিব ■ এবছুৰ অধিবেশনত মুখ্যমন্ত্ৰী ড° শৰ্মা

## শীঘ্ৰে জনজাতীয় ভূমি নীতি প্ৰস্তুত কৰা হ'ব



ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৫ মাৰ্চ ঃ 'বিটিআৰৰ বাহিৰত থকা বড়ো লোকসকলৰ সংস্কৃতি, অৰ্থনীতি সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। বিটিআৰক সম্পূৰ্ণকৈ নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰাকৈ শাসন ব্যৱস্থা এটিলৈ ৰূপান্তৰিত কৰা হৈছে।' এই ভাষ্য ১০ পৃষ্ঠাত চাওক

## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পষেকীয়া কলম

### সভ্যতা, আন্তঃৰাষ্ট্ৰীয়তা আৰু ইউক্ৰেইন



ইউক্ৰেইনত ৰুছ আক্ৰমণ, আগ্ৰাসন বা ৰাছিয়াৰ ভাষাত বিশেষ অপাৰেছনৰ পাছত কিছুমান বহু দশক ধৰি তল পৰি থকা জটিল ৰাজনৈতিক আৰু মানৱ অধিকাৰ বিষয়ক প্ৰশ্ন ১০ পৃষ্ঠাত চাওক

## যুদ্ধবিৰতি ঘোষণা কৰিও ভংগ মস্কোৰ

ইউক্ৰেইনৰ অভিযোগ

■ নিউজ ব্যুৰ'

কিয়েভ, ৫ মাৰ্চ ঃ ইউক্ৰেইনৰ স'তে সাময়িক যুদ্ধবিৰতি ঘোষণা কৰি বাসিন্দাসকলক আঁতৰিবলৈ ক'লে ৰাছিয়াই। ১০ পৃষ্ঠাত চাওক




দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ২১ ফাগুন ১৪২৮ ভাস্কৰাব্দ ৬ মাৰ্চ ২০২২



## যুদ্ধৰ মাজত শিক্ষাৰ্থী



ভাৰতৰ হেজাৰ হেজাৰ চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী যুদ্ধবিধ্বস্ত ইউক্ৰেইনত আৱদ্ধ হৈ পৰাত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনলৈ ভাবুকি অহা বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। ইতিমধ্যে ভাৰতীয় বায়ু সেনাবাহিনীৰ বিমান আৰু বিভিন্ন ব্যক্তিগত বিমান সেৱাৰ বিমানেৰে হেজাৰ হেজাৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰীক নিৰাপদে ইউক্ৰেইনৰ চুবুৰীয়া ইউৰোপৰ বিভিন্ন নগৰ-মহানগৰৰ পৰা দেশলৈ ওভতাই অনা হৈছে। চৰকাৰী সূত্ৰই সদৰী কৰা মতে ইতিমধ্যে ইউক্ৰেইনত থকা ১৭ হেজাৰ ভাৰতীয়ক ভাৰতলৈ অনা হৈছে। আন সাত হেজাৰ ভাৰতীয় আজিও ইউক্ৰেইনৰ বিভিন্ন স্থানত আৱদ্ধ হৈ আছে। উল্লেখ্য যে ইউক্ৰেইনত আৱদ্ধ হৈ পৰা বেছিভাগ ভাৰতীয়ই চিকিৎসা বিজ্ঞানত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰী। এইসকলৰ ভিতৰত অসমৰো শতাধিক ছাত্ৰ-ছাত্ৰী ইউক্ৰেইনত আৱদ্ধ হৈ পৰিছিল। ইতিমধ্যে অসমৰ একাংশ ছাত্ৰ-ছাত্ৰী নিৰাপদে ঘূৰি আহিছে যদিও আন বহুসংখ্যক ইউক্ৰেইনতে আৱদ্ধ হৈ আছে। এহাতে গুলি আৰু বোমাৰ আতংকত তেওঁলোকে প্ৰতিটো মুহূৰ্ততে মৃত্যুৰ ভাবুকি দেখা পাইছে আৰু আনহাতে খাদ্য তথা পানীৰ অবিহনে দিন পাৰ কৰিবলগীয়া হৈছে। ৰুছ বাহিনীৰ আক্ৰমণত ইতিমধ্যে আঘাতপ্ৰাপ্ত এজন ভাৰতীয় ছাত্ৰৰ মৃত্যু হৈছে আৰু আন এজন হাস্পতালত চিকিৎসাধীন হৈ আছে। ভাৰতৰ ছাত্ৰ-ছাত্ৰীসকলে ইউক্ৰেইনত অবিচাৰ-অত্যাচাৰৰ সন্মুখীন হোৱাৰ খবৰো প্ৰকাশ পাইছে। ভাৰতে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ বিষয়ত ৰাষ্ট্ৰসংঘ আদি আন্তঃৰাষ্ট্ৰীয় মঞ্চত ইউক্ৰেইনৰ পক্ষত থিয় নিদিয়া আৰু ৰাছিয়াৰ বিৰোধিতা নকৰি নিৰপেক্ষ স্থিতি লৈ থকাৰ কাৰণেই ইউক্ৰেইনৰ সেনা তথা একাংশ নাগৰিকে ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অতি ৰূঢ়, নিৰ্মম ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা হৈছে। ইউক্ৰেইনৰ সেনাই ভাৰতীয় ছাত্ৰ-ছাত্ৰীক ৰেলত উঠিবলৈ নিদিয়া, শাৰীৰিকভাৱে প্ৰহাৰ কৰাৰ কাৰণো সেয়াই বুলি সন্দেহ কৰা হৈছে। এখন স্বাধীন সাৰ্বভৌম দেশ ভাৰতে যুদ্ধৰ দৰে পৰিস্থিতিত নিৰপেক্ষ স্থিতি গ্ৰহণ কৰিব পাৰে নাইবা তেনে স্থিতি গ্ৰহণ কৰাৰ অধিকাৰ ভাৰতৰ আছে। ভাৰতে আগৰে পৰাই জোঁট নিৰপেক্ষ বা গোষ্ঠী নিৰপেক্ষ নীতিত অটল হৈ আহিছে। বিশ্বৰ বেছিভাগ দেশক গোষ্ঠী নিৰপেক্ষ দেশসমূহৰ সদস্য হিচাপে লৈ নেতৃত্ব প্ৰদান কৰিছে। সি যি কি নহওক, ৰাছিয়া-ইউক্ৰেইনৰ মাজত হোৱা এই বিধ্বংসী যুদ্ধৰ মাজত আৱদ্ধ হৈ পৰা ভাৰতীয়সকলক আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে 'অপাৰেছন গংগা' অভিযান অব্যাহত ৰাখিছে আৰু সংশ্লিষ্ট সকলো পক্ষৰে আলোচনা কৰি ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক নিৰাপদে দেশলৈ ঘূৰাই আনিছে। ভাৰত চৰকাৰৰ এনে তৎপৰতা, ভূমিকা আৰু অভিযানৰ বাবে দেশৰ উচ্চতম ন্যায়ালয়ে চৰকাৰক প্ৰশংসা কৰিছে আৰু ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ বাবে চৰকাৰক এটা 'হেল্প লাইন' মুকলি কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। ভাৰত চৰকাৰৰ বৈদেশিক নীতিয়ে সঠিক সময়ত সঠিক স্থিতি গ্ৰহণ কৰা বুলি আনকি বিৰোধী দলৰ নেতাসকলেও প্ৰশংসা কৰিছে।

উল্লেখ্য যে ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকল ইউক্ৰেইনৰ যুদ্ধৰ মাজত আৱদ্ধ হৈ পৰা আৰু অনাহাৰে-অনিদ্ৰাই দিনৰ পাছত দিন পাৰ কৰিবলগীয়া হোৱা অৱস্থাতে ভাৰতৰ কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে ইউক্ৰেইনত অধ্যয়ন কৰা এই চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ত অতি দুৰ্ভাগ্যজনক মন্তব্য কৰাৰ কথা সংবাদ মাধ্যমত প্ৰকাশ পাইছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মতে, ইউক্ৰেইনত চিকিৎসা বিজ্ঞান নাইবা এম বি বি এছ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ৯০ শতাংশই ভাৰতত এম বি বি এছৰ বাবে যোগ্যতা নিৰ্ণায়ক পৰীক্ষাত সফল হ'ব নোৱৰা ছাত্ৰ-ছাত্ৰী। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীৰ এনে বিতৰ্কিত মন্তব্যক কেন্দ্ৰ কৰি ইতিমধ্যে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মন্ত্ৰীৰ মন্তব্যই ভাৰতীয় ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ মনত অসন্তুষ্টিৰ সৃষ্টি কৰিছে। তেওঁৰ এনে মন্তব্য এই সময়ত গ্ৰহণযোগ্য হ'ব নোৱাৰে। এনে মন্তব্যৰে মন্ত্ৰীয়ে প্ৰকৃততে কি ক'বলৈ বিচাৰিছে? তেওঁ যদি ক'বলৈ বিচাৰিছে যে ইউক্ৰেইনৰ চিকিৎসা মহাবিদ্যালয়বিলাকত অধ্যয়ন কৰা ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকল মেডিকেল পঢ়াৰ যোগ্য নহয়, মেধাৱী নহয়, তেন্তে সেয়া সঠিক হ'ব নে? উচ্চতৰ মাধ্যমিকৰ ব'ৰ্ড পৰীক্ষাত ভাল ফল লাভ কৰা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলেই এম বি বি এছত নামভৰ্তিৰ বাবে পৰীক্ষা দিয়ে। উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত আসন লাভ কৰিবলৈ হ'লে মেট্ৰিকত ভাল ফল লাভ কৰিবই লাগিব; কিন্তু দেশৰ চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা কম হোৱা আৰু চিকিৎসা মহাবিদ্যালয়বিলাকত আসন কম হোৱাৰ বাবেই ৰেংকিং পদ্ধতিৰে আসন লাভ কৰিবলৈ বৃহৎ সংখ্যক মেধাৱী ছাত্ৰ-ছাত্ৰী সক্ষম নহয়। মূল সমস্যাটো হ'ল ভাৰতত মেডিকেল কলেজ আৰু এম বি বি এছত আসনৰ সংখ্যা কম। চিকিৎসা মহাবিদ্যালয় স্থাপনত কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰবিলাকে বিশেষ গুৰুত্ব নিদিয়াৰ কাৰণ যদি ধনৰ অভাৱ, তেন্তে সেয়া অতি দুৰ্ভাগ্যজনক। চৰকাৰে শিক্ষা আৰু স্বাস্থ্য খণ্ডক যে অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়া নাই, ই তাৰেই প্ৰমাণ। চিকিৎসা বিজ্ঞানে এহাতে শিক্ষা আৰু স্বাস্থ্য— দুয়োটা খণ্ডকে প্ৰতিনিধিত্ব কৰে। সেয়ে চিকিৎসা বিজ্ঞান তথা চিকিৎসা মহাবিদ্যালয়ৰ বাবে বাজেটত সৰ্বাধিক ধন ধাৰ্য কৰাৰ প্ৰয়োজন। উল্লেখ্য যে ভাৰতৰ জনসংখ্যা অনুপাতে চিকিৎসকৰ সংখ্যা যথেষ্ট কম। চিকিৎসক তথা জনসংখ্যাৰ আনুপাতিক হাৰৰ ব্যৱধান হ্ৰাস কৰিবলৈ হ'লে ভাৰতে আৰু অধিক সংখ্যক চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিব লাগিব। চৰকাৰবিলাকে জিলাই জিলাই একোখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কথা কৈ আহিছে যদিও কাৰ্যক্ষেত্ৰত সেয়া হোৱা নাই। দেশত যিমানেই চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বাঢ়িব, সিমানেই চিকিৎসকৰ সংখ্যাও বাঢ়িব আৰু এম বি বি এছৰ আসন সংখ্যাও বাঢ়িব। যদিহে সেয়া সম্ভৱ হয়, তেন্তে মেধাৱী ছাত্ৰ-ছাত্ৰীসকল বিদেশলৈ বা ইউক্ৰেইনলৈ চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে যাবলগীয়া নহ'ব। আমেৰিকা যুক্তৰাষ্ট্ৰ বা আন পশ্চিমীয়া দেশবিলাকৰ তুলনাত ইউক্ৰেইনত চিকিৎসা বিজ্ঞান অধ্যয়নৰ ব্যয়বহুল নহয়। ইউক্ৰেইনে বিশ্বৰ হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীক মেডিকেল পঢ়াৰ সুবিধা আগবঢ়াইছে। ভাৰতীয় মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দেশত আসন লাভৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাত ইউক্ৰেইনৰ উপৰি আন বহু দেশলৈ এম বি বি এছ ডিগ্ৰী লাভৰ বাবে ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে ঢাপলি মেলিছে। ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি বৰ্তমান ভাৰতৰ ১৮ হেজাৰ ছাত্ৰ-ছাত্ৰী ইউক্ৰেইনত, ২৩ হেজাৰ চীনত, ১৬ হেজাৰ পাঁচশ ৰাছিয়াত, ফিলিপাইন্সত ১৫ হেজাৰ, কিৰ্ঘিস্তানত ১০ হেজাৰ, জৰ্জিয়াত ৭,৫০০, বাংলাদেশত ৫,২০০, কাজাখস্তানত ৫,২০০, পোলেণ্ডত চাৰি হেজাৰ আৰু আৰ্মেনিয়াত তিনি হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত পঢ়ি আছে। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা এই তথ্যই প্ৰমাণ কৰে ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ভাৰতৰ চিকিৎসা মহাবিদ্যালয়বোৰত আসনৰ অভাৱ কিমান। দেশৰ আগশাৰীৰ উদ্যোগপতি তথা মহিন্দ্ৰা এণ্ড মহিন্দ্ৰাৰ মুৰব্বী আনন্দ মহিন্দ্ৰাই দেশখনৰ এনে অৱস্থা দেখা পাই আশ্চৰ্য প্ৰকাশ কৰিছে। তেওঁ সেয়ে এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি ভাৰতৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চিকিৎসা বিজ্ঞানত আসন সংখ্যা বৃদ্ধি কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে; কিন্তু ব্যক্তিগত শিক্ষানুষ্ঠানত পঢ়াটো ব্যয়বহুল। সেয়ে চৰকাৰেই এই কাম কৰিব লাগিব।

# চৌদিশে ভয়ানক উদাসীনতাৰ উৎসৱ

## প্ৰত্যেক জাতিৰ শ্ৰেষ্ঠ সম্পদ হৈছে মাতৃভাষা

দ্বিতীয় মহাযুদ্ধই পৃথিৱীত যি পৰিৱৰ্তন ঘটাইছে, তাৰ তুলনা বিৰল। ইউৰোপত গণ জাগৰণ ঘটিছে। দ্বিতীয় মহাযুদ্ধত মুক্ত পূৰ্ব ইউৰোপত সাম্যবাদৰ পতাকা উৰিছে। ছোভিয়েট ইউনিয়ন দ্বিতীয় পৰাশক্তিত পৰিণত হৈছে। ব্ৰিটিছ সাম্ৰাজ্যৰ কাৰ্যতঃ অৱসান হৈছে। ভাৰতবৰ্ষ স্বাধীন হৈ জন্ম হৈছে দুখন ৰাষ্ট্ৰৰ। মধ্যপ্ৰাচ্যত ইজৰাইল ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হৈছে। ব্ৰিটিছ সাম্ৰাজ্যৰ অৱসান হোৱাত এছিয়া আৰু আফ্ৰিকাৰ বহু দেশ স্বাধীন হৈছে। আমেৰিকাই ষড়যন্ত্ৰ কৰি সদ্য স্বাধীন হোৱা দেশত গণতন্ত্ৰৰ সমাধি ৰচনা কৰিছে। আমেৰিকাই কেতিয়াও কোনো যুদ্ধত জয়লাভ কৰা নাই; কিন্তু ষড়যন্ত্ৰ কৰি সদ্য স্বাধীন দেশবোৰৰ গণতান্ত্ৰিক নেতাবোৰক হত্যা কৰিব পাৰিছে।

আফগানিস্তানত শাসক পৰিৱৰ্তনৰ বাবে নজিবুল্লাক ফাঁচি দি হত্যা কৰা হয়। চিলিত আলেন্দেক হত্যা কৰা হয়। বাংলাদেশত শ্বেখ মুজিবৰ ৰহমানক হত্যা কৰা হয়। আমেৰিকা জাত চয়তান।



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

ছোভিয়েট ইউনিয়ন শক্তিশালী হৈ উঠাত দেশে দেশে সমাজতন্ত্ৰৰ বিস্তাৰ ঘটিছিল। মধ্য প্ৰাচ্যতো এই সমাজতন্ত্ৰ ইৰাক আৰু আফগানিস্তান পৰ্যন্ত প্ৰসাৰিত হৈছিল। আমেৰিকাই এই দুয়োখন দেশকেই ধ্বংসস্তূপত পৰিণত কৰিছে। আজি যি ইছলামিক টেৰোৰিষ্ট নামে একাধিক বাহিনীয়ে সমগ্ৰ বিশ্বত সন্ত্ৰাস বিয়পাইছে সেয়াও আমেৰিকাৰ পেন্টাগণৰ দ্বাৰা তৈয়াৰী। ২১ শতিকাৰ বৈশিষ্ট্য হৈছে সভ্যতাই এই সংকট পাৰ হৈ আহিছে। ইছলামিক টেৰোৰিষ্ট শক্তি এতিয়া পৰাজিত।

২১ শতিকাত সভ্যতা যি সন্ধিক্ষণ অতিক্ৰম কৰিবলৈ অগ্ৰসৰ সেয়া হ'ল বিশ্ব শক্তি হিচাপে ৰাছিয়া পুনৰ মূৰ দাঙি থিয় হোৱা, মাৰ্কিন সাম্ৰাজ্যৰ পতনৰ সূচনা আৰু চীনা আধিপত্যৰ বিশ্বব্যাপী সম্প্ৰসাৰণ।

**দুই**

পৃথিৱী পৰিৱৰ্তনশীল। সমাজ পৰিৱৰ্তনশীল। চিন্তা-চেতনা পৰিৱৰ্তনশীল। জীৱন-ধাৰণৰ প্ৰক্ৰিয়া আৰু জনগোষ্ঠী বা দেশৰ কৌশলগত লক্ষ্যবস্তু পৰিৱৰ্তনশীল। উন্নয়নৰ কৌশল পৰিৱৰ্তনশীল। সৰ্বোপৰি পৃথিৱী বা দেশৰ ভৌত কাঠামো পৰিৱৰ্তনশীল। যি পৰিৱৰ্তনশীল নহয়, সেয়া হ'ল মানুহ হিচাপে পৃথিৱীত জীৱন-যাপনৰ লক্ষ্য আৰু সৃষ্টিকৰ্তা কৰ্তৃক প্ৰদত্ত জীৱন যাপন আৰু আচাৰ-ব্যৱহাৰৰ মৌলিক নীতিবোৰ।

মনুষ্যত্ব নামৰ বস্তুটো আমাৰ দেশত দুৰ্লভ বুলি ক'ব পাৰি। পাষণ্ড পিতাৰ হাতত শিশু সন্তানৰ মৃত্যু, স্ত্ৰী কৰ্তৃক স্বামী হত্যা, স্বামী কৰ্তৃক পত্নী হত্যা, সন্তানৰ হাতত পিতা-মাতাৰ মৃত্যুৰ দৰে জঘন্য আৰু অমানৱিক ঘটনাসমূহ প্ৰায়েই পত্ৰ-পত্ৰিকাৰ শিৰোনাম হৈছে। মানুহৰ অমানৱিক মনোবৃত্তি আৰু নিৰ্মম নিষ্ঠুৰ চাহিদাৰ কাৰণে সমগ্ৰ সমাজ, সংসাৰ, ৰাষ্ট্ৰ অস্থিৰ। অনাচাৰ, ব্যভিচাৰ, পাপাচাৰ, পৰকীয়া বিশ্বাসভংগ, দুৰ্নীতি, জুলুম, অত্যাচাৰ, হত্যা, ধৰ্ষণ ইত্যাদি অপৰাধ জ্যামিতিক হাৰত বৃদ্ধি পাইছে। যি দেশত আইন-শৃংখলা কেৱল নেতাৰ বক্তৃতাৰ বাহিৰে আন ক'তো নাই, সেই দেশত এনে হোৱাটোৱেই স্বাভাৱিক।

মানুহৰ লোভ, লালসা, কাম-বন নকৰি বিকল্প উপায়েৰে উপাৰ্জনৰ ধান্দা আৰু পৰিশ্ৰম ত্যাগ তিতিক্ষা ব্যতিৰেকে পদ-পদৱী লাভৰ আকাংক্ষাৰ কাৰণে ব্যক্তি সমাজ-সংসাৰ আৰু ৰাষ্ট্ৰত দুৰ্বৃত্তায়ন ৰীতিমতে প্ৰতিষ্ঠানিক ৰূপ পাইছে। মানুহৰ মান-সন্মানবোধ যেনেকৈ মাৰাত্মকভাৱে লোপ পাইছে, তেনেকৈ অপমানিত, লাঞ্ছিত, নিগৃহীত আৰু নিপীড়িত হোৱাৰ ধৈৰ্য আৰু সহ্য বহুগুণে বাঢ়ি গৈছে। মানুহৰ অলসতাই তাৰ মন-মস্তিষ্ক দুৰ্বলৰ পৰা দুৰ্বলতৰ কৰি পেলায়। ফাঁকি দিয়াৰ নিচাত প্ৰবলভাৱে হয় আক্ৰান্ত। লোভ-লালসা, ভোগ-বিলাস আৰু সন্দেহ-অবিশ্বাস তাৰ প্ৰধান বাহন হৈ পৰে। এই অৱস্থাত দুটা পৰিণতি অৱশ্যম্ভাৱী। প্ৰথম, নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে নিজকে পশুতকৈও নীচ পৰ্যায়লৈ অৱনমিত কৰা আৰু দ্বিতীয়ত, স্বাৰ্থসিদ্ধিৰ সফলতা পালে দাম্ভিকতা, জুলুম, অত্যাচাৰ আৰু আনক অপমান কৰাৰ প্ৰৱণতা।

**তিনি**

জাতি হিচাপে আমি কি সসন্মানে মূৰ তুলি থিয় দিম নে ক্লেদাক্ত এক পৰজীৱী আৱৰ্জনাত পৰিণত হ'ম? 'প্ৰত্যেক জাতিৰ শ্ৰেষ্ঠ সম্পদ হৈছে মাতৃভাষা' কথাখিনি বিশ্ববিশ্ৰুত ঔপন্যাসিক মিখাইল ছলোকভৰ। আমাৰ হীনমন্যতাৰ বাবে অসমীয়া ভাষাক আমি অৱহেলা কৰিছো। নিজৰ ভাষা হৈছে নিজৰ ভাষা। আন একোৰে যাৰ পূৰণ কৰা নাযায়।

পৃথিৱী বিখ্যাত লুভৰ মিউজিয়ামত প্ৰদৰ্শিত বস্তুৰ পৰিচিতিত ফৰাচীৰ বাহিৰে আন কোনো ভাষা নথকা দেখি মিউজিয়ামৰ বিষয়া এগৰাকীক কথাটো সুধিছিলো ঃ পৃথিৱীৰ লাখ লাখ দৰ্শকেতো ফৰাচী ভাষা নাজানে। ফৰাচী ভাষাৰ লগতে ইংৰাজীৰ ব্যৱহাৰ নাই কিয়? উত্তৰত বিষয়াগৰাকীয়ে কৈছিল ঃ পশ্চিম ইউৰোপৰ সকলো দেশেই বিশ্বাস কৰে এই যে আমি উন্নত দেশত উপনীত হৈছো, এয়া সম্ভৱ হৈছে প্ৰধানতঃ আমাৰ ভাষা আৰু সংস্কৃতিৰ চৰ্চাৰ শক্তিৰ ফলত। আজি আন্তৰ্জাতিক ভাষাৰ অজুহাতত যদি ইংৰাজীক প্ৰৱেশৰ অবাধ সুযোগ কৰি দিওঁ তেনেহ'লে আমাৰ ভাষা-সংস্কৃতি ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা। যাৰ ফলত আমাৰ সামাজিক-সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱন দুৰ্বল হৈ পৰিব।

মাতৃভাষাক যথাযোগ্য মৰ্যাদাত লালন কৰিব নোৱাৰিলে এখন দেশৰ সাংস্কৃতিক শক্তি দুৰ্বল হৈ যাবলৈ বাধ্য। সমগ্ৰ বছৰজুৰি মাতৃভাষাৰ যত্ন আৰু উন্নয়নৰ প্ৰশ্নটো আমাৰ মাজত সক্ৰিয় থকাৰ কথা। নতুন প্ৰজন্মৰ সন্মুখত যদি ভাষা-সংস্কৃতিৰ ঐতিহ্য আৰু শক্তিৰ উন্মোচন কৰিব পৰা নাযায়, তেনেহ'লে আত্মমৰ্যাদাৰ শক্তি অনুভৱ কৰা কঠিন হৈ পৰিব। পশ্চিম ইউৰোপত ইংৰাজী ভাষাৰ ব্যৱহাৰ নাই বুলিবই পাৰি।

নাজানো আমাৰ ভাষা আৰু সংস্কৃতিৰ আচল গন্তব্য ক'ত! চৌদিশে চলিছে ভয়ানক উদাসীনতাৰ উৎসৱ।

**চাৰি**

সংস্কৃতি মানৱীয় বেপাৰ। মানুহ কেৱল জীয়াই থাকিয়েই সন্তুষ্ট নাথাকে। সংস্কৃতি হৈছে মানুহৰ চিন্তা আৰু কামৰ পৰিশ্ৰুতিমান, উৎকৰ্ষমান, সৌন্দৰ্যমান, উত্তৰণশীল, প্ৰগতিশীল পূৰ্ণতাপ্ৰয়াসী পদ্ধতি। জীৱন যাত্ৰা আৰু শিক্ষাৰ মাজেৰে মানুহে নিজৰ পৰিৱেশক সুন্দৰ, সমৃদ্ধ আৰু উন্নত কৰাৰ যি প্ৰৱণতা, চিন্তা আৰু চেষ্টা, তাৰেই মাজত নিহত থাকে তাৰ সংস্কৃতি। সংস্কৃতিৰ মাজেৰেই ব্যক্তিৰ সমষ্টিৰ কৰ্মেন্দ্ৰিয়, জ্ঞানেন্দ্ৰিয়, অন্তৰিন্দ্ৰিয় আৰু পৰিৱেশৰ সংস্কাৰ ৰূপান্তৰ নৱজন্ম ঘটে।

শ্ৰীঅৰবিন্দই তেওঁৰ 'The Foundations of Indian Culture' গ্ৰন্থত উল্লেখ কৰিছে ঃ পৃথিৱীত স্বৰ্গৰাজ্য স্থাপনেই সংস্কৃতিৰ জীৱন্ত লক্ষ্য। শ্ৰীঅৰবিন্দই প্ৰথমতে মানুহৰ মনোদৈহিক উন্নতিত, তাৰ পাছত আৰ্থ-সামাজিক ৰাষ্ট্ৰিক উন্নতিত গুৰুত্ব দিছে। জাতীয় জীৱনত সংস্কৃতি চেতনা দুৰ্বল হ'লে, বিকৃত হ'লে ব্যাহত হয় জাতিৰ উন্নতি।

**পাঁচ**

যি দেশত বন্ধ হৈ থকা এ টি এম খুলিবৰ বাবে বন্ধ দুৱাৰৰ সন্মুখত লোকে ধূপ-ধুনা জ্বলাই পূজা কৰে, নাম গায়, যি দেশত জ্যোতিষীৰ কথা মতে পাথৰ কিনিবৰ বাবে জনতাৰ ভিৰ ৰত্ন কুবেৰত, যি দেশৰ মন্ত্ৰী- ৰাজনীতিক আমোলা-বিষয়াৰ হাতৰ আঙুলিয়ে আঙুলিয়ে গ্ৰহ দশা দূৰ কৰিবৰ বাবে বিভিন্ন পাথৰৰ আঙঠি, যি দেশৰ মন্ত্ৰীয়ে অফিচ কক্ষত কৰে পূজা-পাতল, সেইখন দেশৰ দুগৰাকী ডকাইত। এজন ছিনিয়ৰ এজন জুনিয়ৰ। ছিনিয়ৰ ডকাইত মেট্ৰিক ফেইল, জুনিয়ৰ ডকাইত এম বি এ। ডকাইতি কৰিবলৈ অস্ত্ৰ হাতত লৈ দুয়ো বেংকত সোমাল। সোমায়েই গ্ৰাহকক ক'লে ঃ সকলোৱে তলমূৰ কৰি মজিয়াত শুই পৰক। জীৱন আপোনাৰ। টকা চৰকাৰৰ।

এগৰাকী মহিলাই ভয়ে ভয়ে হাতৰ চুৰি, ডিঙিৰ হাৰ খুলিবলৈ আৰম্ভ কৰিলে। তাকে লক্ষ্য কৰি ছিনিয়ৰ বেংক ডকাইতজনে ক'লে ঃ আমি বেংক ডকাইত। ৰাস্তাৰ চিনতাইকাৰী পকেটমাৰ নহয়। সন্মানৰ কথা আছে। গহনা খোলাৰ কোনো দৰকাৰ নাই।

ডকাইত দুজনে বেংক লুট কৰি টকা লৈ পলাল। জুনিয়ৰ ডকাইতে ছিনিয়ৰ ডকাইতক ক'লে ঃ বচ্, কিমান টকা লুট কৰিলো গণি চাও। ছিনিয়ৰ ডকাইতে ক'লে ঃ দৰকাৰ নাই। অলপ পাছতে টিভিত বাতৰি ওলাব। তেতিয়া জানিব পাৰিম কিমান টকা।

ডকাইত গুচি যোৱাৰ পাছত বেংকৰ মেনেজাৰে সহকাৰী মেনেজাৰক পুলিচক খবৰ দিবলৈ ক'লে। সহকাৰী মেনেজাৰে ক'লে ঃ ছাৰ ২০ লাখ টকা আঁতৰাই থওঁ। কম এই ২০ লাখ টকাও ডকাইতে লৈ গৈছে। মেনেজাৰে ক'লে ঃ ২০ কিয় ৩০ লাখ আঁতৰাই থোৱা।

ঃ ৩০ লাখ ছাৰ? সহকাৰী মেনেজাৰে সুধিলে।

ঃ অ'। উত্তৰ দিলে মেনেজাৰে। ইয়াকেই কয় জোৱাৰৰ পানীত সাঁতোৰা। মানে কোনো এটা বিপদক সম্পদত পৰিণত কৰা।

টেলিভিছনৰ পৰ্দাত দেখা গ'ল বেংক লুট কৰি ৫০ লাখ টকা লৈ পলাইছে দুই ডকাইত। তাকে দেখি চিঞৰি উঠিল জুনিয়ৰ ডকাইত ঃ বচ ৫০ লাখ।

লুট কৰি অনা টকা গণনা কৰি দুই ডকাইতে দেখে ৫০ নহয়, মাত্ৰ ২০ লাখ। গৰ্জি উঠিল ছিনিয়ৰ ডকাইত ঃ চালা, চুৰৰ বাচ্চা। বেংক মেনেজাৰতো আমাতকৈও গভাইত ডকাইত।

জুনিয়ৰ ডকাইতে মাত লগালে ঃ বচ, ইয়াকেই কয় তৰোৱালতকৈ কলমৰ শক্তি বেছি।

**ছয়**

ভাল অৰ্থত সমালোচনা আৰু আত্মসমালোচনাৰ ঐতিহ্য নাই অসমীয়াৰ ৰাজনৈতিক ইতিহাসত। ভুল-ক্ৰটি স্বীকাৰ কৰাৰ আৰু সংশোধন কৰাৰ প্ৰৱণতা আমাৰ দেশৰ ৰাজনীতিত এতিয়াও দুৰ্লভ। আমাৰ ৰাজনীতিকৰ অন্যতম প্ৰধান ক্ৰটি অপ্ৰয়োজনীয় কথা কোৱাৰ প্ৰৱণতা।

মাজুলীৰ উপ-নিৰ্বাচন। বিজেপিৰ নেতাবোৰে কৈছে ফাকা ফিল্ড। গ'লকিপাৰ নাই। ৬০ হেজাৰ ভোটত জিকিব বিজেপি প্ৰাৰ্থী ভুবন গাম। অথচ মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত বিজেপি প্ৰাৰ্থীৰ স'তে আছিল মুখ্যমন্ত্ৰীকে ধৰি এসোপা মন্ত্ৰী-বিধায়ক। মুখ্যমন্ত্ৰীয়ে মাজুলীত দুদিন ধৰি ১২ খন সভাত ভাষণ দিছে। এসোপা মন্ত্ৰী-বিধায়ক আছে বাহৰ পাতি। ৬০ হেজাৰ ভোটত যদি জিকিবই তেনেহ'লে ইমান পয়োভৰ কিহৰ বাবে?

মুখ্যমন্ত্ৰীৰ বাবে বিজেপিৰ প্ৰাৰ্থী গাখীৰ দিয়া গাইগৰু। বিৰোধীৰ প্ৰাৰ্থী গাখীৰ নিদিয়া বলধ। টকা-পইচা-প্ৰতিশ্ৰুতি-প্ৰলোভনেৰে মাইকী গৰুটোক বিজেপিয়ে যে জিকাই আনিব, তাত কোনো সন্দেহ নাই।

ঈছপৰ এটা গল্প। এজন গৰখীয়াই বনৰ কাষত গৰু চৰাই আছিল। এদিন সি মিছাকৈ চিঞৰিলে বাঘ আহিছে বাঘ। গাঁওবাসীয়ে গৰখীয়াক উদ্ধাৰ কৰিবলৈ দা-কুঠাৰ লৈ আহি দেখিলে যে বাঘ আচলতে অহা নাই। সি ধেমালি কৰিছে। কিছুদিন পাছত আকৌ সি চিঞৰিলে— বাঘ আহিছে বাঘ। গাঁওবাসী সহায় কৰিবলৈ আগুৱাই আহিল। আহি দেখে গৰখীয়াই মিছা কথা কৈছে। আকৌ এদিন মিছা মাতিলে বাঘ বাঘ। গাঁওবাসী এজনৰ বিপদত সকলোৱে আগবাঢ়ি আহিল। আহি দেখে মিছা। বাঘ অহা নাই। তাৰ পাছত সঁচাকৈ এদিন বাঘ আহিল। গৰখীয়াই প্ৰাণ পণে চিঞৰিলে ঃ বাঘ আহিছে বাঘ। এইবাৰ গাঁওবাসী আগুৱাই নাহিল। কিমান ঠগ খাব। গৰখীয়া বাঘৰ পেটত সোমাল। উপদেশমূলক গল্পটোৰ উপদেশ আমি সকলোৱে জানো। সদায় সঁচা কথা ক'বা। মিছা কথা নক'বা।

**মাতৃভাষাক যথাযোগ্য মৰ্যাদাত লালন কৰিব নোৱাৰিলে এখন দেশৰ সাংস্কৃতিক শক্তি দুৰ্বল হৈ যাবলৈ বাধ্য। সমগ্ৰ বছৰজুৰি মাতৃভাষাৰ যত্ন আৰু উন্নয়নৰ প্ৰশ্নটো আমাৰ মাজত সক্ৰিয় থকাৰ কথা। নতুন প্ৰজন্মৰ সন্মুখত যদি ভাষা-সংস্কৃতিৰ ঐতিহ্য আৰু শক্তিৰ উন্মোচন কৰিব পৰা নাযায়, তেনেহ'লে আত্মমৰ্যাদাৰ শক্তি অনুভৱ কৰা কঠিন হৈ পৰিব।**

এগৰাকী শিক্ষকে ক্লাছত গল্পটো কৈ গল্পটোৰ মৰেল কি ছাত্ৰবোৰক সুধিলে।

এজন ছাত্ৰই উত্তৰ দিলে ঃ সঁচা কথা ক'লে বাঘৰ পেটত যাব লগা হয়। গৰখীয়াজনে যিমানবাৰ মিছা কথা কৈছিল, গাঁওবাসীয়ে তাক সহায় কৰিবলৈ আহিছিল। এদিন মাত্ৰ সঁচা কথা কৈছিল, সিদিনা কোনেও তাক সহায় কৰিবলৈ নাহিল। গতিকে সঁচা কথা নক'বা। মিছা কথা ক'বা।

**সাত**

সকলো যুদ্ধ শেষ কৰিবৰ বাবে কোনো যুদ্ধ নাই।
— হাৰুকি মুৰাকামি

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# আজলী নবৌৰ মহানগৰ দৰ্শন

**এদিন** মোৰ গাঁৱৰ এজনী আজলী নবৌক গুৱাহাটী মহানগৰখন দেখুৱাবলৈ আনিছিলো। মই বসবাস কৰা ঠাইখন অতি পিছপৰা। তাত কোনো চৰকাৰী অফিচ নাই। ৰাস্তা-ঘাটো বেয়া। ৰাতি হ'লে লাইট নজ্বলে, দিনত সূৰ্যৰ পোহৰ নহ'লে ৰাতি যেন লাগে। খোৱা পানীৰ অভাৱ। গেমন নে ফেমনে ৰাস্তা খান্দি যি গ'ল— তাক আৰু ভাল কৰাৰ ব্যৱস্থা নাই। মোৰ ঘৰৰ সন্মুখৰ ৰাস্তাটো আৰু বেয়া। সেইবোৰ বৰ্ণনা কৰিলে আপোনাৰ চকুপানী ওলাব। যাহওক সেইবোৰ বৰ্ণনা নকৰে। আজলী নবৌৰ কথালৈ আহো।

মোৰ ঘৰত খুৱাই ধুৱাই নবৌক চহৰ দেখুৱাবলৈ নিলো। প্ৰথমতে দীঘলী পুখুৰীটো দেখুৱালো তেওঁ ক'লে বাপৰে ইমান ডাঙৰ পুখুৰী। তথাপিতো গুৱাহাটীৰ মানুহে পানীৰ অভাৱত মৰে। আমাৰ গাঁৱত এটাই পুখুৰী। তাতেই মানুহে গা ধোৱে, মাছ মাৰে, কলহত ভৰাই তাৰেই পানী আনি খায়। তাৰ পাছত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ মূৰ্তিটো দেখুৱালো। তেওঁ সেইটো ডিঙি মেলি চাই ক'লে— বাপৰে মানুহটো ৰ'দত ক'লা পৰি গৈছে, এটা ছাতিও দিব নোৱাৰিলে। তেনেকৈয়ে দেখুৱালো ৰাধাগোবিন্দ বৰুৱাৰ মূৰ্তি, প্ৰতিমা পাণ্ডেৰ মূৰ্তি, ভূপেন হাজৰিকাৰ মূৰ্তি, হৰিনাৰায়ণ দত্ত বৰুৱাৰ মূৰ্তি। এইবোৰ চাই একে মন্তব্য— মানুহবিলাকে ৰ'দত পুৰি পুৰি ক'লা পৰি গৈছে— ছাটি একোটা দিব নোৱাৰিলে বা ওপৰত ছালি এখনো বনাই দিব নোৱাৰিলে। ভোলানাথ বৰুৱাৰ মূৰ্তিটো চাই ক'লে— এওঁৰ আকৌ মূৰ্তিটো আধা কটাক, পূৰাকৈনো থিয় কৰাই মূৰ্তিটো কেলেই সজাব নোৱাৰিলে। অৱশ্যে এওঁক ছাটি নিদিলেও হয়, এওঁ এজোপা ডাঙৰ গছৰ তলত আছে, গাত ৰ'দ নালাগে। এনেদৰে আজলী নবৌক মূৰ্তিবোৰে দেখুৱাই ফুৰিলো। ভূপেন হাজৰিকাৰ মূৰ্তিটো চাই ক'লে— এওঁক অৱশ্যে মূৰত ছাটিটো দিব নোৱাৰে, এওঁ যিমান ওখ মানুহ, ছাটিটো দিলে বতাহে উৰুৱাই নিব আৰু এওঁ গান গালে মানুহে মুখখনেই দেখা নাপাব।

এদিন তেওঁক হাইকোৰ্টটো দেখুৱালো। তেওঁক বুজাই ক'লো— ইয়াতে উকীল বিলাক থাকে। তেওঁলোকে চোৰ-ডকাইটৰ বিচাৰ বিলাক কৰে, মাটি-বাৰীৰ কেচ লাগিলেও বিচাৰ কৰে। আজলী নবৌৱে সুধিলে— উকীল বিলাকক দৰমহা কোনে দিয়ে। মই বুজাই ক'লো যে এওঁলোকৰ দৰমহা নাই। এওঁলোকে যাৰ কেচ বিচাৰ কৰে তেওঁলোকৰ পৰা আদায় কৰি লয়। হাইকোৰ্ট বিল্ডিংটো চাই ক'লে— বাপৰে ঘৰটো ধনী মানুহৰ ঘৰ যেন লাগে। তাৰ পাছত ডি চি অফিচটো দেখুৱালো। ইয়াতে ডি চি বিলাক থাকে। ইয়াৰ নানা ৰকম বিচাৰ হয়, মাটি বাৰীৰ হিচাপ ৰাখে, মানুহৰ প্ৰাপ্য বস্তুবোৰ আদায় কৰি দিয়ে। এওঁলোকক দৰমহা চৰকাৰে দিয়ে। ইয়াত বহুত চাকৰিয়াল থাকে। পিয়ন, চকীদাৰৰ পৰা ডাঙৰ ডাঙৰ অফিচাৰ থাকে। এদিন ডি চিৰ বাংলাবিলাক দেখুৱালো। ডি চিৰ সন্মুখত বাগিচাবিলাক দেখুৱালো। বাগিচাবিলাকৰ ফুলবিলাক চাই ক'লে— এই ফুলবিলাক কি কৰে? মই বুজাই ক'লো— এইবোৰ নি বিষয়া বিলাকৰ ড্ৰইংৰুমত ফুলদানীত সজাই ৰাখে।

এদিন নি আজলী নবৌক পুলিচৰ হেডকোৱাৰ্টাৰটো দেখৱালো। ইয়াত পুলিচৰ হেড মানে ডিৰেক্টৰ জেনেৰেল অৱ

**ৰিজু হাজৰিকা**

পুলিচ থাকে। পুলিচে কি কৰেতো জানাই। চোৰ, ডকাইত, প্ৰৱঞ্চকবিলাকক ধৰি শাস্তি দিয়ে। আজলী নবৌৱে ক'লে— হ'লেও চোৰ ডকাইতৰ সংখ্যা আমাৰ গাঁওবোৰত বাঢ়িয়ে আছে। অৱশ্যে আজি কালি সিন্ধি খান্দি সোমোৱা চোৰৰ সংখ্যা বহুত কমিছে, কাৰণ সকলোৱে পকী ঘৰ বান্ধিছে। কিন্তু চোৰেই তলা খুলি সোমাব পৰা বুদ্ধি শিকিছে।

ইয়াৰ পাছত এদিন এখন স্কুল দেখুৱালো। ছুটীৰ সময়ত নিছিলো। যেতিয়া চুট টাই মাৰি ছাত্ৰ-ছাত্ৰীবোৰ ওলাই আহিছে আজলী নবৌৱে মোক সুধিলে— ইয়াতে কিবা সভা হৈছে নেকি? মই ক'লো— নহয় এইবোৰ ছাত্ৰ-ছাত্ৰী। স্কুল ছুটী হোৱাত ওলাই আহিছে। নবৌৱে সুধিলে— এই ছাত্ৰ-ছাত্ৰীবোৰক খৰচ কোনে দিয়ে? মই বুজাই ক'লো— যিসকল মাক-বাপেকে পঢ়ুৱাই তেওঁলোকে মাহে মাহে ফিজ দিয়ে। ইহঁতে যিমান ফিজ দিয়ে আমাৰ গাঁৱৰ মাষ্টৰ বিলাকে ইমান দৰমহাই নাপায়। নবৌৱে ক'লে— আমাৰ দাদাক আনি ইয়াতে সুমুৱাই দিব নোৱাৰানে? মই চেষ্টা কৰি চাম দেই বুলি মিছা কথা ক'লো।

ইয়াৰ পাছত এদিন কটন কলেজখন দেখুৱালো। ক'লো— ইয়াতো ধনী মানুহৰ ল'ৰা-ছোৱালীবিলাকেহে পঢ়িব পাৰে। ফিজ বহুত। হোষ্টেলত থাকিব লাগিব তাতে। খোৱা খৰচ বহুত।

তাৰ পাছত বৌৱে ক'লে— যাওঁ ব'লা বৰ ভাগৰ লাগিছে। এইবাৰ বৌক দেখুৱালো ভৰলু নদীটো। টাউনৰ মাজেৰে গেলা পচা বস্তুবোৰ কঢ়িয়াই অনা নৈখন দেখি বৌৱে অক অক কৰি বমি কৰি দিলে। ক'লে— ইচ্ ৰাম নৈখন চাফা কৰি ৰখা মানুহ নাই? মই ক'লো— কিমান চাফা কৰিব? লাখ লাখ মানুহে ইয়াত বেয়া বস্তুবোৰ পেলায়। হাক দিলেও নুশুনে।

অৱশেষত আজলী নবৌৱে ক'লে— যাওঁ ব'লা আৰু মহানগৰ চাবৰ ইচ্ছা নাই। মই এখন দোকানত চাহ খোৱাৰ প্ৰস্তাৱ দিলো। বৌৱে ক'লে— নালাগে ব'লা। ঘৰতে গা-পা ধুই লাল চাহ খাম। কাইলৈ ৰাতিপুৱাই গাঁৱলৈ যাম। মহানগৰ চোৱাৰ ইচ্ছা পলাল। আমাৰ গাঁৱবোৰ ইয়াতকৈ বহুত চাফা। ইয়াত অট্টালিকা থকা মানুহেহে থাকিব পাৰে। কাৰণ তেওঁলোকৰ বেয়া বস্তুবোৰ তলত পেলাই দিব পাৰে।

# লাজ নকৰা দগাবাজ লাভ বিচাৰি কৰে ৰাজ

মনোজ কুমাৰ ভট্টাচাৰ্য

**এক**

দোকান খোলাৰ অলপ পাছতে ধুনীয়া ছোৱালী এজনী আহি দোকানীক সুধিলে— দাদা, ভাল জহা চাউল আছে নেকি?

— আছে। ৰহাৰ লোকেল জহা। দামটো অলপ বেছি হ'ব। কিমান দিম?

— দাদা, দেখুৱাওকচোন?

ছোৱালীজনীয়ে চাউলখিনি শুঙি চাই ক'লে— জহা জহা গোন্ধোৱা নাই দেখোন?

— কি কোৱাহে ভণ্টী? জহা জহা গোন্ধে দেখোন মলমলাই আছে।

— মইতো গোন্ধ পোৱা নাই।

— ৰ'বা ভণ্টী। দোকানত থকা ল'ৰাটোক মাতি— ঐ, তই গোন্ধ পাৱ নে চাচোন?

— ল'ৰাজনে গোন্ধ পোৱা বুলি কোৱাত দোকানীয়ে ক'লে— ভণ্টী, তুমি গোন্ধ পোৱা নাই যেতিয়া তোমাৰ চাগে কৰ'না হৈছে। তুমি টেষ্টটো কৰাই লোৱা ভাল।

— অ', অ' পাইছো। এতিয়াহে গোন্ধ পাইছো। দাদা, দিয়ক তিনি কেজি।

ছোৱালীজনী যোৱাৰ পাছত দোকানৰ ল'ৰাটোৱে ক'লে— দাদা, ময়ো গোন্ধ পোৱা নাছিলো। মোৰ বাৰু কৰ'না হৈছে নেকি?

— বুৰ্বক। জহা চাউল হ'লেহে গোন্ধ পাবি তই।

**দুই**

ডাক্তৰ— আপোনাৰ দাঁতটো উভালি পেলোৱাৰ বাহিৰে আন উপায় নাই।

ৰোগী— খৰচ কিমান হ'ব ডাক্তৰ?

— বাৰশ টকা।

— অলপ কমাব নোৱাৰিবনে ছাৰ?

— আপোনাৰ দাঁতৰ গুৰিত এনেছ্থেছিয়াৰ বেজী দিব লাগিব। তাৰ খৰচেই নশ টকা।

— ছাৰ, বেজীটো নলওঁ যদি?

— কি কয়হে? বেজী নল'লে আপুনি সহ্যই কৰিব নোৱাৰিব। প্ৰচণ্ড বিষ হ'ব।

— পাৰিম ছাৰ। মোৰ ধৈৰ্য-সহ্য গুণ আছে। তেতিয়া আপোনাক তিনিশ টকা দিলেই হ'বনে?

— হেৰি, বেজী নোলোৱাকৈ দাঁত উভলাব পৰা ৰোগী মই আজিলৈকে দেখা নাই। আপুনিও নোৱাৰিব।

— সেয়া আপুনি মোৰ ওপৰত এৰক। মই পাৰিম। কাইলৈ ১২ বজাত মই আহিম ছাৰ।

পাছদিনা ১২ বজাত ক্লিনিকত উপস্থিত হৈ ৰোগীয়ে ক'লে— ছাৰ, মোৰ মনৰ বলটো শেষ হোৱাৰ আগতেই দাঁতটো উঠাই দিয়ক।

ডাক্তৰে বেজী নিদিয়াকৈ চেপেনাৰে দাঁতটো লাহে লাহে টানি আছে। ডাক্তৰৰ ধাৰণা, ৰোগীয়ে বিষত চিঞৰিব আৰু নিজেই ডাক্তৰক বেজী দিবলৈ অনুৰোধ কৰিব; কিন্তু নাই, ৰোগী গপচত পৰি আছে। অৱশেষত দাঁতটো উভালিয়েই আহিল। ডাক্তৰৰ কপালত ঘাম বিৰিঙিল। তেওঁ ক'লে— জীৱনত প্ৰথমবাৰ এনে অদ্ভুত, খামী ডাঠ ৰোগী পালো যিয়ে এনেছ্থেছিয়া অবিহনে হাঁহিমুখে নিজৰ দাঁত উভলাব পাৰিলে। হ'ব দিয়ক, মোৰ ফিজ তিনিশ টকা নালাগে। মই আপোনাক পুৰস্কাৰ হিচাপে এই পাঁচশ টকা দিলো। আহকচোন, আপোনাৰ স'তে এখন চেল্ফী লৈ থওঁ। আজিৰ স্মৃতিখিনি অন্ততঃ মোৰ লগত থাকক।

মহা আনন্দেৰে চেল্ফী উঠি পাঁচশ টকা লৈ নমস্কাৰ জনাই ৰোগীয়ে বিদায় ল'লে।

সন্ধিয়া ক্লিনিক বন্ধ কৰি 'ডাক্তৰছ ক্লাব'ত ডাক্তৰজনে ডেণ্টিষ্টসকলৰ আগত উক্ত ঘটনাটো বিৱৰি ক'লে, লগতে চেল্ফীখনো দেখুৱালে। উৎকণ্ঠিত ডাক্তৰ এজনে চিঞৰি উঠিল— আৰে, এইজনেই ৰাতিপুৱা মোৰ চেম্বাৰলৈ আহিছিল। এওঁক এনেছ্থেছিয়াৰ বেজীটো দি আধাঘণ্টামান বাহিৰৰ কোঠাটোত বহি থাকিবলৈ কৈছিলো। তাৰ পাছত এওঁক বিচাৰিয়েই নাপালো। তাৰ মানে মোৰ পৰা বেজীটো লৈ এওঁ আপোনাৰ ক্লিনিক পালেগৈ।

তাৰ যিটো কাৰচাজি, ই বেটা নিশ্চয় কোনোবা ৰাজনৈতিক দলৰ নেতা।

**তিনি**

ল'ৰাৰ খবৰ ল'বলৈ দেউতাক চহৰলৈ



গ'ল। গৈ দেখিলে তাৰ কোঠাত এজনী ধুনীয়া ছোৱালী। দেউতাকে সুধিলে— এই ছোৱালীজনী কোন?

ল'ৰাই উত্তৰ দিলে— দেউতা, এওঁ মোৰ পাৰ্টনাৰ। তুমি যি ভাবিছা সেইটো নহয়। দুয়োৰে বেলেগ বেলেগ কোঠা আৰু বিছনা। আমি দুয়ো খুব ভাল বন্ধু।

পাছদিনা দেউতাক ঘৰলৈ ঘূৰি আহিল।

এসপ্তাহ পাছত ছোৱালীজনীয়ে ল'ৰাজনক ক'লে— সিদিনা তোমাৰ দেউতাই যিখন প্লেটত ডিনাৰ কৰিছিল, সেইখন বিচাৰি পোৱা নাই। দেউতাই ভুলতে লৈ যোৱা নাইতো?

ল'ৰাজনে খং কৰি ক'লে— চুপ থাকা, তুমি মোৰ দেউতাক চোৰ বুলি ভাবিছা নেকি?

ছোৱালীজনীয়ে ক'লে— নাই ভবা, তথাপি তুমি এবাৰ দেউতাক সুধি চোৱাচোন। সোধাত আপত্তি কি?

পাছদিনা ল'ৰাই দেউতাকলৈ মেছেছ পঠালে— দেউতা, মই এইটো কোৱা নাই যে সিদিনা আপুনি ডিনাৰ খোৱা প্লেটখন লৈ গৈছে অথবা এইটোও কোৱা নাই যে আপুনি প্লেটখন লৈ যোৱা নাই। ভুলবশতঃ যদি আপুনি প্লেটখন লৈ গৈছে, তেনেহ'লে সেইখন উভতাই দিব। কাৰণ, ছোৱালীজনীৰ সেইখন বৰ পছন্দৰ।

লগে লগে দেউতাকৰ উত্তৰ আহিল— মই এইটো কোৱা নাই যে তোৰ পাৰ্টনাৰজনীয়ে ৰাতি তোৰ লগত শোৱে আৰু এইটোও কোৱা নাই যে ৰাতি তোৰ লগত নোশোৱে। তথাপি তাই যদি এই সপ্তাহটোৰ ভিতৰত এদিনো নিজৰ বিছনাত শুলেহেঁতেন, তেনেহ'লে তাইৰ গাৰুৰ তলত প্লেটখন পাই গ'লহেঁতেন। কাৰণ প্লেটখন মই তাতেই লুকুৱাই থৈ আহিছিলো।

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ৬ মাৰ্চ, দেওবাৰ, ২০২২ পৃষ্ঠা ৫



# ন'বেল জয়ী ইৰাকী নাৰী নাদিয়া মুৰাদ

**তিনি হেজাৰতকৈয়ো অধিক নাৰী আই.এছ.ৰ তাত যৌন-দাসী হিচাবে বন্দী হৈ আছে। আই এছ য়ে এই হতভগীয়াসকলক ইচ্ছামতে ব্যৱহাৰ কৰিছে। ইচ্ছামতে নাৰীসকলক ঠাইত বিক্ৰী কৰিছে। জেহাদী জংগীসকলে নাৰী আৰু বন্দীসকলক দাস হিচাপে বিক্ৰী কৰাৰ বাবে ক্ৰীতদাস বজাৰ গঢ়ি তুলিছিল আৰু একেলগে ইয়াজিদি নাৰীৰ ধৰ্ম ত্যাগ কৰাৰ বাবে বাধ্য কৰিছিল**

**ড° খনীন চৌধুৰী**

**এগৰাকী** বিশ্ববন্দিত নোবেল বিজয়ী (২০১৮ৰ) ইৰাকী নাৰী নাদিয়া মুৰাদ। প্ৰথম ইৰাকী হিচাবে ২৫ বছৰীয়া এইজনা ইয়াজিদি মানবাধিকাৰ কৰ্মীয়ে নোবেল জয় কৰি সমগ্ৰ বিশ্বকে বিস্মিত কৰিছে। বাস্তৱতাৰ কঠিন নিৰ্যাতনৰ জাল ছিঙি বাহিৰ হৈ আহি বিশ্বৰ আটাইতকৈ সন্মানজনক পুৰস্কাৰ অৰ্জন কৰিছে। অবাক কৰি দিছে সমগ্ৰ বিশ্বক।

ইৰাকৰ সংখ্যালঘু ইয়াজিদি সম্প্ৰদায়ৰ সদস্য হিচাবে তেওঁ দেখিবলৈ পাইছে পৃথিবীৰ নিৰ্মমতম জংগী-গোষ্ঠী ইছলামিক (আই.এছ.) ষ্টেটৰ বৰ্বৰতা। চিকাৰ হৈছে অবৰ্ণনীয় নিৰ্যাতনৰ। পাৰ কৰিছে ইতিহাসৰ নিকৃষ্টতম সময় বিশেষ।

২০১৪ৰ ছেপ্টেম্বৰৰ এক গভীৰ ৰাতি ওমৰ আব্দুল জাব্বাৰৰ পৰিবাৰৰ ঘৰৰ প্ৰধান ফটকৰ পৰা যেতিয়া বাৰম্বাৰ কঢ়া শব্দ আহিছিল, তেতিয়া স্বাভাৱিকভাৱেই ঘৰৰ সকলো আতংকিত হৈ পৰিছিল।

ইমান ৰাতি আই.এছ.ৰ প্ৰহৰীসকলত বাদে অইন কোনো অহাৰ কথা নাথাকে। কিন্তু দুৱাৰ খুলি যেতিয়া তেওঁলোকে দেখিছিল, সেয়া কোনো আই. এছ. নহয়, বিপৰীতে আই.এছ.ৰ বন্দী শিবিৰৰ পৰা পলাই অহা এজনী তৰুণীয়ে-দুৱাৰৰ সমুখত থিয় হৈ কঁপি আছে। সেই দৃশ্য দেখি তেওঁলোকৰ শংকা আঁতৰা নাছিল অলপো। কাৰণ নগৰখনৰ ঠায়ে-ঠায়ে তেতিয়াও ৰৈ আছিল জংগী সংগঠন আই.এছ.ৰ চেকপইণ্ট। অঞ্চলটোৰ অনেকেই আই.এছ.ৰ সমৰ্থক। যিকোনো মূহুৰ্তত দেখিবলৈ পালেই সিহঁতৰ নিজৰো জীৱনৰ সংশয় হ'ব পাৰে।

আই.এছ.ৰ বন্দী-শিবিৰৰ পৰা কোনো পলাই অহা ঘটনা সেয়ে প্ৰথম নাছিল। পিছে যিসকল পলাই আহিছিল, তেওঁলোক পিছে কিছুদিনৰ ভিতৰতেই পুনৰ ধৰা পৰি গৈছিল। পলাই গৈ যাৰ ঘৰত আশ্ৰয় লৈছিল, বহুত ক্ষেত্ৰত তেওঁলোকেই পুনৰ পলাই যোৱাসকলক আই.এছ.ৰ হাতত তুলি দিছিল। তেনে কৰাৰ প্ৰধান কাৰণ আছিল তিনিটা-

(১) প্ৰথমটো আই.এছ.ৰ সমৰ্থক হোৱাৰ কাৰণে।

(২) দ্বিতীয়টো পুৰস্কাৰৰ আশাত।

(৩) তৃতীয়টো কাৰণ আছিল প্ৰাণৰ শংকা।

নাদিয়াই কাতৰস্বৰে অনুৰোধ কৰিছিল- 'মোক ৰক্ষা কৰক-সিহঁতে মোক ধৰ্ষণ কৰিছে।' ওমৰ আৰু তেওঁৰ পিতৃৰ সেই ক্ষণটো আছিল এক গুৰুত্বপূৰ্ণ ক্ষণ সিদ্ধান্ত লোৱাৰ। পলাতক দাসীসকলক ধৰি দিয়াৰ পুৰস্কাৰ আছিল ৫০০ ডলাৰ। বিপৰীতে আশ্ৰয় দিয়াৰ শাস্তি আছিল মৃত্যুদণ্ড। তেওঁলোকে সঠিক সিদ্ধান্ত লৈ লাহেকৈ ছোৱালীজনীক ঘৰৰ ভিতৰলৈ লৈ আহিছিল। নাদিয়াক ঘৰৰ ভিতৰত লুকাই ৰখাটো ওমৰ পৰিবাৰৰ বাবে বিপজ্জনক আছিল। পিছে তেওঁক বাহিৰ কৰি দিয়াটো আছিল আৰু বিপজ্জনক। কোনোবাই দেখিব বুলি ভাবি নাদিয়াক তেওঁলোকে চহৰখনৰ সিটো প্ৰান্তৰৰ ওমৰৰ ভনীৰ ঘৰলৈ লৈ যায়। ইয়াৰ মাজতে ওমৰে তেওঁৰে এজন সম্পৰ্কীয়ৰ সহায়ত নাদিয়াৰ নামত এখন নকল পৰিচয় পত্ৰ কৰি লয়। তাত নাদিয়াৰ নাম হৈ পৰে 'সুজান' আৰু তেওঁৰ ঠিকনা হৈ পৰে ১৬০ কিলোমিটাৰ আঁতৰৰ চহৰ 'কিৰকুক'। নাদিয়াৰ পৰিচয় হয় ওমৰৰ স্ত্ৰী। গোটেই ৰাতি সাৰে থাকি নাদিয়াই তেওঁৰ নতুন পৰিচয় মুখস্থ কৰি থাকে যাতে পাহৰি নাযায় বা খোকোজা নালাগে কোনোবাই সুধিলে। নহ'লে অলপ ইফাল-সিফাল হ'লেই মৰণৰ সম্ভাৱনা।

এক নিৰ্দিষ্ট দিনত তেওঁলোক নিজৰ থকা ঠাই এৰি যাত্ৰা আৰম্ভ কৰে। পিছে প্ৰথমটো চেক পইণ্টতে থামিবলগীয়া হয়। জেৰা আৰম্ভ হয়। ক'লৈ যাব, কোন, ক'ৰ পৰা আহিছে ইত্যাদি। আই.এছ.ৰ সদস্যই গাড়ীত তালাচী চলায়। ওমৰ—নাদিয়াৰ কাগজ-পত্ৰ পুংখানুপুংখকৈ পৰীক্ষা কৰে। আগৰে পৰা সাজু কৰি ৰখাৰ দৰে উত্তৰ দিয়া 'হ'ল'। কোৱা হ'ল তেওঁৰ স্ত্ৰীক নিজৰ পিতৃ-মাতৃৰ



ওচৰলৈ লৈ যাবলৈ ওলাইছে। সন্দেহজনক একো নাপাই আই.এছ.এ এৰি দিয়ে। জেৰা আৰু তালাচীৰ সমস্ত সময়খিনি নাদিয়াই শ্বাস বন্ধ কৰি ৰাখিব লগা যেন হৈছিল। কাৰণ য'ত গাড়ী ৰাখিব দিয়া হৈছিল তাৰেই কাষত চাইনবোৰ্ডত 'ৱাণ্টেড'ৰ তালিকাত থকা নামবোৰৰ মাজত নাদিয়াৰ নাম আৰু ছবিও আছিল। আই.এছ.ৰ সদস্যই যদি নাদিয়াৰ বোৰ্খা আঁতৰাই দিলেহেঁতেন, তেনেহ'লে, তেওঁ নিশ্চয়েই ধৰা পৰিলেহেঁতেন। পিছে তেওঁলোকৰ নীতিৰ কঠোৰতাখিনিয়েই শাপে বৰ যেন হৈ পৰিছিল-বোৰ্খা আঁতৰোৱাৰ ঘোৰ বিৰোধী মানসিকতায়েই সহায়ক হৈ পৰিছিল। তাৰ পাছৰ চেকপইণ্ট কেইটাৰো ক'তোৰেই নিকাব আঁতৰোৱা হোৱা নাছিল। আই.এছ.ৰ পৰা পলাই অহাৰ পাছত নাদিয়া মুৰাদ হৈ পৰিছিল জাতিসংঘৰ শুভেচ্ছা-দূত। তেওঁ কাম কৰিছে— মানবাধিকাৰ বিষয়ক আইনজীৱী আমাল-ক্লুনিৰ লগত —সেইসকলৰ হৈ কাম কৰিছে-যিসকল আই.এছ.-জংগীৰ হাতত বন্দী হোৱা তথা পলাই অহা ইয়াজিদি-নাৰীৰ সন্দৰ্ভত কাম কৰি ৰৈছে। নোবেল-কমিটীৰ মত: ইমান কষ্ট সহ্য কৰিও তেওঁ আনৰ কথা কোৱাৰ ক্ষেত্ৰত অসাধাৰণ সাহস দেখুৱাইছে। প্ৰথম ইৰাকী হিচাপে নোবেল পোৱা ২৫ বছৰীয়া নাদিয়াৰ পথটো মুঠেই সহজ নাছিল।

ইৰাকৰ সংখ্যালঘু ইয়াজিদি সম্প্ৰদায়ৰ সদস্য হিংসাবে তেওঁ প্ৰত্যক্ষ কৰিছে পৃথিবীৰ নিৰ্মমতম জংগী-গোষ্ঠী ইছলামিক ষ্টেটৰ বৰ্বৰতা।চিকাৰ হৈছে অবৰ্ণনীয় নিৰ্যাতনৰ।

আই.এছ.ৰ অত্যাচাৰত ভীষণতম অভিজ্ঞতাৰ মাজেৰে সময় অতিবাহিত কৰা এই সাহসী নাৰীগৰাকী একসময়ত উত্তৰ ইৰাকৰ চিঞ্জাৰৰ পাহাৰী অঞ্চলত নিজৰ গাঁৱত শান্তিৰ জীৱন অতিবাহিত কৰিছিল। তথাকথিত ইছলামিক ষ্টেট জেহাদী জংগীসকলে ২০১৪ত যেতিয়া চিৰিয়া আৰু ইৰাকত ত্ৰাসৰ ৰাজত্ব আৰম্ভ কৰে তেতিয়াৰ পৰায়েই তেওঁৰ দুঃস্বপ্নৰ আৰম্ভ হয়।

সেই বছৰৰ আগষ্টৰ এক দুঃস্বপ্নময় দিনত আই.এছ. জেহাদীৰ কলা পতাকা লোৱা এখন গাড়ী নাদিয়াৰ গাঁৱত প্ৰৱেশ কৰে। ইয়াৰ পাছত আই.এছ. জংগীসকলে পুৰুষসকলক হত্যা কৰে, শিশুসকলক জংগী সজোৱাৰ উদ্দেশ্যে বন্দী কৰে, নাৰীসকলক জোৰপূৰ্বক শ্ৰম আৰু যৌন-দাসী হ'বলৈ বাধ্য কৰে। আই.এছ.ৰ এটা পক্ষৰ পৰা আন এটা পক্ষক যৌন দাসী হিচাপে মুৰাদক বিক্ৰী কৰে। ইয়াৰ পাছত চিৰিয়ান, ইৰাকী, টিউনিচিয়ান আৰু ইউৰোপীয় আই.এছ. জংগীয় লালসাৰ চিকাৰ হয় তেওঁ। যন্ত্ৰণাত পাৰ হৈছিল তেওঁৰ প্ৰতিটো মূহূৰ্ত।

তাৰ পাছত নৰেস্বৰত অনেক কষ্ট-সংগ্ৰাম আৰু কৌশল কৰি ওপৰত কোৱাৰ দৰে পলাই আহে। পলাই আহিয়েই তেওঁ ক্ষান্ত হোৱা নাছিল। যোগ দিছিল আই.এছ.ৰ হাতত বন্দী ইয়াজিদি নাৰীৰ মুক্তিৰ সংগ্ৰামত। বাধা হৈ থিয় হৈছিল অত্যাচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে। হৈ পৰিছিল ইয়াজিদিসকলৰ মুক্তিৰ প্ৰতীক স্বৰূপ।

যৌন নিপীড়িত-নিৰ্যাতিত এই নাদিয়া আহি কাম আৰম্ভ কৰে ইয়াজিদি সম্প্ৰদায়সহ যুদ্ধবিধ্বস্ত ইৰাকৰ শৰণাৰ্থীসকলৰ আইনজীৱী হিচাবে। মানৱাধিকাৰ আদায়ৰ এই ভূমিকাৰ বাবে তেওঁক ইউৰোপীয় পাৰ্লামেণ্টত সন্মানজনক পুৰস্কাৰেৰে ভূষিত কৰা হয়। ২০১৫ত তেওঁ জাতিসংঘৰ নিৰাপত্তা পৰিষদৰ সমুখত তুলি ধৰিছিল নিজৰ ভয়ানক অভিজ্ঞতাক।

আই.এছ.ৰ হাতত বন্দী হৈ ৰোৱাৰ সময়ত তেওঁৰ তিনি মাহৰ অভিজ্ঞতা আছিল অত্যধিক ভয়ংকৰ। আই.এছ.এ তেওঁক স্বঘোষিত খিলাফটৰ ৰাজধানী মচুললৈ লৈ যায়। তাত তিনিমাহ ধৰি তেওঁ গণ-ধৰ্ষিত, নিৰ্যাতিত আৰু প্ৰহৃত হয়।

জাতিসংঘত তেওঁ কৈছিল- 'আমাক যেতিয়া বন্দী কৰা হ'ল, তেতিয়া সিহঁতৰ যৌন-নিৰ্যাতনৰ বিষয়ে শুনা কথাবোৰ স্মৰণ কৰি মনে-প্ৰাণে-বিচাৰিছিলো-এনে পাশৱিক চিকাৰ হোৱাৰ আগতে যেন আমাক মাৰি পেলোৱা হয়। কিন্তু সিহঁতে আমাক যৌনদাসী হিচাবে বিক্ৰী কৰি দিলে সিহঁতৰেই আনটি পক্ষৰ ওচৰত। ইয়াৰ পিছত কিয়ে যন্ত্ৰণাৰ মাজেৰে দিন কটাবলগীয়া হৈছে। ভাৱ হৈছিল আমাক মাৰি পেলোৱা নহয়নো কিয়? কিয়নো আমাক এনেকৈ তিল-তিল কৰি নিৰ্যাতন দি থকা হৈছে? সেই বক্তব্যতে নাদিয়াই কৈছিল-'তিনি হেজাৰতকৈয়ো অধিক নাৰী আই.এছ.ৰ তাত যৌন-দাসী হিচাবে বন্দী হৈ আছে। আই.এছ.য়ে এই হতভগীয়াসকলক ইচ্ছামতে ব্যৱহাৰ কৰিছে। ইচ্ছামতে নাৰীসকলক ঠাইত বিক্ৰী কৰিছে। 'জেহাদী জংগীসকলে নাৰী আৰু বন্দীসকলক দাস হিচাপে বিক্ৰী কৰাৰ বাবে ক্ৰীতদাস বজাৰ গঢ়ি তুলিছিল আৰু একেলগে ইয়াজিদি নাৰীৰ ধৰ্ম ত্যাগ কৰাৰ বাবে বাধ্য কৰিছিল।

উল্লেখ্য যে জেহাদীসকলৰ তথাকথিত পৌত্তলিক-ইছলামিক ধ্যান ধাৰণাত ইয়াজিদিসকলক কাফেৰ বুলি গণ্য কৰা হয়। কুৰ্দি ভাষা-ভাষী এই সম্প্ৰদায়টো এটি প্ৰাচীন-ধৰ্মক অনুসৰণ কৰে আৰু একেশ্বৰবাদত বিশ্বাস কৰে যাক সিহঁতে এটি প্ৰতীকী ময়ূৰৰ মাধ্যমত উপস্থাপন কৰি ৰয়। সহিংসতাত হতভম্ব, মুৰাদে পলাবৰ বাবে চেষ্টা আৰম্ভ কৰে আৰু ওপৰত কোৱা সেই মুছলিম পৰিবাৰটিৰ সহায়তাত পলাই আহিবলৈ সক্ষম হয়। সময়ত অন্যান্য বিচ্ছিন্ন ইয়াজিদিৰ স'তে মিলি গৈ ইৰাকী কুৰ্দিস্তানৰ দীৰ্ঘপথ অতিক্ৰম কৰে। ইয়াতেই তেওঁ জানিবলৈ পায় যে,তেওঁৰ মাকৰ স'তে ছয় ভাইকে মাৰি পেলোৱা হৈছে। পাছত ইয়াজিদিসকলৰ মিত্ৰ এটি সংগঠনৰ মাধ্যমত তেওঁ জাৰ্মানীত থকা ভনীয়েকৰ ওচৰলৈ গুচি যায়।

তাৰ পিছৰ পৰাই তেওঁ নিজৰ জীৱন উৎসৰ্গা কৰিছে, তেওঁৰ ভাষাত 'মোৰ জনগণৰ যুদ্ধত'। ইয়াৰ পৰাই তেওঁ, তেওঁৰ স'তে ঘটা অন্যায়ৰ বিৰুদ্ধে সকলোতকৈ সোচ্চাৰ হৈ উঠে। অত্যাচাৰিত গণমানুহৰ প্ৰতিনিধি হিচাপে তেওঁৰ যুদ্ধ আৰম্ভ কৰে। এতিয়াও তেওঁ নিখোঁজ আৰু নিৰ্যাতিত ইয়াজিদিসকলৰ বাবে যুদ্ধ চলাই গৈছে।

ইয়াৰ বাদেও, ধৰ্ষণক যুদ্ধাস্ত্ৰ হিচাবে ব্যৱহাৰৰ বিৰুদ্ধেও তেওঁ কঠোৰ ভূমিকা লৈ থিয় হৈছিল।। যিহৰ কাৰণে তেওঁক নোবেল পুৰস্কাৰেৰে ভূষিত কৰিলে। ২০১৮ৰ ০৫ অক্টোবৰত ওছলোত শান্তিৰ নোবেল বিজয়ী দু'জন নাম ঘোষণা কৰে নৰৱোয়ান কমিটীয়ে-তাৰ এজন আছিল নাদিয়া।

*ফোন ঃ ৮৭৫৩০৮০৩২৭*

# বিলুপ্তিৰ পথত অসমৰ তাহানিৰ খেল-ধেমালিবোৰ

**ঘনশ্যাম দাস**

**সমগ্ৰ** বিশ্বৰ সকলো জাতি-জনগোষ্ঠীৰ লোকৰ মাজত আমোদ প্ৰদায়ক বিভিন্ন ধৰণৰ ক্ৰীড়া অৰ্থাৎ খেল-ধেমালি যুগ যুগ ধৰি প্ৰচলিত হৈ আছে; কিন্তু বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ ক্ৰমবিকাশৰ লগে লগে সমগ্ৰ মানৱৰ ধ্যান-চিন্তা-ধাৰণাই সলনি হ'ল। ফলত ক্ৰীড়া বা খেল-ধেমালিৰ ক্ষেত্ৰত থকা মানুহৰ ধ্যান-ধাৰণাৰো পূৰ্বৰ তুলনাত অধিকাংশ সলনি হ'ল। একোজন ব্যক্তিৰ সুস্থ-সবল আৰু নিৰোগী মন-শৰীৰে একোটা সুস্থ-সবল তথা সমৃদ্ধিশালী জাতি আৰু সমাজ গঢ়ি তুলিব পাৰে। এনে মনোভাৱ এতিয়াৰ নহয়; তাহানিৰে পৰা মানুহে উপলব্ধি কৰি আহিছে। সেয়েহে এক সুস্থ শৰীৰ আৰু মনৰ প্ৰত্যাশা কৰিয়ে অতীততে খেল-ধেমালিৰ প্ৰতি মানুহ আকৰ্ষিত হৈ পৰিছিল। বৰ্তমানৰ দৰে অৱশ্যে অতীতত ক্ৰিকেট, ফুটবল আদি খেলসমূহে মানৱ জীৱনত অধিক প্ৰভাৱ পেলাব পৰা নাছিল; কিন্তু সেই খেলসমূহৰ আদিম ৰূপে সমাজ জীৱনক উৎসাহিত আৰু আনন্দিত কৰিছিল। অতীতত ফুটবল খেলক চীনত 'ছুছু' নামেৰে জনা গৈছিল।

উল্লেখ্য যে আমাৰ ৰাজ্য অসমতো খেল-ধেমালিয়ে তাহানিতে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰিছিল বুলি ক্ৰীড়াবিদ এচামে মতপোষণ কৰে। অৱশ্যে অসমত থলুৱা খেল-ধেমালিসমূহে কোন সময়ৰ পৰা স্থায়ীভাৱে প্ৰতিষ্ঠা লাভ কৰে, সেয়া সঠিককৈ জনা নাযায় যদিও একাংশ সমাজ বিজ্ঞানীৰ মতে ত্ৰয়োদশ শতিকাত ছ্যুকাফাই পাটকাই পৰ্বত অতিক্ৰম কৰি আহি আহোম ৰাজ্য স্থাপন কৰাৰ পাছতেই অসমত নানা ধৰণৰ থলুৱা খেল-ধেমালিৰ সূত্ৰপাত হৈছিল। স্মৰ্তব্য যে বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ ক্ৰমবিকাশ তথা খেল-ধেমালিৰ আধুনিক ৰূপে সমাজ জীৱনক অন্য দিশলৈ আকৰ্ষিত কৰি তুলিলেও বৰ্তমানো অসমৰ বিভিন্ন অঞ্চলত থলুৱা ক্ৰীড়াসমূহ বিলুপ্ত হোৱা নাই যদিও অঞ্চল বিশেষে সিঁচৰতি হৈ থকা কিছুমান থলুৱা খেল-ধেমালি এতিয়াও বিলুপ্ত হোৱাৰ পথত বুলি জনা যায়। অন্যহাতে, আন কিছুমান আমোদজনক জতুৱা ক্ৰীড়া প্ৰায় বিলুপ্ত হৈ পৰিছে। সেয়েহে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে সমগ্ৰ অসম আৰু পূৰ্বাঞ্চলৰ থলুৱা খেল-ধেমালিসমূহ উদ্ধাৰ কৰি পুনৰ মানুহৰ মাজলৈ উলিয়াই অনাৰ বাবে আজিৰ পৰা প্ৰায় ৫০ বছৰ পূৰ্বেই উদ্যোগ লৈছিল যদিও কোনো সফলতা লাভ কৰিব নোৱাৰিলে। যি কি নহওক অসমৰ থলুৱা খেল-ধেমালিবোৰ মূলতঃ আহোম যুগৰ ৰাজপৰিয়ালৰ পৃষ্ঠপোষকতাতেই আৰম্ভ হৈছিল। শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰেই আছিল ইয়াৰ কেন্দ্ৰস্থল। ১৮শ শতিকাত প্ৰথমটো 'এছিয়া ক্ৰীড়া পেভিলিয়ন' ৰংঘৰ ৰাজপৰিয়ালৰ উদ্যোগতেই নিৰ্মাণ হৈছিল। আচলতে ৰংঘৰেই হৈছে অসমৰ ঐতিহ্যমণ্ডিত ক্ৰীড়া ইতিহাসৰ অন্যতম বিৰল নিদৰ্শন। মুঠৰ ওপৰত অসমীয়া জনজীৱনক সমৃদ্ধ কৰা থলুৱা খেল-ধেমালিসমূহৰ বিকাশ হৈছিল মূলতঃ ৰংঘৰক কেন্দ্ৰ কৰিয়ে। অসমৰ জাতীয় জীৱনৰ এৰাব নোৱৰা বিভিন্ন থলুৱা খেল-ধেমালিয়ে মূৰ দাঙি উঠিলেও অসমৰ খেলসমূহক লৈ পুনৰ নতুন চিন্তা-ভাবনাৰ উন্মেষ ঘটিছিল আহোম যুগতহে। কাৰণ আহোম যুগত ক্ৰীড়াৰ উৎকৃষ্ট পৰিৱেশৰ সৃষ্টি হৈছিল; যেতিয়া ১৭৪৭ত ৰূপহী পথাৰত আহল-বহল ৰংঘৰটো নিৰ্মাণ কৰা হৈছিল। সেই ৰংঘৰতে বহি আহোম ৰাজপৰিয়ালৰ সদস্যসকলে বিভিন্ন খেল-ধেমালি হেঁপাহেৰে উপভোগ কৰিছিল। নিয়োগ কৰা হৈছিল অনেক বিষয়া-কৰ্মচাৰীক খেলৰ নিৰীক্ষণৰ কাৰণে। উল্লেখ্য যে খেলসমূহৰ ভিতৰত হাতী যুঁজ, ম'হ যুঁজ, কাঁড় খেল, তৰোৱাল খেল, লাঠী খেল, ঘোঁৰা দৌৰ, মালযুঁজ, নাও খেল আদি উল্লেখযোগ্য। সম্প্ৰতি সেই ক্ৰীড়াসমূহৰ ঘোঁৰা দৌৰক ইকুৰেষ্ট্ৰিয়ান, তৰোৱাল খেলক ফেন্সিং আৰু কাঁড় খেলক আৰ্চাৰীৰ আদি ৰূপ স্বৰূপে গণ্য কৰা হৈছে। ৰাজপৰিয়ালৰ সদস্যসকলৰ আমোদ-প্ৰমোদৰ কাৰণে উপৰি উক্ত খেলসমূহৰ প্ৰশিক্ষণৰ বাবে প্ৰশিক্ষকো নিয়োগ কৰা হৈছিল। আনকি শ্ৰেষ্ঠত্ব অৰ্জন কৰাজনক ৰজাঘৰৰ পৰা বঁটা আৰু চাকৰি দিয়াও হৈছিল। এনেদৰে আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত অসমৰ ক্ৰীড়াৰ প্ৰকৃত বুনিয়াদ গঢ় লৈ উঠিছিল। তদুপৰি আহোম যুগত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্ব কালত খেল-ধেমালিয়ে সৰ্বশ্ৰেষ্ঠ স্থানলৈ আৰোহণ কৰিছিল। তেওঁ বিভিন্ন স্থানত ডাঙৰ ডাঙৰ পুখুৰী খান্দি সাঁতোৰাৰ ব্যৱস্থা কৰিছিল। পূৰ্বতে এয়া হৈ উঠা নাছিল। পৰৱৰ্তী সময়ত তেওঁ প্ৰথম নদীসমূহত আৰম্ভ কৰিছিল নাওখেল। যি নাওখেল বৰপেটাৰ বিভিন্ন নৈ, জান আদিত অনুষ্ঠিত হৈছিল। লগতে পাছলৈ অসমৰ আন আন অঞ্চলৰ নৈ-নদৰ বুকুত সেই নাওখেলৰ প্ৰচলন হৈছিল। এয়া খেল ৰাইজৰ অতি প্ৰিয় খেল হৈ পৰিছিল। ফলস্বৰূপে বৰ্ষাকালৰ বিভিন্ন উৎসৱ-পাৰ্বণৰ সাংস্কৃতিক অনুষ্ঠানত নাওখেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাটো নিয়মত পৰিণত হৈছিল। এইবিধ জনপ্ৰিয় হেঁপাহৰ খেল উপভোগ্যৰ কাৰণে নৈ-নদৰ পাৰত লোকে লোকাৰণ্য হৈ পৰিছিল; কিন্তু অতি পৰিতাপৰ কথা যে এই খেল এতিয়া সম্পূৰ্ণ বিলুপ্তিৰ পথত। যি কি নহওক, আহোম যুগৰ যৱনিকা পৰাৰ পাছতো বুঢ়া লুইতৰ দুয়োপাৰে নানা ধৰণৰ খেল-ধেমালি জনজীৱনৰ মাজত প্ৰচলিত আছিল। এনে খেল-ধেমালিসমূহৰ ভিতৰত টাংগুটি, কড়ি খেল, হাউখেল, লুকা-ভাকু, কণী যুঁজ, ঘিলাখেল, ঢোপখেল, হাউগুদুখেল। এইবিধ খেলক সাম্প্ৰতিক সময়ৰ কাবাদি খেলৰ আদি ৰূপ বুলি গণ্য কৰিব পাৰি। এই খেল-ধেমালিসমূহ সাধাৰণতে পথাৰত গৰু চৰাবলৈ যাওঁতে গৰখীয়াসকলে সময় অতিবাহিত কৰিবলৈ খেলিছিল। এনেদৰে অসমৰ বিভিন্ন অঞ্চলত অঞ্চলভেদে নানা ধৰণৰ খেল-ধেমালি বিদ্যমান; কিন্তু ইয়াৰ ভিতৰত অধিকাংশ খেল কালৰ কুটিল প্ৰবাহত হেৰাই গৈ আছে। তাহানিৰ



দান্তি-গুটি কধৰা টানা, ধৰা হাউ, তিনঠেঙীয়া খেলা, পানীৰ খেলৰ ভিতৰত— থিয় সাঁতোৰ, কাছ সাঁতোৰ, চিলনী সাঁতোৰ আদি তদুপৰি আনকে হৈ বিধমান আমোদজনক খেল হাউলি খেল, চিকিমিকি খেল, ওকুলি-মুকলি খেল, কোমোৰা খেল, তেলটোপী খেল, কলহ ভঙা খেল আদি আমাৰ সমাজ জীৱনৰ পৰা সম্পূৰ্ণৰূপে নিঃশেষ হৈ পৰিছে। এনেবোৰ লুপ্তপ্ৰায় থলুৱা খেল-ধেমালিসমূহেই প্ৰকৃতাৰ্থত অসমৰ গৌৰৱোজ্জ্বল অতীতৰ কথাকে সোঁৰৰায়।

কিন্তু এনেবোৰ লুপ্তপ্ৰায় হৈ পৰা ক্ৰীড়াসমূহক মানুহৰ জীৱন-জীৱিকাৰ ক্ষেত্ৰলৈ পুনৰ উভতাই অনাৰ বাবে কোনো পন্থা হাতত লোৱা নাই চৰকাৰ বা কোনো সংগঠনেই। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ বা ক্ৰীড়া প্ৰাধিকৰণৰ কৰিবলগীয়া দায়িত্ব আছে যদিও সকলোৰে নীৰৱ। উল্লেখ্য যে স্বাস্থ্য ৰক্ষাৰ বাবে শৰীৰ চৰ্চা হৈছে উত্তম উপায় আৰু ইয়াৰ উপযুক্ত মাধ্যম হৈছে বিভিন্ন ধৰণৰ খেল-ধেমালি। খেল-ধেমালিয়ে মানুহক পৰম সুখ-আনন্দ দান কৰি শৰীৰ-মন সুস্থ-সবল আৰু নিৰোগী কৰি তোলে। গতিকে অসমৰ এনে পুৰণি খেল-ধেমালিসমূহক উঠি অহা নৱ-প্ৰজন্ম চামৰ সন্মুখত দাঙি ধৰিবলৈ 'গেমছত' এনে খেল দেখুৱাবৰ বাবে স্থানীয় সংগঠনসমূহে আৰু চৰকাৰৰ বিভাগীয় ক্ৰীড়া মন্ত্ৰণালয়ে সুব্যৱস্থা গ্ৰহণত মনোনিৱেশ কৰিব লাগে। কেৱল ক্ৰীড়া দিৱস উদ্‌যাপন কৰি থাকিলে সমস্যাৰ সমাধান নহয়, বস্তুতঃ কাৰ্যক্ষেত্ৰত ইয়াক প্ৰয়োগ কৰা উচিত। অন্যথা আমাৰ প্ৰাচীন জনপ্ৰিয় আৰু হেঁপাহৰ খেল-ধেমালিসমূহক পুনৰ নৱ প্ৰজন্মৰ বাবে কেতিয়াও উদ্ধাৰ কৰিব পৰা নাযাব।

ফোন ঃ ৯৯৫৪৮২৭৭৯৪

**জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ**

# উপন্যাসত প্ৰকাশিত ইতিহাসৰ গুপ্তকথা

## পাণবাৰীৰ ৰেলবগৰোৱাৰ পৰা চাৰিঙৰ চোৰাংচোৰা হত্যালৈকে সামৰি 'অনিৰুদ্ধ পখী' হৈ উৰিল মুক্তিযোদ্ধা

# মহেশ্বৰ চুতীয়া-ৰূপৰাম সূত

**দ° দেৱব্ৰত শৰ্মা**

**সুলেখিকা** অপৰাজিতা বৰুৱাই লিখি উলিওৱা **'অনিৰুদ্ধ পখী'** নামৰ সুখপাঠ্য উপন্যাসখনত বিষয়বস্তু কাল্পনিক নহয়; ঐতিহাসিক। স্বাধীনতা আন্দোলনৰ ই এক ধৰণৰ ইতিহাসো, সেয়ে ইয়াৰ বিষয়বস্তু যিমান ব্যক্তিগত, সিমান সামাজিকো। লেখিকাৰ পিতৃ, মুক্তিযোদ্ধা, প্ৰসিদ্ধ সাংবাদিক মহেশ্বৰ চুতীয়া ইয়াৰ নায়ক উপন্যাসখন আৰম্ভ হৈছে মহেশ্বৰ চুতীয়াৰ ওপৰত পুলিচৰ নিগ্ৰহৰ বৰ্ণনাৰে ঃ

"ধৰ তাক ধৰ, চালা, ইয়াক স্বাধীনতা লাগে, স্বৰাজ লাগে হুঁঃ, ব'ল তহঁতক আজি স্বৰাজৰ ভাত খুৱামগৈ বাপ্লেকে।'

তিনিটা পুলিচৰ মানুহ গপ্‌গপাই মহেশহঁতৰ ঘৰৰ ভিতৰলৈ সোমাই গৈ তাৰ চুলি কোঁচাত ধৰি চোঁচৰাই আনি বাহিৰ পোৱালেহি। শয্যাগত দেউতাকে কোনো ৰকমে বিছনাৰ পৰা উঠি দাঁতিতে থিয় দি থৰ লাগিল। বৰঘৰত কান্দোনৰ ৰোল উঠিল। মাকে ল'ৰাটো এৰি দিবলৈ পুলিচ কেইটাৰ হাতে ভৰিয়ে ধৰাৰ দৰে কাবৌ কোঁকালি কৰিলে।- 'মৰো মৰো হৈ থকা বাপেকটোৰ মুখলৈকে চাই তাক এৰি দিয়ক ঐ দৌতাটিহঁত।'

'ককাইদেউক ধৰি নিনিব, নিনিব-এৰি দিয়ক তাক এৰি দিয়ক'- বুলি ৰাউচি জুৰিলে মহেশৰ পাট গাভৰু ভনীয়েক আইদেৱে।

ৰাতি দোভাগ হৈছিল। গাঁৱৰ ঘৰবোৰৰ কেৱল ৰুগীয়া আৰু বৃদ্ধ মানুহৰ বাহিৰে প্ৰায় আটাইবোৰ মানুহেই ছোৱালীঘৰীয়া বিয়াখনত; দৰা আদৰিবৰ হৈছে। বাটমুখীয়া ঘৰখনৰ হায়ে-বিয়ে শুনি এটি দুটিকৈ আহি মহেশহঁতৰ চোতালখন মানুহেৰে ভৰি পৰিল। ইতিমধ্যে মহেশক পুলিচ কেইটাই গতিয়াই-লঠিয়াই টানি আনি চোতালৰ মাজ পোৱালেহি। সিহঁতৰ মাজৰে এটা পুলিচে গোহালিটোত বান্ধি থোৱা গৰু এটাৰ পঘাডাল খুলি লৈ মহেশক গৰু বন্ধাদি বান্ধি পেলালে। তাৰ গাৰ পৰা পিন্ধি থকা বনিয়নটো টান মাৰি একে আজোঁৰে ফালি পেলালে। তেনে অৱস্থাৰেই তাক সাঙুৰি লৈ ঘৰৰ পৰা মটৰ চলা ঘাই আলিটোলৈ প্ৰায় এমাইল বাট বেতেৰে কোবাই, চৰিয়াই, গুৰিয়াই নিওঁতে কুৰি বছৰীয়া মহেশ লবেজান হৈ পৰিছিল।"

অসমৰ স্বাধীনতা আন্দোলনত যে অহিংসাৰ সমান্তৰাল ভাৱে সশস্ত্ৰ ধাৰাত বৈ আছিল তাৰ স্বাক্ষৰ এয়া ঃ

"মহেশহঁতৰ মৃত্যু বাহিনীৰ সেনানীয়ে চাৰিঙৰ পৰা দহ-বাৰ নিলগৰ নাজিৰা নামতি আলিৰ ফালৰ বাঁহ গড়ৰ টেলিফোন-টেলিগ্ৰাফ লাইন ধ্বংস কৰা, লাকুৱা শিমলুগুৰিৰ ৰেল লাইনৰ এছোৱা উঠোৱা আদি কাম কৰাৰ গোপন আঁচনি তৈয়াৰ কৰিছিল। শিৱসাগৰ-যোৰহাট পথৰ মাছখোৱা গড়ৰ ওপৰত থকা মিটিং ফুলপানী ছিগা পুল আৰু জাঁজী নৈৰ ওপৰত থকা লোহাৰ দলংখন ভাঙিবলৈ মৃত্যু বাহিনী সঙ্কল্পবদ্ধ হৈছিল। এই আঁচনি মতেই ফুলপানী ছিগা পুলৰ একাংশ ডিনামাইটোৰে উৰুৱাই পেলাইছিল আৰু গড়মূৰত থকা চৰকাৰী ডাক বঙলাটো জুই দি পুৰি পেলাইছিল। মহেশহঁতৰ মৃত্যু বাহিনীৰ দলটোৱে পুলিচৰ অগোচৰে দুৰ্গম অৰণ্যৰ মাজত বোমা-পিষ্টল আদি তৈয়াৰ কৰাৰ প্ৰশিক্ষণ লোৱাৰ লগতে সেইবোৰৰ গুণাগুণো পৰীক্ষা কৰিবলৈ সমৰ্থ হৈছিল। এবাৰ এনেদৰে কৰা পৰীক্ষা এটাত সিহঁতে এজোপা বিৰাট বড়গছ হাফলু এটাৰে সৈতে বগৰাই পেলাব পাৰি ৰোমাঞ্চিত হৈ পৰিছিল।

এই কথাবোৰ কিন্তু মহেশহঁতে ভবাৰ দৰে গোপনীয় হৈ নাথাকিল। ইংৰাজ চোৰাংচোৱাই ইয়াৰ সম্ভেদ যথাযথ ভাৱে পাইছিল, আৰু সন্দেহ কৰা ল'ৰা কেইটাৰ ওপৰত কাঢ়া নজৰ ৰাখিছিল। মহেশো ইয়াৰ অন্তৰ্গত আছিল। চোৰাংচোৰা বিভাগৰ উচ্চবৰ্গৰ বিষয়া এজনক হত্যা কৰাৰ ষড়যন্ত্ৰৰ ঘটনাই সেইসময়ত চাৰিঙত ইংৰাজৰ ভেৰোণীয়া পুলিচে অনুসন্ধানৰ নামত তল-ওপৰ লগাইছিল। এই চক্ৰান্তৰ আঁৰত যে সিহঁতে সন্দেহ কৰা ল'ৰা কেইটাই হ'ব, সেই কথা পুলিচে দৃঢ়তাৰে ধৰি লৈছিল। আৰু উক্ত অপৰাধৰ অপৰাধী হিচাপেই মহেশক সেই দুৰ্য্যোগৰ নিশাটোত পুলিচে গ্ৰেপ্তাৰ কৰিলে। একেই অপৰাধতে সেই নিশা গ্ৰেপ্তাৰ কৰা প্ৰায় আটাইকেইটায়ে মৃত্যু বাহিনীৰ সদস্য আছিল। আদালতত দিয়া জবানবন্দীত সিহঁত কেইটাই এনে কাৰ্য্য কৰাৰ কথা অস্বীকাৰ কৰি কয় ঃ

"আমি মৃত্যু বাহিনীৰ সদস্য হ'ব পাৰো, কিন্তু পুলিচ বিভাগ বা আন চৰকাৰী কৰ্মচাৰীক ব্যক্তিগত ভাৱে আক্ৰমণ কৰাৰ দৰে হীন মানসিকতা আমাৰ নাই, আৰু যদি এনে ধৰণৰ মনোবৃত্তি আমাৰ সচাঁকৈয়ে থাকিলেই হয়, তেন্তে আজি পৰ্য্যন্ত ইয়াত তেজৰ ঢল নামিল হেঁতেন, আৰু সেই ঢলত আপোনালোকে সাঁতুৰি নাদুৰি থাকিব লগা হ'ল হয়।"

কিন্তু কি ধাৰাত পৰিছিল মহেশ্বৰ? ককায়েকৰ ভাষাৰে ঃ

"বাপক জেল খোৱাৰ পৰা বচোৱাৰ উপায় নাই যেন লাগিছে। চৰকাৰী চোৰাংচোৰা বিভাগৰ ওপৰৱালা জনক হত্যা কৰাৰ অভিযোগত সি বৰ বেয়া ধাৰাত পৰিল দেউতা, [illegible] আৰ[illegible] ধাৰা, য'ত ৰেহাই পোৱাৰ কোনো আশাই নাই। কাছাৰীলৈ গৈয়ো একো লাভ নহ'ল।"

পুলিচৰ অমানুষিক অত্যাচাৰ, ফাটেকৰ যন্ত্ৰণাৰ পৰা অলপ ৰেহাই পায়েই মহেশে লিডুত মাৰ্কিন কোম্পানিত কাম কৰি কিছু





টকা ঘটিছে। সেইখিনি হাতত পৰাৰ লগে তেওঁ কলৈ গৈছে চাওঁক ঃ

"আমেৰিকান সৈনিকৰ পৰা পোৱা টকা গাল ঘৰত সুমুৱাই ঘৰখন অহুচি নকৰোঁগে; তাতকৈ মই ৰান্ধৰ্লৈ গৈ মহাত্মা গান্ধীক এবাৰ সোঁ-শৰীৰে দৰ্শন কৰি মনৰ ইচ্ছা পূৰণ নকৰোনো কিয়.... ?"

নামনিমুৱা ৰেলখনত আটাইকেইটা ল'ৰা উঠি ঘৰমুখী হ'ল। মহেশহঁত নামিবলগীয়া আমগুৰি ষ্টেচন পাওঁতেই সি লগৰ কেইটাক ক'লে ঃ

"তহঁত কেইটা নামি ঘৰলৈ যাগৈ। আমাৰ ঘৰত সোমাই কৈ থৈ যাবি, মই ৰান্ধৰ্লৈ গৈ আছো বুলি; ৰান্ধা পাই মই জনামগৈ বুলিও কৰিবগৈ দেই...।' শেষ মুহূৰ্তত কোৱা মহেশৰ কথাকেইষাৰ শুনি সিহঁত দুটাই তাৰ মুখলৈ ভেবা লাগি চাই ৰ'ল। তাৰ বাহিৰেতো উপায়ো নাই, মহেশক কিবা কৈ জানো লাভ আছে, সি সিদ্ধান্ত ল'লেই যেতিয়া তাক বাৰণ কৰিবলৈ কাৰ সাধ্য... !"

ৱাৰ্ধাত গান্ধীৰ সংস্পৰ্শ লৈ আহি বিদ্যুৎতাড়িত হৈছে মহেশ। কিন্তু হেনসময়তে গান্ধীক হিন্দুত্ববাদীয়ে হত্যাৰ চেষ্টা চলাইছে ঃ

"পাকিস্তান বিৰোধী মৰ্চ্চাৰ স্বেচ্ছাসেৱক সকলে ৱাৰ্দ্ধাত গান্ধীজীৰ এই যাত্ৰাত বাধা প্ৰদান কৰিছিল। পিছে পুলিচে প্ৰতিবাদী দলটোক গ্ৰেপ্তাৰ কৰি তালাচী ল'লে। এনে কৰোঁতে, এজনৰ গাত লোৱা কাপোৰখনৰ তলৰ পৰা প্ৰায় সাত ইঞ্চিমান দীঘল চোকা অস্ত্ৰ এপাট ধৰা পৰে...।'

'ভগৱানৰ কৃপাত কোনো অথন্তৰ নঘটিল বুইছা, সেই মানুহটোৰ নাম এ. জি. থাট্টে.... উগ্ৰ হিন্দুবাদী...।"

কেৱল গাঁৱে গাঁৱে নহয়, আদিবাসী চাহশ্ৰমিকৰ বাগিচাই-বস্তিয়ে বিপ্লৱৰ বহি জ্বলাইছিল মহেশে ঃ

"ইতিমধ্যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভালেমান চাহ বাগিছাৰ চাহ শ্ৰমিকে বিদ্ৰোহৰ সূচনা কৰিছিলেই। তেওঁলোকে আগৰে পৰা বৃটিছ বিৰোধী অসহযোগ আন্দোলনত গোপন ভাৱে সহযোগ কৰি আহিছিল। মালিক পক্ষৰ শোষণ আৰু প্ৰৱঞ্চনাত অতীষ্ঠ হৈ চাহ বনুৱা সকলে এতিয়া দেখ দেখকৈ আন্দোলনত জপিয়াই পৰিবলৈ কুণ্ঠা বোধ নকৰা হ'ল। বনুৱা সকলৰ মাজত জন চেতনা জগাই তুলিবলৈ মহেশক যেন উপযুক্ত সময়টোতেই জয়পুৰ বাগিছাই হাত বাউল দি মাতি আনিছে।

সি বনুৱাৰ লাইনে লাইনে নিশা টলৌ টলৌকৈ ঘূৰি ফুৰি মজদুৰ ইউনিয়ন গঠনৰ কামত লাগি গ'ল, যিটো কথা সেই সময়ৰ বাগিছাবোৰত কঠোৰভাৱে নিষিদ্ধ আছিল। দোভাগ ৰাতি দুৰ্গম অঞ্চলবোৰত ঢিমিক্ ঢামাক্ চাকিৰ পোহৰত শ্ৰমিক সংগঠন গঢ়াৰ কামত ঘূৰোতে ল'ৰাটো জোকে-পোকে, মহে-ডাঁহে খাই তেনেই আধ্যা পেলায়।"

হেনসময়তে নাথুৰাম গদচে'ৰ গুলিত ধৰাশায়ী হৈছিল গান্ধী ঃ

"বাপুজী আৰু এই পৃথিৱীত নাই... উগ্ৰ হিন্দুবাদী আততায়ীৰ হাতত বিশ্বক চমক লগোৱা মহান আত্মাৰ মানুহজনৰ অবিশ্বাস্য নিধন ঘটিল।' ভাৰতবাসীৰ সকলো সপোন যেন থান বান হৈ গ'ল; অস্ফুট মাতেৰে মহেশে কৈ পেলালে....।

'ভাৰতবাসী আজি মাউৰা হ'ল....।"

পৰৱৰ্তী কালত সাংবাদিকতাই গুৱাহাটীলৈ টানি নিয়া মহেশ জড়িত হৈছিল দৈনিক অসমীয়া, নতুন অসমীয়াৰ লগত। হৈ পৰিছিল সমাজবাদী দলৰ কৰ্মী; সংস্পৰ্শলৈ আহিছিল দ[illegible] বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ জ্ঞানপীঠ বিজয়ী 'মৃত্যু হয়'ত বৰ্ণিত ৰে'ল বগৰোৱাৰ লগত জড়িত ৰূপৰাম সূতৰ; সূতৰ পৰা শুনিছিল ঃ

"সেই সময়ত দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাই ভাৰতৰ জনগণকো চুই গৈছিল। বৃটিছ সিংহ সম্পূৰ্ণ ৰণছালি বেশত। ইফালে ভাৰতৰ প্ৰায়বোৰ ঠাইতে বৃটিছ খেদা আন্দোলন তীব্ৰতৰ হৈ উঠিছে। সৈন্য বাহিনী কঢ়িওৱাৰ লগতে সিহঁতৰ ৰছদ-পাতি অপৰ্য্যাপ্ত ভাৱে সষ্টম কৰি ৰখাৰ উদ্দেশ্যেই ৰেলগাড়ী বোৰ সামগ্ৰী সৰবাহ কৰা কামত ব্যৱহাৰ কৰা হৈছিল। এনে একোখন ৰেল ধ্বংস কৰিব পাৰিলে স্বাভাৱিকতে বৃটিছ ৰাজৰ ধনবল আৰু জনবল দুয়োটাতে নিশ্চয়কৈ ক্ষতি হ'ব। এই ভাবলৈ, আলোচনা পৰ্য্যালোচনাৰে আঁচনিখন তৈয়াৰ কৰিছিল নগঞা বিদ্ৰোহী গোট এটাৰ এঘাৰজন সদস্য সন্মিলিত হৈ। মায়ং অঞ্চলৰ চল্লিশোৰ্ধৰ মহদা গোঁসাই, পাহুৱাল ডেকা লয়ৰাম, ভোগৰাম, দধি আৰু মধু, কামপুৰ অঞ্চলৰ সাহসী ডেকা ভিভিৰাম, মাণিক আৰু ধনপুৰ, কপাহেৰা অঞ্চলৰ খামী ডাঠ ডেকা বেনুধৰ, কামেশ্বৰ আৰু ৰূপৰাম। সেই দিনা যেন এই এঘাৰটা মানুহৰ গাত 'কৰিম নহ'লে মৰিম' মন্ত্ৰ শক্তিৰে দেওধ্বনি উঠিছিল--কেঁচাইখাঁতী গোঁসানী লম্ভিছিল..।

আঘোন মাহৰ সেঙেতা লগা জাৰতো মানুহ কেইটা জেঠৰ খৰত ঘমা দি ঘামিছিল। কেনে নিৰ্ভুল সমীকৰণ, কি সুপৰিকল্পিত আঁচনি। গুৱাহাটীৰ পৰা উজনিমুৱা সেনা পৰিবহণ কৰা ৰেল গাড়ীখন অতৰ্কিত ভয়ানক শব্দ কৰি পাহাৰৰ পৰা তলৰ খাৱৈটোলৈ হুৰুযাই খহি পৰিল... ডবা বোৰৰ ভিতৰে বাহিৰে চিৎকাৰ, প্ৰাণৰ মমতাত কাতৰ হৈ ওলোৱা আৰ্তনাদ...।

এটা এটাকৈ ডবাবোৰ জলিবলৈ আৰম্ভ কৰিলে, লগে লগে কাণ তাল মৰা বিস্ফোৰণ; প্ৰাণ ৰক্ষাৰ যুঁজত সৈন্যবোৰ ছেদেলি ভেদেলি হৈ পৰিল। বতাহত মিহলি হৈ পৰিল নৰ মাংস দহনৰ অকটা গোন্ধ। এটা বীভৎস নাৰকীয় দৃশ্য। ডবাবোৰ পৰি পৰি শেষ হোৱাৰ পাছতো ইঞ্জিনটো সম্পূৰ্ণ সক্ৰিয় হৈ আছিল। গোটেই অঞ্চলটোৰ উই চিৰিঙা এটাও সাৰি যাব নোৱাৰাকৈ তেতিয়াও ইঞ্জিনটোৰ হেড্ লাইটে পোহৰ দি আছিল।

ৰূপৰামহঁতৰ দলটোৱে ৰেল লাইনৰ ফিচ্‌প্লেট, বল্টু খুলি দুটা চিৰিৰ মাজত প্ৰায় চাৰি ইঞ্চিমানকৈ ফাঁক ৰাখি কৰা কামটো মহদা গোঁসাইৰ আশ্ৰমত যুগুত কৰা আঁচনি মতেই চুলি ডাল মানো হেৰফেৰ নোহোৱাকৈ কৰাৰ বাবেই অৱশেষত এই অভিযান সফল হৈ উঠিল।

'বুইছে শইকীয়া, এজনী সাধাৰণ অশিক্ষিতা হোজা গাৱঁৰো তিৰোতা, ডিমিৰ কথা কৈছোঁ— কি অসাধাৰণ ভূমিকা আছিল তাইৰ.... ভাবিলে আচৰিত লাগে; তাইতো সেইদিনা আমাৰ কেইটাক চিনি পোৱা বুলি থানাত কোৱা হ'লেই আমাৰ ফালে কথা বিষম হয়! এটা এটাকৈ এঘাৰটাকে নি ফাঁচী কাঠত তুলিলেহেঁতেন! বিৰল তাইৰ দেশপ্ৰেম....।" আৰু শুনিছিল নগঞা ডেকাহঁতে বৃতিচৰ সাতটা চিপাহি মাৰি সাতটা বন্দুক সংগ্ৰহ কৰাৰ কথা; যি কথা হয়তো ইতিহাসতো নাই ঃ

"এই যে অলপ আগতে আপুনি আমাৰ খেৰৰ মেজিৰ কথা কৈছিল—খেৰৰ মেজি ডাঙৰ হোৱাত আমাৰ উপকাৰো হৈছে। শুনক, সেইবাৰ ককাইহঁতৰ কৰ্মী গোটটোৱে সাতটা চিপাহী মাৰি সাতযোৰা মিলিটেৰী পোছাক, সাতটা ৰাইফল সংগ্ৰহ কৰিছিল। আপুনি আচৰিত হ'ব—সেই সাহসী বিপ্লৱী সকলৰ আঁচনি পৰিকল্পনাৰ কথা শুনি—। তেওঁলোকে ঠিক কৰিছিল যে এই ইউনিফৰ্মৰ সাজবোৰ পিন্ধি ইংৰাজ চিপাহী বোৰৰ মাজত সোমাই লৈ একাকাৰ হৈ পৰিলে কোনেও চিনিব নোৱাৰিব আৰু শত্ৰুপক্ষ হননৰ এটা সুন্দৰ সুযোগ মিলিব.....।"

ইয়াৰ পাচৰখিনি একান্ত ব্যক্তিগত। ৰূপৰাম সূতৰ ভতিজী সূত সম্প্ৰদায়ৰ হেমীৰ লগত, চুতীয়া সম্প্ৰদায়ৰ সহেশেৰ প্ৰেম-পৰিণয়, জাত-পাত ভাঙি নতুন সংসাৰ নতুন সমাজ পতাৰ স্বপ্ন বিজড়িত।

লেখিকাই ব্যক্তিগত সান্নিধ্য চেৰাই উপন্যাসৰ আংগিক অক্ষুণ্ণ ৰাখি স্বাধীনতাৰ গাঁথা বিশ্বস্তভাৱে বৰ্ণনা কৰিব পাৰিছে। পকা বিহু, বাটমুখীয়া ৰিথা-দগৰা উৰন্তেকীয়া, পোতনি ঠেকেচা, চুঙাচাকি, ডাকপখিলী, হাতবাগী, আমোলাযশী দলনি-দোপনি, তীখাল, কপালকুণ্ডলা, আগডেৢীয়া আদি শব্দ ব্যৱহাৰ কৰি **অসমীয়া জাতীয় অভিধানকো** সহায় কৰিছে। উৰি থাকক তেখেতৰ অনিৰুদ্ধ পখী, নীলাআকাশত সগৌৰৱে!

*লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক;*
*ফোন ঃ ৯৪৩৫৩৫১২৫৫*

# টাটা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ সন্মান

## ভাৰতীয় বজাৰত টাটাৰ নতুন ‘কাজিৰঙা’ গাড়ী



অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক সন্মান জনাই টাটা মটৰ্ছে শেহতীয়াকৈ বজাৰত মুকলি কৰিছে একাধিক নতুন এছইউভি সংস্কৰণ। টাটা পাঞ্চ, টাটা নেক্সন, টাটা হেৰিয়াৰ আৰু কোম্পানীটোৰ ফ্লেগশ্বিপ এছইউভি মডেল টাটা ছাফাৰীৰ কাজিৰঙা বিশেষ সংস্কৰণ মুকলি কৰা হৈছে। এই জনপ্ৰিয় মডেলসমূহৰ শীৰ্ষ ভেৰিয়েন্টসমূহৰ নামকৰণ কৰা হৈছে কাজিৰঙাৰ নামত । এই গাড়ীসমূহৰ ভিতৰত থকা ডেশ্বব'ৰ্ডকে ধৰি একাধিক স্থানত বেইজ ৰং ব্যৱহাৰ কৰা হৈছে আৰু সকলো গাড়ীৰ সন্মুখৰ ফেণ্ডাৰত একোটাকৈ ৰাইনো বেজ আছে।

টাটা পাঞ্চ কাজিৰঙা সংস্কৰণৰ মূল্য হৈছে ৮.৫৮ লাখ টকাৰ পৰা ৯.৪৮ লাখ টকা। ইয়াত অন্তৰ্ভুক্ত আছে বেইজ চামৰাৰ আনুষংগিক সামগ্ৰী, পিয়ানো ব্লেক ডোৰ, বেইজ ডেশ্বব'ৰ্ড, গ্ৰেনাইট ব্লেক ৰুফ টেইল, পিয়ানো ব্লেক ফ্ৰন্ট গ্ৰিল আৰু ক'লা ৰঙৰ ১৬ ইঞ্চিৰ এলয় হুইল। আনহাতে, টাটা নেক্সন কাজিৰঙা সংস্কৰণৰ গাড়ীখনত একে ধৰণৰ কেতবোৰ পৰিৱৰ্তন দেখিবলৈ পাব। বাহনখনত সহ-চালকৰ বাবে ভেণ্টিলেচন চিট আৰু ইলেক্ট্ৰনিক আইআৰভিএম উপলব্ধ হ'ব। টাটা নেক্সনৰ এক্সজেড আৰু এক্সজেডএ্ৰ ভেৰিয়েন্ট দুখনৰ কাজিৰঙা সংস্কৰণ উপলব্ধ হ'ব। ইয়াৰ মূল্য ১২১ পৰা ১৩ লাখ টকাৰ ভিতৰত। একেদৰে, টাটা হেৰিয়াৰ কাজিৰঙা সংস্কৰণত আগৰ সকলো আপডেটৰ স'তে ১৭ ইঞ্চিৰ ক'লা এলয় হুইল ব্যৱহাৰ কৰা হৈছে। টাটা হেৰিয়াৰৰ এক্সজেড + আৰু এক্সজেড এ+ ভেৰিয়েন্ট দুখন কাজিৰঙা সংস্কৰণত উপলব্ধ হ'ব। হেৰিয়াৰৰ কাজিৰঙা সংস্কৰণৰ মূল্য ২০.৪০ লাখ টকাৰ পৰা ২১.৭০ লাখ টকাৰ ভিতৰত। ইফালে কোম্পানীটোৰ ফ্লেগশ্বিপ যাত্ৰীবাহী গাড়ী টাটা ছাফৰীৰো কাজিৰঙা সংস্কৰণ মুকলি কৰা হৈছে । টাটা ছাফাৰীৰ কাজিৰঙা সংস্কৰণ উপলব্ধ হ'ব ২০.৯৯ লাখ টকাৰ পৰা ২২.৩৯ লাখ টকাত।

## মাত্ৰ ৫০ হেজাৰ টকাতে কৰক অনলাইন বুকিং



## ভাৰতত মুকলি হ'ব বিএমডব্লিউৰ নতুন গাড়ী এক্স ৪ এছইউভি ফেচলিফ্‌ট

**জনপ্ৰিয়** বিলাসী গাড়ী নিৰ্মাতা কোম্পানী বিএমডব্লিউয়ে অতি সোনকালেই ভাৰতত ইয়াৰ এখন নতুন এছইউভি মডেল মুকলি কৰিবলৈ সাজু হৈছে। ভাৰতত ইতিমধ্যে বিএমডব্লিউ কোম্পানীৰ এই নতুন গাড়ী এক্স ৪ এছইউভি ফেচলিফ্‌টৰ বুকিঙো আৰম্ভ কৰা হৈছে। ব্লেক শ্বেডো এডিশ্যন যুক্ত এই স্প'ৰ্টছ কাৰৰ কে'বাখনো সীমিত সংস্কৰণ মুকলি কৰাৰ যো-জা চলাইছে কোম্পানীটোৱে। মাত্ৰ ৫০ হেজাৰ টকা দিয়েই আগ্ৰহী গ্ৰাহকে এই গাড়ীৰ অনলাইন বুকিং কৰিব পাৰিব।

এক্স ৪ এছইউভি ফেচলিফ্‌ট গাড়ীখনৰ ভিতৰভাগত এটা নতুন ডেশ্বব'ৰ্ড আছে। লগতে আছে ১০.২৫ ইঞ্চিৰ সম্পূৰ্ণ ডিজিটেল ইনষ্ট্ৰুমেণ্ট কনচোল, ১২.৩ ইঞ্চিৰ টাচস্ক্ৰীণ ইনফোটেইনমেণ্ট ছিষ্টেম। থ্ৰি-জ'ন ক্লাইমেট কনট্ৰোল ছিষ্টেম, ইলেকট্ৰিক পাৰ্কিং ব্ৰেক, ইঞ্জিন ষ্টাৰ্ট আপ বুটাম, চেণ্টাৰ কনচোল আৰু আধুনিক গিয়াৰ প্ৰণালীও আছে ইয়াত। ইফালে, এক্স ৪ এছইউভি ফেচলিফ্‌টত দুই প্ৰকাৰৰ ইঞ্জিন আছে। বিএমডব্লিউ এক্স ৪ এছইউভি ফেচলিফ্‌ট ৩০ আইত ২.০ লিটাৰৰ পেট্ৰ'ল ইঞ্জিন আছে আৰু বিএমডব্লিউ এক্স ৪ এছইউভি ফেচলিফ্‌ট ৩০ ডিত ৩.০ লিটাৰ ডিজেল ইঞ্জিন আছে। ২.০ লিটাৰ পেট্ৰ'ল ইঞ্জিনৰ আউটপুট ২৪৮ বিএইছপি আৰু টৰ্ক ৩৫০ এনএম। আনহাতে ডিজেল ইঞ্জিনৰ আউটপুট ২৮২ বিএইছপি আৰু ৬৫০ এনএম টৰ্ক। উল্লেখ্য এই গাড়ীখন হৈছে ৮-স্পীড অটোমেটিক ট্ৰান্সমিছন ষ্টেণ্ডাৰ্ডৰ গাড়ী।

## মেদবহুলতা প্ৰতিৰোধৰ বাবে নিটি আয়োগৰ নীতি

যুৱ প্ৰজন্মৰ মাজত মেদবহুলতা অত্যধিক হাৰত বৃদ্ধি পাইছে। সেয়েহে কেন্দ্ৰই অধিক নিমখ, চেনি বা চৰ্বি থকা খাদ্যৰ ওপৰত সম্প্ৰতি কৰ বৃদ্ধি কৰাৰ বিষয়ে বিবেচনা কৰিছে। কেন্দ্ৰৰ এক সূত্ৰত প্ৰকাশ পোৱা মতে, সম্প্ৰতি নিটি আয়োগে কেন্দ্ৰক চিপচ আৰু ভুজিয়াৰ দৰে সুস্বাদু খাদ্যৰ ওপৰত কৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিছে। মূলতঃ যোৱা কেইটামান বছৰত ভাৰতত মেদবহুলতাৰ সমস্যা শীৰ্ষত উপনীত হৈছে। ৰাষ্ট্ৰীয় পাৰিবাৰিক স্বাস্থ্য জৰীপ, ২০১৯-২০ অনুসৰি, মহিলাসকলৰ মাজত মেদবহুলতা ২০১৫-১৬ বৰ্ষৰ ২০.৬ শতাংশৰ পৰা ২৪ শতাংশলৈ বৃদ্ধি হৈছে। আনহাতে, পুৰুষৰ ক্ষেত্ৰত এই হাৰ ১৮.৪ শতাংশৰ পৰা ২২.৯ শতাংশলৈ বৃদ্ধি পাইছে। এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখিয়েই অস্বাস্থ্যকৰ খাদ্যৰ ওপৰত কৰ আৰোপ কৰাৰ কথা বিবেচনা কৰা হৈছে। মন কৰিবলগীয়া যে বৰ্তমানে ব্ৰেণ্ডবিহীন যিকোনো পেকেটযুক্ত ভুজিয়া, ভেজিটেবল চিপচ আৰু স্নেক্সৰ ওপৰত পাঁচ শতাংশলৈকে জিএছটি আৰোপিত। আনহাতে, ব্ৰেণ্ডেড এই সকলোবোৰ খাদ্যত জিএছটিৰ পৰিমাণ ১২ শতাংশ।

স্মৰ্তব্য, নিটি আয়োগে যোৱা বছৰ জুনত মেদবহুলতা বিষয়ত এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন কৰিছিল। এই আলোচনাচক্ৰতে সমস্যা সমাধানৰ বাবে কেনে ধৰণৰ নীতি প্ৰয়োগ কৰিব পাৰি সেই বিষয়টোও উত্থাপিত হৈছিল। তেতিয়াই সিদ্ধান্ত লোৱা হৈছিল যে, এনে অস্বাস্থ্যকৰ খাদ্যৰ ওপৰত কৰৰ পৰিমাণ বৃদ্ধি কৰাৰ উপৰি পেকেটবোৰৰ সন্মুখৰ লেবেল সলনি কৰা হ'ব। মন কৰিবলগীয়া যে কেৰালাই চ০১৫-১৬ বৰ্ষৰ বাজেটতে পিজ্জা, বাৰ্গাৰ আৰু অন্যান্য জাংক ফুডৰ ওপৰত কৰ আৰোপ কৰাৰ প্ৰস্তাৱ দিছিল।

## শ্বেয়াৰ বজাৰতো ম'বাইল এপৰ স্পৰ্শ ঃ ছেবিৰ নতুন পদক্ষেপ



**উন্নত** প্ৰযুক্তিৰ যুগত অনলাইন এপবোৰ সকলো ক্ষেত্ৰতে এক নিৰ্ভৰযোগ্য বিনিময় মাধ্যমলৈ পৰিণত হৈছে। সেয়া লাগে খবৰেই হওক বা টকা-পইচাই হওক, লেনদেনৰ বাবে এপৰ ব্যৱহাৰে সাম্প্ৰতিক সময়ত বহুল জনপ্ৰিয়তা অৰ্জন কৰিছে শেহতীয়াকৈ শ্বেয়াৰ বজাৰৰ বিনিয়োগকাৰীসকলৰ বাবেও প্ৰথমবাৰৰ বাবে এনে এক এপ মুকলি কৰা হৈছে। নতুন এপটো মুকলি কৰা হৈছে! শ্বেয়াৰ বজাৰ পৰিচালনাৰ দায়িত্বত থকা ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অৱ ইণ্ডিয়া বা চমুকৈ ছেবিৰ উদ্যোগত। ছেবিয়ে মুকলি কৰা এই ম'বাইল এপটোৰ নাম হৈছে সাৰথি। এই এপটোৰ জৰিয়তে শ্বেয়াৰ বজাৰৰ বিনিয়োগকাৰীসকলৰ মাজত বিনিয়োগৰ কিছু মৌলিক ধাৰণা প্ৰদান কৰা হ'ব। একে সময়তে, এই এপৰ মুখ্য লক্ষ্য হৈছে শ্বেয়াৰ বজাৰত নিয়মীয়াকৈ বিনিয়োগ কৰা সকলক এই শ্বেয়াৰ বজাৰৰ বিষয়ে অধিক সচেতন আৰু সজাগ কৰা। এই এপটোৰ উদ্দেশ্য হৈছে এজন ব্যক্তিক শ্বেয়াৰ বজাৰৰ বিষয়ে অধিক সজাগ কৰা আৰু লগতে বিনিয়োগকাৰীৰ মাজত ছিকিউৰিটী বজাৰৰ বিষয়ে এক মৌলিক ধাৰণা সৃষ্টি কৰা। সমান্তৰালভাৱে, কেৱাইচি প্ৰক্ৰিয়া, ব্যৱসায় আৰু নিষ্পত্তি, মিউচুৱেল ফাণ্ডৰ দৰে বিভিন্ন বিষয়ৰ বিষয়ে ধাৰণা সৃষ্টি কৰাতো বিশেষভাৱে সহায়ক হ'ব এপটো। প্ৰথমাৱস্থাত মূলতঃ হিন্দী আৰু ইংৰাজী দুটা ভাষাত কাৰ্যকৰী হ'ব যদিও গ্ৰাহকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ভৱিষ্যতে বিভিন্ন আঞ্চলিক ভাষাতো উপলব্ধ কৰা হ'ব ইয়াক। এই এপটোৰ লাভালাভবোৰ এণ্ড্ৰইড আৰু আইঅ'এছ উভয় প্লেটফৰ্মতে উপলব্ধ হ'ব।

ছেবি বা চিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অৱ ইণ্ডিয়াৰ অধ্যক্ষ অজয় ত্যাগীয়ে এই এপটোৰ বিষয়ে কয়, ‘এই ম'বাইল এপটো হৈছে ছেবিৰ এক অনন্য পদক্ষেপ। এপটোৰ জৰিয়তে সাধাৰণ মানুহৰ মাজত শ্বেয়াৰত বিনিয়োগ সম্পৰ্কে সজাগতা সৃষ্টি কৰিব পৰা যাব। বিশেষকৈ, যিসকল লোকে শ্বেয়াৰ বজাৰত বিনিয়োগ কৰিবলৈ ইচ্ছুক তেওঁলোকক নিয়মিতভাৱে দিহা-পৰামৰ্শ দিয়া হ'ব। যাৰ ফলত বিনিয়োগকাৰীয়ে শ্বেয়াৰ বজাৰৰ বিষয়ে অধিক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব। লগতে বিনিয়োগকাৰীসকলৰ বজাৰত বিনিয়োগ কৰাৰ সামৰ্থ্যও বৃদ্ধি পাব। সৰ্বোপৰি, ছেবিৰ নতুন ম'বাইল এপটোৰ মূল উদ্দেশ্য হৈছে বিনিয়োগকাৰীসকলক শ্বেয়াৰ বজাৰৰ বিষয়ে শিক্ষিত কৰা।’ তেওঁ লগতে কয় যে বৰ্তমানে পূৰ্বৰ তুলনাত বিভিন্ন ব্যক্তি বা কোম্পানীৰ শ্বেয়াৰ বজাৰত বিনিয়োগৰ আগ্ৰহ বহুখিনি বৃদ্ধি পাইছে। অধিক গুৰুত্বপূৰ্ণ বিষয়টো এই যে আজিৰ তাৰিখত প্ৰযুক্তি নিৰ্ভৰ ব্যৱসায়ৰ এক বৃহৎ অংশ ম'বাইল ফোনৰ ওপৰতে আধাৰিত। সেয়ে স্বাভাৱিকতে এপটোৰ জৰিয়তে অতি সহজে ম'বাইলতে বিনিয়োগ সম্পৰ্কীয় বিভিন্ন তথ্য প্ৰাপ্ত কৰা সম্ভৱ হ'ব। অনাগত দিনত এই এপটো সকলো শ্ৰেণীৰ বিনিয়োগকাৰীৰ বাবে পথ প্ৰদৰ্শক হিচাপে চিহ্নিত হ'ব বুলি আশা প্ৰকাশ কৰে ছেবিৰ অধ্যক্ষগৰাকীজনে।



ৰিলায়েন্সৰ ফিউচাৰ ৰিটেইল অধিগ্ৰহণৰ প্ৰক্ৰিয়া ২০২০ৰ আগষ্টত আৰম্ভ হৈছিল। ফিউচাৰ গ্ৰুপৰ ২৪,৭১৩ কোটি টকাৰ খুচুৰা সম্পত্তি অধিগ্ৰহণ কৰাৰ বাবে চুক্তি কৰিছিল ৰিলায়েন্সে। ঋণৰ বোজাত জৰ্জৰিত ফিউচাৰৰ কিছু সংখ্যক বিপণীৰ লীজ ৰিলায়েন্সে নিজৰ নামলৈ বদলি কৰিছিল আৰু পৰৱৰ্তী সময়ত সেইসমূহ বিপণী ফিউচাৰ গ্ৰুপক ভাড়ালৈ দিছিল।

# কাৰ হাতত ‘ফিউচাৰ’ৰ ভৱিষ্যৎ ?

## আমাজন-ফিউচাৰ-ৰিলায়েন্স বিবাদ ঃ আলোচনাৰ জৰিয়তে মীমাংসা অন্বেষণৰ পৰামৰ্শ দিলে উচ্চতম ন্যায়ালয়ে

**ভাৰতৰ** প্ৰায় ১.৩ ট্ৰিলিয়ন ডলাৰ মূল্যৰ খুচুৰা বজাৰত আধিপত্য বিস্তাৰ কৰাৰ বাবে বিশ্বৰ দুই ধনী ব্যক্তি জেফ বেজোছ আৰু মুকেশ আম্বানীৰ মাজত চলি থকা সংঘাতে সম্প্ৰতি চূড়ান্ত ৰূপ লৈছে । ২০১৯ৰ পৰাই ৰিটেইল কিং খ্যাত কিশোৰ বিয়ানীৰ ফিউচাৰ গ্ৰুপৰ অংশ হোৱাৰ স্বাৰ্থত দুয়োপক্ষৰ মাজত এক আইনী যুঁজ চলি আছে। শেহতীয়াকৈ কিশোৰ বিয়ানীৰ ফিউচাৰ গ্ৰুপৰ কে'বাখনো খুচুৰা বিপণীৰ যাৱতীয় কাৰ্যকলাপ ৰিলায়েন্সে নিজৰ অধীনলৈ অনাৰ পাছত বেজোছ আৰু আম্বানীৰ মাজত চলি থকা প্ৰতিযোগিতা তুংগত উঠিছে। ফিউচাৰে বাৰম্বাৰ আমাজনৰ স'তে থকা চুক্তি ভংগ কৰা বুলি অভিযোগ তুলি আমেৰিকাৰ বৃহৎ ই-বাণিজ্যিক সংস্থাটোৱে পুনৰ আইনৰ দ্বাৰস্থ হয় যদিও সম্প্ৰতি উচ্চতম ন্যায়ালয়ে দুয়োপক্ষকে আলোচনাৰ জৰিয়তে মীমাংসা অন্বেষণ কৰিবলৈ অহা ১৫ মাৰ্চলৈকে সময় দিয়া বুলি জানিব পৰা গৈছে। ন্যায়ালয়ৰ পৰামৰ্শ মৰ্মে আইনী যুঁজ সমাপ্ত কৰিবলৈ আমাজনে আকৌ এবাৰ ফিউচাৰ গ্ৰুপৰ স'তে আলোচনাত মিলিত হোৱাৰ প্ৰস্তাৱ দিয়ে । উল্লেখ্য যে যোৱা বৃহস্পতিবাৰে এক শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ে আমাজন ডট কম, ফিউচাৰ ৰিটেইল (এফআৰএল) আৰু ইয়াৰ প্ৰচাৰক ফিউচাৰ কুপন প্ৰাইভেট লিমিটেড (এফচিপিএল)ক মীমাংসাৰ উপায় বিচাৰিবলৈ নিৰ্দেশ দিয়ে। এফচিপিএলৰ হৈ উপস্থিত থকা অধিবক্তা মুকুল ৰোহটগী আৰু এফআৰএলক প্ৰতিনিধিত্ব কৰা অধিবক্তা হৰিশ চালভেই ন্যায়ালয়ৰ উক্ত প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰে। ন্যায়ালয়ৰ আগত আমাজনে এই বুলিও কথা দিয়ে যে আলোচনা চলি থকাৰ সময়ত ই ফিউচাৰৰ বিৰুদ্ধে কোনো নতুন আইনী প্ৰক্ৰিয়া গ্ৰহণ নকৰে।

স্মৰ্তব্য,আমাজন আৰু ফিউচাৰৰ মাজৰ এই সমস্যাটো ২০১৯ৰ পহিলা আগষ্টৰ পৰাই আৰম্ভ হৈছিল। আমাজনে এফআৰএল (ফিউচাৰ ৰিটেইল)ৰ প্ৰচাৰক সংস্থা ফিউচাৰ কুপনত প্ৰায় ১৫০০ কোটি টকা বিনিয়োগ কৰি ৪৯ শতাংশ অংশীদাৰিত্ব অধিগ্ৰহণ কৰিছিল। কিন্তু তাৰ মাত্ৰ এবছৰ পাছতে, ২০২০ৰ পহিলা আগষ্টত ফিউচাৰ গ্ৰুপে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজ (আৰআইএল)ৰ স'তে ৩.৪ বিলিয়ন ডলাৰৰ সম্পত্তি বিক্ৰীৰ চুক্তি কৰে। আৰআইএলৰ সৈতে ফিউচাৰৰ ৩.৪ বিলিয়ন ডলাৰৰ সম্পত্তি বিক্ৰীৰ চুক্তিয়ে আমাজনৰ স'তে পূৰ্বৰে পৰা চুক্তিক উলংঘা কৰিছে বুলি অভিযোগ কৰি সেই বছৰৰে অক্টোবৰত আমেৰিকাৰ প্ৰসিদ্ধ ই-বাণিজ্যিক সংস্থাটোৱে ফিউচাৰলৈ এক আইনী জাননী প্ৰেৰণ কৰে । আমাজনৰ মতে, কিশোৰ বিয়ানি নেতৃত্বাধীন ৰিটেইল চেইনৰ স'তে ইয়াৰ এক প্ৰতিযোগিতা বিহীন চুক্তি স্বাক্ষৰিত হৈছিল। চুক্তি মতে নিৰ্দিষ্ট কৰা হৈছিল যে যিকোনো বিবাদ ছিংগাপুৰ আন্তৰ্জাতিক মধ্যস্থতা কেন্দ্ৰৰ (এছআইএচি) নিয়মৰ অধীনতহে মধ্যস্থতা কৰা হ'ব। কিন্তু আমাজনৰ স'তে ব্যৱসায়িক সহযোগিতা চলি থকা অৱস্থাতে ফিউচাৰে ৰিলায়েন্সৰ স'তে আন এক নতুন চুক্তি কৰাত অসন্তুষ্ট হৈ ২০২০ৰ পহিলা অক্টোবৰত আমাজনে ফিউচাৰৰ বিৰুদ্ধে ছিংগাপুৰ আন্তৰ্জাতিক মধ্যস্থতা কেন্দ্ৰত গোচৰ তৰে আৰু পৰৱৰ্তী সময়ত এক অনুকূল ৰায়ো লাভ কৰে। তাৰ ঠিক কিছুদিন পাছতে ২০২০ৰ পহিলা নৱেম্বৰত ফিউচাৰেও আমাজনৰ বিৰুদ্ধে দিল্লী উচ্চ ন্যায়ালয়ত (এইছচি) গোচৰ তৰে, ৰিলায়েন্সৰ স'তে কৰা ইয়াৰ নতুন চুক্তিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৃহৎ ই-বাণিজ্যিক প্ৰতিষ্ঠানটোৰ হস্তক্ষেপৰ অভিযোগ উত্থাপন কৰি। তেতিয়াৰে পৰাই আমাজনে আৰআইএলৰ স'তে থকা ফিউচাৰৰ ৩.৪ বিলিয়ন ডলাৰৰ চুক্তি বন্ধ কৰিবলৈ অহৰহ আইনী যুঁজ চলাই আহিছে।



ৰিলায়েন্সৰ ফিউচাৰ ৰিটেইল অধিগ্ৰহণৰ প্ৰক্ৰিয়া ২০২০ৰ আগষ্টত আৰম্ভ হৈছিল। ফিউচাৰ গ্ৰুপৰ ২৪,৭১৩ কোটি টকাৰ খুচুৰা সম্পত্তি অধিগ্ৰহণ কৰাৰ বাবে চুক্তি কৰিছিল ৰিলায়েন্সে। ঋণৰ বোজাত জৰ্জৰিত ফিউচাৰৰ কিছু সংখ্যক বিপণীৰ লীজ ৰিলায়েন্সে নিজৰ নামলৈ বদলি কৰিছিল আৰু পৰৱৰ্তী সময়ত সেইসমূহ বিপণী ফিউচাৰ গ্ৰুপক ভাড়ালৈ দিছিল। কিন্তু সময় উকলি যোৱাৰ পাছতো ভাড়াৰ ধন ওভতাই দিব নোৱৰাত সম্প্ৰতি বিপণীসমূহ অধিগ্ৰহণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে ৰিলায়েন্সে লগতে ফিউচাৰৰ সকলো কৰ্মচাৰীক চাকৰিৰ প্ৰস্তাৱো দিছে মুকেশ আম্বানীৰ এই সংস্থাই। বিগ বজাৰৰ দৰে বৃহৎ ৰিটেইল চেইনক ৰিলায়েন্সৰ নামেৰে নামকৰণ কৰাৰ সকলো আয়োজন আৰম্ভ হৈ গৈছে ইতিমধ্যে। প্ৰায় দুই দশক পূৰ্বে কিশোৰ বিয়ানীয়ে দেশবাসীক বিগ বজাৰৰ স'ত পৰিচয় কৰাই দিছিল। এইখিনিতে উনুকিয়াব লাগিব, এখন চালৰ তলতেই জোতা, চেণ্ডেল, কাপোৰৰ পৰা আৰম্ভ কৰি ফ্ৰিজ, ম'বাইল ফোন, আনকি গ্ৰোচাৰী সামগ্ৰীলৈ সকলোখিনি উপলব্ধ কৰোৱা বিগবাজাৰেই হয়তো প্ৰথম বাটকটীয়া আছিল ভাৰতত। আধুনিক শ্বপিং মলৰ বহুল জনপ্ৰিয়তাৰ মাজতো বিগবাজাৰে সেয়ে স্বকীয়তা বজাই ৰাখি মূৰ দাঙি থাকিব পাৰিছিল । কিন্তু শেষ পৰ্যন্ত বিগবাজাৰৰ সেই সম্ভ্ৰম ৰক্ষা কৰিব নোৱাৰিলে কিশোৰ বিয়ানীয়েঋণৰ বোজাত জৰ্জৰিত হৈ সম্প্ৰতি বিগবাজাৰক হস্তান্তৰিতকৰণৰ পথ বাছি ল'বলগীয়াত পৰিছে কিশোৰ বিয়ানী মুকেশ আম্বানীৰ ৰিলায়েন্স কোম্পানীক সঠিক সময়ত ধন পৰিশোধ নকৰাৰ বাবেই অধিগ্ৰহণৰ লগতে এই বিপণীবোৰৰ নাম ৰিলায়েন্স ৰখাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। উল্লেখ্য যে ,ফিউচাৰৰ মুঠ বিপণীৰ সংখ্যা ১৭০০ৰো অধিক। তাৰ ভিতৰত বিগবাজাৰৰ নামত যি ২০০ খন বিপণী আছে সেইসমূহ ৰিলায়েন্স গ্ৰুপে নিজৰ নামেৰে নামকৰণ কৰিব অচিৰেই।

## এশ শতাংশ পৰ্যন্ত প্ৰিমিয়াম ৰিফাণ্ড পাব এই আঁচনিত

**স্বাস্থ্য** বীমাৰ প্ৰতি ভাৰতীয়ৰ গুৰুত্ব আৰু আকৰ্ষণ যোৱা কেইটামান বছৰত ক্ৰমশঃ বৃদ্ধি পাইছে। বিশেষকৈ ঘাতক কৰ'না ভাইৰাছৰ সংহাৰৰ পৰা ভাৰতীয়ই যি শিক্ষা পালে তাৰ পাছত স্বাস্থ্য বীমাৰ প্ৰয়োজনীয়তা কিমান সেই সম্পৰ্কে সাধাৰণ জনতাৰ চকু বাৰুকৈয়ে খোল খাইছে। মহামাৰীয়ে দুৱাৰত টোকৰ দিয়াৰ আগমুহূৰ্তলৈ স্বাস্থ্য বীমাক নিজৰ বাজেট বা খৰচৰ তালিকাত ৰাখিব নোখোজা আৰু গুৰুত্বহীন বুলি বিবেচনা কৰি অহা বহু ভাৰতীয়ৰ বাবে এনে বীমা আঁচনি ক্ৰয় কৰাটো লাহে লাহে নিউ নৰ্মেলস্বৰূপ হ'বলৈ ধৰিছে এতিয়া। এক কথাত ক'বলৈ গ'লে কৰ'নাই স্বাস্থ্য বীমা সম্পৰ্কে সাধাৰণ মানুহৰ মাজত থকা



নেতিবাচক ধাৰণাৰ আমূল পৰিৱৰ্তন আনিছে। ক্ৰমবৰ্ধমান এই বজাৰখনৰ নতুন গ্ৰাহকসকলক আকৃষ্ট কৰাৰ ক্ষেত্ৰত চেষ্টাৰ কোনো ত্ৰুটি ৰাখিব বিচৰা নাই বীমা সংস্থাসমূহেও। একেই উদ্দেশ্য সাৰোগত কৰি আদিত্য বিৰলা হেলথ্ ইনছুৰেন্স নামৰ জনপ্ৰিয় বীমা সংস্থাটোৱেও বজাৰত এক বিশেষ স্বাস্থ্য বীমা পলিচী মুকলি কৰিছে য'ত ১০০ শতাংশ পৰ্যন্ত প্ৰিমিয়াম ৰিটাৰ্ণ দিয়াৰ নিশ্চিতি প্ৰদান কৰিছে সংস্থাটোৱে। এক্টিভ হেলথ্ (Active Health) নামৰ এই পলিচীত আছে বিপুল ৱেলনেছ বেনিফিটৰ লগতে সুসংহত স্বাস্থ্য ৰক্ষাকবচ হিচাপে কামত অহা বিভিন্ন সুবিধা। এই পলিচীত লগতে আছে ১০০ শতাংশ পৰ্যন্ত প্ৰিমিয়াম ৰিফাণ্ড, ৰেহাই আৰু ইনছিয়ৰ্ড ছামৰ ওপৰত ১০০ শতাংশ ৰিলোডিঙৰ সুবিধা ‘অৱশ্যে উক্ত সুবিধাসমূহ গ্ৰহণৰ বাবে গ্ৰাহকে ইয়াৰ পূৰ্বে কেতবোৰ চৰ্ত পূৰণ কৰিব লাগিব। তাৰ ভিতৰত অন্যতম চৰ্তটো হ'ল সুস্বাস্থ্যকৰ জীৱন যাপনৰ লগতে নিয়মীয়াকৈ পলিচীৰ পুনৰ্নবীকৰণ কৰা। আনহাতে, এক্টিভ হেলথ্ নামৰ এই পলিচীখনৰ আওতাত একেৰাহে দুটাকৈ ক্লেইম-ফ্ৰী বা দাবী বিহীন বছৰৰ ক্ষেত্ৰত গ্ৰাহকসকলে ‘নো ক্লেইম’ ব'নাছো পাব পাৰিব। এই ক্ষেত্ৰত প্ৰতিটো ক্লেইম ফ্ৰী বছৰৰ বাবদ ৫০ শতাংশ পৰ্যন্ত ‘নো ক্লেইম’ ব'নাছ লাভ কৰিব পাৰিব বীমাকাৰীজনে। এইদৰে মুঠ বীমাৰাশিৰ ১০০ শতাংশ পৰ্যন্ত ‘নো ক্লেইম’ ব'নাছ পাব পৰা যাব। এইদৰে পোৱা উপহাৰ মূল্য দৰ্ব্ব কিনা, লেবৰেটৰীত পৰীক্ষা কৰোৱা, ডে-কেয়াৰ ট্ৰিটমেন্ট, অ'পিডিৰ খৰচ ইত্যাদি স্বাস্থ্য সংক্ৰান্তীয় খৰচৰ কামত ব্যৱহাৰ কৰিব পৰা যাব। তাৰ বাহিৰে ভৱিষ্যতে প্ৰিমিয়াম দিয়াৰ বাবেও এই উপহাৰ মূল্য ব্যৱহাৰ কৰিব পাৰিব গ্ৰাহকে।



## ফ্ৰিলান্স কৰ্মীৰ বাবে কেনেধৰণৰ সুবিধা আছে আয়কৰ আইনত ?

ফ্ৰিলান্সিং হৈছে সাম্প্ৰতিক সময়ত আমাৰ দেশৰ যুৱসকলৰ বাবে আটাইতকৈ চৰ্চিত বিষয়সমূহৰ অন্যতম। ফ্ৰিলান্সিং কামত থাকে কাম কৰাৰ স্বাধীনতা যি পৰম্পৰাগত চাকৰিত লাভ কৰিব পৰা নাযায়। ফ্ৰিলান্সিং খণ্ডত, এফালে যিদৰে বিচৰা মতে কাম কৰাৰ স্বাধীনতা আছে, তাৰ লগতে বিভিন্ন প্ৰকাৰৰ কাম বাছনি কৰাৰ স্বাধীনতাও আছে। উপাৰ্জনৰ ফালৰ পৰাও অনলাইন ফ্ৰিলান্সিঙৰ ক্ষেত্ৰখনত এক অবিশ্বাস্য সম্ভাৱনা আছে। প্ৰগ্ৰামিং, ডিজিটেল মাৰ্কেটিং, এছ.ই.ও, গ্ৰাফিক্স ডিজাইন, ৱেবছাইট, গেম, ৩ ডি এনিমেচন, প্ৰকল্প ব্যৱস্থাপনা, ছফ্টৱেৰ বাগ পৰীক্ষা, ডাটা এণ্ট্ৰি আদিৰ যিকোনো এটা বা একাধিক ক্ষেত্ৰত সফলতাৰে নিজকে এজন ফ্ৰিলান্সাৰ হিচাপে সৃষ্টি কৰিব পাৰে যিকোনো পাৰদৰ্শী ব্যক্তিয়ে। অধ্যয়নৰ শেষত বা অধ্যয়নৰ সমান্তৰালভাৱে আজিকালি ফ্ৰিলান্সিঙৰ জৰিয়তে ভৱিষ্যতৰ বাবে পেছাদাৰী কেৰিয়াৰ গঢ়িব পাৰে ছাত্ৰসকলেও। মুঠৰ ওপৰত আজিৰ তাৰিখত ফ্ৰিলান্সিং হৈছে বহু বিলিয়ন ডলাৰৰ এক বৃহৎ বজাৰ।

ভাৰততো ফ্ৰিলান্সাৰৰ পেছাই সম্প্ৰতি ব্যাপক জনপ্ৰিয়তা লাভ কৰিছে যদিও আন দেশতকৈ তুলনামূলকভাৱে যথেষ্ট সীমিত এই বজাৰখন। বহুলোকে ভাবে যে ফ্ৰিলাঞ্চাৰসকলে উপাৰ্জন কৰা ধনৰ বিপৰীতে কোনো আয়কৰ প্ৰদানৰ নিয়ম নাই। কিন্তু এই ধাৰণাটো সম্পূৰ্ণ ভুল। এজন ফ্ৰিলান্সাৰেও আন চাকৰিয়াল বা ব্যৱসায়ীৰ দৰে এক নিৰ্দিষ্ট পৰিমাণৰ কৰ পৰিশোধ কৰিব লাগে। অৱশ্যে, ফ্ৰিলান্সাৰসকলৰ বাবে ভাৰতৰ কৰ প্ৰণালীত বিশেষ কেতবোৰ নিয়ম আছে। যিদৰে ফ্ৰিলান্স কৰ্মীসকলক আয়কৰৰ অধীনত সামৰি লোৱা হৈছে, আয়কৰ ৰেহাইৰ ক্ষেত্ৰতো তেওঁলোকৰ বাবে বিশেষ কেতবোৰ লাভালাভৰ সুবিধা আছে। এজন ফ্ৰিলান্সাৰে আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব বিচাৰিলে তেওঁ আইটিআৰ ৩ আৰু আইটিআৰ ৪ৰ বিকল্প লাভ কৰে। দৰাচলতে আয়কৰ ৰিটাৰ্ণৰ সকলো নিয়ম উপাৰ্জনৰ সীমাৰ ওপৰত নিৰ্ভৰ কৰে। নিযুক্তি প্ৰাপ্ত লোকৰ পৰা ব্যৱসায়ীলৈকে সকলোৱে তেওঁলোকৰ নিজৰ দৰমহাৰ আধাৰত আয়কৰৰ অধীনত আহে। কিন্তু যিসকলে ফ্ৰিলান্সিং কৰে, অৰ্থাৎ ফ্ৰিলান্স কামৰ জৰিয়তে ধন উপাৰ্জন কৰে, তেওঁলোকৰ বাবে আয়কৰৰ কিছুমান বিশেষ নিয়ম আছে। ফ্ৰিলান্সাৰসকলৰ বাবে কৰ প্ৰণালীত কি কি নিয়ম আছে সেই বিষয়ে কিছু কথা জানো আহকচোন...

যদি এজন ফ্ৰিলান্সাৰে আয়কৰ ৰিটাৰ্ণ (আইটিআৰ) দাখিল কৰিব বিচাৰে, তেন্তে তেওঁ আইটিআৰ-৩ আৰু আইটিআৰ-৪ৰ বিকল্প লাভ কৰিব। বহু লোকে চাকৰি কৰাৰ উপৰি ফ্ৰীলান্সিং কৰে। সেই ক্ষেত্ৰত, ব্যক্তিজনে এই দুই প্ৰ-পত্ৰৰ বিকল্প প্ৰাপ্ত কৰিব। এই নিয়মটো কেৱল এটা নিৰ্দিষ্ট বিত্তীয় বৰ্ষত চাকৰিৰ পৰা প্ৰাপ্ত উপাৰ্জনক বাদ দি ফ্ৰিলান্সিঙৰ পৰা ধন উপাৰ্জনৰ ক্ষেত্ৰত প্ৰযোজ্য। মনকৰিবলগীয়া এই যে ফ্ৰিলান্স কামৰ ক্ষেত্ৰত যদি অধিক ধনৰ লেনদেন কৰা হয়, অৰ্থাৎ যদি আয়কৰৰ অধীনত অহা ধনৰ পৰিমাণৰ লেনদেন কৰা হয়, তেনেহ'লে ফ্ৰিলান্সাৰৰ ঘৰলৈ আয়কৰ বিভাগৰ পৰা জাননী প্ৰেৰণ কৰা হ'ব।

আয়কৰ আইনৰ নিয়ম অনুসৰি, যিসকলে ফ্ৰিলান্সৰ পৰা উপাৰ্জন কৰে তেওঁলোকে নিৰ্ধাৰিত তাৰিখৰ ভিতৰত প্ৰতি তিনি মাহত আগতীয়া কৰ পৰিশোধ কৰিব লাগে। অৱশ্যে, এই নিয়মটো তেতিয়াহে প্ৰযোজ্য হ'ব, যেতিয়া সেই ব্যক্তিজনৰ কৰযোগ্য উপাৰ্জন ১০ হেজাৰ টকাৰ অধিক হ'ব।



আনহাতে, ব্যৱসায়িক উপাৰ্জনত থকাৰ দৰে ফ্ৰিলান্স উপাৰ্জনতো কৰ ৰেহাইৰ সুবিধা আছে। মুঠ উপাৰ্জনৰ পৰা ফ্ৰিলান্স কাম কৰাৰ ব্যয় কৰ্তন কৰাৰ বিকল্প আছে। অৰ্থাৎ, এই ক্ষেত্ৰত কৰদাতাসকলে উপাৰ্জনৰ ওপৰত কৰ ৰেহাই পাব পাৰে।

এইখিনিতে কোনবোৰ ক্ষেত্ৰতনো ফ্ৰিলান্স কৰদাতাই ৰেহাই পাব পাৰে তাকো জানি থব লাগিব। লেপটপ বা ব্যক্তিগত কম্পিউটাৰকে ধৰি ফ্ৰিলান্স কাম কৰিবলৈ যিবোৰ ডিভাইচ ব্যৱহাৰ কৰা হয় তাৰ ব্যয়ৰ ওপৰত আয়কৰ ৰেহাই প্ৰাপ্ত কৰাৰ এক বিশেষ সুবিধা উপলব্ধ! কামত ব্যৱহৃত যিকোনো ইলেক্ট্ৰনিক সঁজুলি, কাৰ্যালয়ৰ ব্যয়, ইণ্টাৰনেট বিল আৰু ফোনৰ বিল, কামৰ বাবে যিকোনো স্থানলৈ যোৱাৰ ব্যয় ইত্যাদিৰ ক্ষেত্ৰতো কৰ ৰেহাই পায় ফ্ৰিলান্সাৰসকলে।

আয়কৰ দাখিল কৰোতে ফ্ৰিলান্সাৰসকলে মনত ৰাখিব লাগে যে তেওঁলোকক আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ সময়ত ৫০ হেজাৰ টকাৰ ষ্টেণ্ডাৰ্ড ডিডাকছন দাবী কৰাৰ অনুমতি দিয়া নহয়। অৱশ্যে, যদি কোনো ব্যক্তি চাকৰিজীৱী হয় আৰু তাৰ ওপৰঞ্চিভাৱে তেওঁ ফ্ৰিলান্সাৰ হিচাপেও উপাৰ্জন কৰে, তেন্তে তেনেক্ষেত্ৰত তেওঁ নিজৰ চাকৰিৰ বেতনৰ ওপৰত ষ্টেণ্ডাৰ্ড ডিডা

ৰাজ্যৰ চহৰসমূহক আটক ধুনীয়া ৰূপত গঢ়ি তোলাটো পৌৰসভাসমূহৰ প্ৰাথমিক দায়ৱদ্ধতা। এই দায়িত্ব পালনত সফল হৈছে নে পৌৰসভাসমূহ। ৰাজ্যৰ বিভিন্ন চহৰৰ বাসিন্দাৰ এই সম্পৰ্কীয় মতামতেৰে আজিৰ শিতান প্ৰস্তুত কৰা হৈছে। *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— অৰূপ কলিতা, আব্দুল মজিদ, নৰেন শৰ্মা।*

# চহৰৰ উন্নয়নত ব্যৰ্থ পৌৰসভা

## পৌৰ প্ৰতিনিধিয়ে নিজা পকেটৰ চিন্তা ত্যাগ কৰক

■ **দিগন্ত কুমাৰ ভূঞা,** নাট্যকাৰ-পৰিচালক



**ঐতিহ্যমণ্ডিত** তেজপুৰ পৌৰসভাৰ ইতিহাস সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঁঞিঃ বৰুৱাৰ দৰে বৰেণ্য ব্যক্তিয়ে অলংকৃত কৰি গৈছে। এই ঐতিহ্যৰে ভৰা তেজপুৰতো ৰাজ্যখনৰ আন আন চহৰৰ দৰে সন্মুখত পৌৰসভা নিৰ্বাচন। নিৰ্বাচনী যুদ্ধৰ বাবে ইতিমধ্যে চৌদিশ ৰজনজনাই মুঠ ১৯ টি ৱাৰ্ডৰ শাসক-বিৰোধী উভয়ৰ লগতে নিৰ্দলীয় প্ৰতিনিধিয়ে ৰাইজৰ সমৰ্থন বিচাৰি আকাশ-বতাহ ফাগুনৰ ধূলিৰ লগতে নিৰ্বাচনী প্ৰচাৰৰ বাজনাৰ শব্দৰে যেন ধূলিময় কৰি তুলিলে। বিভিন্নজন প্ৰাৰ্থীৰ কথাবোৰ শুনিছো, প্ৰতিশ্ৰুতিবোৰো শুনিছো।

বিগত কাৰ্যকালত তেজপুৰ পৌৰসভাই উন্নয়নৰ নামত ফুলজাৰিও জ্বলালে, ঢোলো বজালে, কিন্তু ঢোলটো যে ফটা আছিল সেইটো ৰাইজে ঠিকেই বুজিলে। এইবেলিও তেজপুৰ পৌৰসভাৰ নিৰ্বাচনৰ হুলস্থূলীয়া পৰিৱেশেই তুংগত। এইবাৰ তেজপুৰ পৌৰসভাৰ বিভিন্ন ৱাৰ্ডত প্ৰতিনিধিত্ব কৰিবলৈ নতুন নতুন মুখৰ প্ৰাৰ্থী সাজুহোৱা দেখিবলৈ পাইছো। বিগত পাঁচটা বছৰত যি দেখিলো, শুনিলো পৌৰসভাৰ অধিক ৱাৰ্ডৰ সদস্যই ঠিকাদাৰি বৃত্তিৰে ধন ঘটাৰ প্ৰতিযোগিতাৰ ফলত উন্নয়নৰ নামত বিশেষ একোৱেই নহ'ল।

সেয়ে ৰাইজৰ মনত সম্প্ৰতি খং, ক্ষোভ আৰু হতাশাই পুৰণি প্ৰাৰ্থীক বৰ্জন কৰি নতুন প্ৰাৰ্থীক নিৰ্বাচিত কৰাৰ চিন্তাই মনত স্থান লৈছে। গতিকে এইবেলি সিংহভাগ ৱাৰ্ডৰ সদস্যৰ নিৰ্বাচন কৰাত ৰাইজৰ মাজত ভিন্ন আলোচনা শুনা গৈছে। বিগত পাঁচ বছৰত দেখিলো সদস্যসকলৰ সহজতে ধন ঘটাৰ মানসিকতাই যেন মুখ্য উদেশ্য আছিল। তথাপিও আমি আশাবাদী যে বৰ্তমান চৰকাৰৰ শাসন কালত নতুনকৈ নিৰ্বাচিত হ'ব লগা প্ৰতিনিধিসকলৰ মানসিকতা পৰিবৰ্তন হ'ব। নৱনিৰ্বাচিত প্ৰতিনিধিসকলে পকেটৰ কথা নাভাবি ৰাইজৰ ভিন্ন সমস্যা সমাধানৰ কথা ভাৱক আৰু কৰ্মসূচী তৈয়াৰ কৰক। যোৱাটো পাঁচ বছৰীয়া কাৰ্যকালত তেজপুৰ পৌৰসভাৰ মুঠ ১৯ টা ৱাৰ্ডৰ আমাৰ অতি নিকট ১৫ নম্বৰ আৰু ১৬ নম্বৰ ৱাৰ্ডৰ প্ৰতিনিধি দুজনক এদিনলৈয়ো ৱাৰ্ডৰ ভিন্ন সমস্যাৰ ক্ষেত্ৰত ৰাইজে তেওঁলোকৰ উপস্থিতি বিচাৰি হাহাকাৰ কৰিব লগা হৈছিল। সীমা চেৰাই যোৱাকৈ ১৫ নম্বৰ ৱাৰ্ডৰ প্ৰতিনিধি গৰাকীৰ অভব্য ব্যৱহাৰত সাধাৰণ ৰাইজ তুষ্ট হ'ব লগা ঘটনাও সংঘটিত হৈছিল। নলা-নৰ্দমা-পৰিস্কাৰ, পানী যোগান, ষ্ট্ৰিট লাইট আদিৰ সমস্যা তাহানিৰ পৰা আজিলৈকে চলি থাকিল। সেয়ে আশা কৰিছো এইবাৰ নতুন মুখৰ প্ৰতিনিধিয়ে নিৰ্বাচিত হৈ সমস্ত সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব। তেজপুৰীয়া ৰাইজে তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰি কোন কোন প্ৰাৰ্থীক নিৰ্বাচিত কৰে, সেয়া সময়ে আমাক নিশ্চয় ক'ব।

## দায়িত্ব পালনত ব্যৰ্থ পৌৰসভা

■ **তৌফিক ৰহমান,** সাংস্কৃতিক সম্পাদক, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা



ৰঙিয়া পৌৰসভা অসমৰ ভিতৰত এখন গুৰুত্বপূৰ্ণ পৌৰসভা। বৰ্তমান সময়ত ৰঙিয়া পৌৰসভাই আগৰ স্থান অক্ষুণ্ণ ৰখাত ব্যৰ্থ হৈছে। ৰঙিয়া পৌৰসভাই ৰাইজৰ অসুবিধাসমূহ সমাধান কৰাত সমৰ্থ হোৱা নাই। ৰঙিয়া পৌৰসভা ১০টা ৱাৰ্ডৰে বিভিন্ন সমস্যা আছে। প্ৰধান সমস্যাবোৰ হ'ল বিশুদ্ধ খোৱা পানীৰ সমস্যা ৰঙিয়া চহৰত বৰ্তমান লৈ বিশুদ্ধ খোৱা পানীৰ ব্যবস্থা নাই। তাৰ ফলত ৰঙিয়া চহৰৰ ব্যৱসায়ীসকলৰ লগতে সৰ্বসাধাৰণ ৰাইজ সমস্যাৰ সন্মুখীন হৈছে। যোৱা পৌৰসভাখনে ৰাইজক পানীৰ সমস্যাটোৰ সমাধান দিব নোৱাৰিলে। বিজ্ঞানসন্মতভাৱে নলা-নৰ্দমাবোৰ নৰনোৱাৰ ফলত বাৰিষা বতৰত এজাক বৰষুণ হ'লে ৰঙিয়া চহৰত একাঁঠু পৰ্যন্ত পানী হয়। তাৰ ফলত সাধাৰণ পথচাৰী অসুবিধাৰ সন্মুখীন হৈ আহিছে। নলা আছে পানী নাযায়। ষ্টিট লাইট ৰঙিয়া পৌৰসভাৰ অন্তৰ্গত বহুত অঞ্চলত ষ্টিট লাইটৰ ব্যবস্থা নথকাৰ ফলত দুষ্ট চক্ৰই পইচাৰ বেগ কাঢ়ি নিয়া, ম'বাইল লৈ যোৱা, মহিলাৰ ডিঙিৰ চেইন লৈ যোৱা আদিৰ দৰে ঘটনা সংঘটিত হৈ আহিছে। বহুত ষ্টিট লাইট বিকল হৈ আছে। উপযুক্ত জাৱৰ পেলোৱাৰ ব্যৱস্থা নথকাৰ ফলত সৰ্বসাধাৰণ জনতাই য'তে-ত'তে জাৱৰ পেলাৱলগীয়া হৈছে। তাৰ ফলত দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হৈছে। ৰঙিয়া চহৰত পাৰ্কিঙ ব্যবস্থা নথকাৰ ফলত যান-জঁটৰ সমস্যাই সৰ্বসাধাৰণ ৰাইজক হাৰাশাস্তিৰ সন্মুখীন কৰি আহিছে। পদপথসমূহত দোকানৰ সামগ্ৰীসমূহ থোৱাৰ ফলত পদপথেৰে মানুহ খোজ কাঢ়ি যাব নোৱাৰে। পদ পথৰ দোকানসমূহ দিয়াৰ বাবে উপযুক্ত ব্যবস্থা নাই। বিগত বৰ্ষবোৰত ৰঙিয়া পৌৰ সভা ৰাইজৰ উন্নয়ন মূলক কামত ব্যৰ্থ হৈছে।

## কৰৰ পৰিমাণ বৃদ্ধি কৰাই কাম


■ **সমৰেন্দ্ৰ গোস্বামী,** সমাজকৰ্মী



**নগৰ** অঞ্চলৰ সমস্যা সমাধানত পৌৰসভা সম্পূৰ্ণৰূপে সফল হৈছে বুলি ক'ব নোৱাৰি। কিয়নো পৌৰ অঞ্চলৰ ৰাইজৰ সমস্যা বিশ্লেষণ কৰাৰ পৰিৱৰ্তে কেৱল চমক সৃষ্টিৰ বাবেহে পৌৰসভাই কাম কৰা পৰিলক্ষিত হৈছে। বিভিন্ন অঞ্চলৰ ৰাস্তা-ঘাটৰ পৰা আৰম্ভ কৰি খোৱাপানীৰ সমস্যা আজিলৈকে সমাধান নহ'ল। মূলপথৰ উন্নয়ন হ'লে যাতায়াত সুচল হোৱা বুলি ক'ব নোৱাৰি। তদুপৰি ৰাস্তাৰ কাষে কাষে দ'ম হৈ থকা জাবৰ-জোঁথৰে প্ৰমাণ কৰে পৌৰসভাই নগৰখন পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। কিছুমান অঞ্চলত প্ৰৱেশ কৰিলে পূতি দুৰ্গন্ধময় পৰিৱেশৰ বাবে নাকত ৰুমাল দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। যিহেতু পৌৰসভাৰ অন্তৰ্গত নাগৰিকে প্ৰতিটো ক্ষেত্ৰতে পৌৰসভাক কৰ- কাটল দি আহিছে সেয়েহে এই অঞ্চলসমূহ উন্নয়ন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা ল'ব লাগে। পৌৰসভাই পৌৰ অঞ্চলৰ নাগৰিকৰ যথোচিত উন্নয়নৰ বাবে যি পৰিকল্পনা গ্ৰহণ কৰিব লাগে সেয়া বাস্তৱ ক্ষেত্ৰত প্ৰতিফলিত হোৱা নাই। কেৱল নিৰ্বাচনৰ সময়ত ভোটাৰ ৰাইজক আকৰ্ষিত কৰাৰ বাবে যি প্ৰতিশ্ৰুতিৰ বন্যা বোৱাই সেয়া নিৰ্বাচনৰ অন্তত জনপ্ৰতিনিধিয়ে পাহৰি যায়। খোৱাপানী, বিজুলী, নগৰ উন্নয়ন আদি পৌৰসভাৰ প্ৰধান দায়িত্ব। ইয়াৰ বাবে বছৰি পৰিকল্পনা যুগুত কৰে যদিও সেইবোৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত তিলমানো আগভাগ লোৱা দেখা নাযায়। কেৱল কৰৰ পৰিমাণ বছৰি বৃদ্ধি কৰাটোহে পৌৰসভাৰ প্ৰধান কাম হৈছে।

## চহৰাঞ্চলৰ সমস্যা সমাধানত গুৰুত্ব নাই

■ **জিতুমণি দাস,** ব্যৱসায়ী



**পৌৰসভাৰ** প্ৰধান কাম নগৰ-চহৰৰ উন্নয়ন। চহৰৰ যাতায়াত, বিজুলী যোগান, পানী যোগান, গৃহ নিৰ্মাণ আদি পৌৰসভাৰ কামৰ অন্যতম বুলি গণ্য কৰা হয়। অঞ্চলটোৰ ৰাইজৰ বাবে এখন বিজ্ঞানসন্মত বজাৰ স্থাপন কৰাটোও পৌৰসভাৰ কামৰ ভিতৰতে পৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় আন কাম কৰাটো দূৰৈৰ কথা পৌৰসভাৰ কাৰ্যালয়টোকেই ভালদৰে স্থাপন কৰিব নোৱাৰে। এই অঞ্চলৰ প্ৰায়ভাগ কাৰ্যালয়ৰ শোচনীয় অৱস্থা। কৃত্ৰিম বানপানীৰ সমস্যা আজিলৈকে পৌৰসভাই সমাধান কৰিব পৰা নাই। ইয়াৰ বাবে বিজ্ঞানসন্মত পদক্ষেপো গ্ৰহণ কৰা দেখা নাযায়। কেৱল ৰাইজৰ পৰা কৰ-কাটল সংগ্ৰহ কৰি কেনেদৰে স্বাৰ্থ সিদ্ধি কৰিব পাৰে। সেই কামতহে ব্যস্ত হৈ পৰে জনপ্ৰতিনিধি। জনপ্ৰতিনিধিয়ে বুজা উচিত যে ৰাইজৰ পৰা সংগ্ৰহ কৰা কৰৰ জৰিয়তে ৰাইজৰে উন্নতি কৰাটো পৌৰসভাৰ কাম। ৰাইজৰ ধনেৰে ৰাইজৰ উন্নয়ন কৰাত ব্যৰ্থ হৈছে পৌৰসভা। ৰাজ্যৰ বিভিন্ন চহৰৰ পৌৰসভাৰ আনকি নিজা স্থায়ী কাৰ্যালয় একোটাকৈ নিৰ্মাণ কৰিব পৰা নাই। ৰাস্তা-ঘাটৰ অৱস্থা দেখিলে পুতৌ লাগে। খোজ কাঢ়ি গ'লে পথাৰৰ মাজেৰে গৈছে নে নগৰ অঞ্চলৰ পথেৰে গৈছে তাক লৈ মনত প্ৰশ্ন উদয় হয়। মুঠৰ ওপৰত চহৰ অঞ্চলৰ উন্নয়নত পৌৰসভাই যি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেয়া সম্পূৰ্ণৰূপে কৰিব পাৰিছে বুলি নাভাবো।

## পৌৰ প্ৰশাসন হাত সাবটি বহি আছে

■ **অজিত ৰাজবংশী,** লেখক



**নলবাৰীত** পৌৰ প্ৰশাসন হাত সাৱটি বহি থকা যেন লাগে। ৰাস্তা-ঘাট চিকচিকীয়া হ'লেই যদি নগৰ চহৰৰ উন্নতি হোৱা বুজায় তেতিয়া হ'লে এই অৰ্থত নলবাৰী চহৰক এক নম্বৰত ৰাখিব লাগিব। ঘোৰ শত্ৰু হ'লেও এই কথা স্বীকাৰ কৰিবই লাগিব। আজিৰ তাৰিখত নলবাৰী চহৰৰ পথবোৰ চিকচিকিয়া। কিন্তু বাহিৰৰ পৰা নলবাৰী চহৰত সোমাব লাগিলে অভিমণ্যুৱে চক্ৰবেহুৰ ভিতৰত সোমোৱাৰ দৰে বৰকুৰাৰ পৰা অথবা গণেশ মন্দিৰ চ'ক হৈ যি সীমাহীন যাতনা ভুগিবলগীয়া হয় সেয়া অহা-যোৱা কৰা সকলেহে জানে। নলবাৰীলৈ সোমোৱা দুয়ো স্থানৰ ফ্লাইঅভাৰৰ কাম সমাপ্ত হ'বলৈ এতিয়াও বহু বাকী। পৌৰ প্ৰশাসন হাত সাবটি বহি থকা যেন হে অনুমান হয়। বহুতেই কয় নলবাৰী চহৰত যিসকলে সুকলমে গাড়ী, মটৰ চলাব পাৰে তেওঁলোকে গুৱাহাটী অথবা অন্য ভিৰ ঠাইত অতি সুকলমে চলাব পাৰিব। সঁচা কবলৈ হ'লে পৰিস্থিতিয়ে আমাক সকলোকে পাহ্লা ড্ৰাইভাৰ বনাই দিছে। চহৰৰ প্ৰায় প্ৰতিটো পথেই ইমান ঠেক সেয়া ডাঙৰ ডাঙৰ চহৰৰ একো একোটা ভিতৰুৱা গলীপথ যেন হে লাগে। দুয়ো কাষৰ পদপথ সদায়ে এচাম ব্যৱসায়ীৰ অধীগ্ৰহণত। এই ঠেক পথবোৰ বহল কৰিবই লাগিব। ইয়াৰ গত্যন্তৰ নাই। পৌৰ প্ৰশাসনে এই ক্ষেত্ৰত কিবা ভূমিকা লৈছে যদিও সেয়া ৰাইজৰ দৃষ্টিগোচৰ হোৱা নাই। মাননীয় ওম প্ৰকাশ ডাঙৰীয়া নলবাৰীৰ উপায়ুক্ত হৈ থকাৰ সময়ত নলবাৰীৰ যি বাৰে ৰহণীয়া ৰূপ আছিল তেওঁ বদলি হোৱাৰ পাছতে নলবাৰী চহৰৰ সেই ৰূপও বদলি গ'ল। এইক্ষেত্ৰত পৌৰ প্ৰশাসন বাৰুকৈ ব্যৰ্থ বুলি ক'বই লাগিব। এজাক বৰষুণতেই যেনেদৰে চহৰখনত বানপানী সদৃশ পৰিবেশ হয় সেয়া নিশ্চয় পৌৰসভাই দেখিছে। বছৰ বছৰ ধৰি একেই অবস্থা। বাহিৰৰ পৰা কোনোবা আলহী আহিলেই আমাৰ অন্য এক ভীষণ সমস্যা হয়। আলহীয়ে যদি কয় বলক এপাক ফুৰি আহো তেতিয়া আমাৰ নলবাৰীবাসীৰ ডাঙৰ সমস্যা। ফুৰাবলৈ লৈ যাওঁ কলৈ? নলবাৰী হৰিমন্দিৰৰ বাদে আন কি আছে বাৰু ?

## পৌৰসভাৰ নিৰ্বাচন আৰু ৰাইজৰ প্ৰত্যাশা

■ **দীনেশ কুমাৰ শৰ্মা,** লেখক



**আজি** অসমৰ পৌৰ নিকায়সমূহৰ নিৰ্বাচন। ১৯৫৬ৰ অসম পৌৰ আইনৰ গণ্ডীৰ ভিতৰত এই নিৰ্বাচন অনুষ্ঠিত হৈছে। আজিৰ এই সন্ধিক্ষণত পৌৰ অঞ্চলৰ ভোটাৰ ৰাইজে মনৰ আশাপূৰ্ণ হোৱাৰ স্বাৰ্থত নিজৰ মত দিয়াৰ অধিকাৰ সাব্যস্ত কৰিব। কিন্তু হ'ব নে পৰিচালিত ৰাইজে ভবা ধৰণে পৌৰ প্ৰশাসনৰ কাম-কাজবোৰ, নে আগৰ কাৰ্যকালৰ সময়ত কৰাসকলৰ দৰেই এইবাৰ নিৰ্বাচিত হোৱা সকলেও ৰাইজৰ আশা আকাংক্ষাসমূহক বুমেৰাং কৰি পেলাব।

আগতে পঞ্চায়ত আৰু পৌৰসভাসমূহৰ নিৰ্বাচনত ৰাইজে বাচি উলিয়াইছিল ৰাইজৰ হকে, গাঁওখনৰ হকে বা ৱাৰ্ডটোৰ উন্নয়নৰ হকে চিন্তা কৰা নিষ্ঠাবান ৰাজহুৱা কৰ্মীজনক। কিন্তু এতিয়া শাসন কালত উন্নয়নমূলক কাম-কাজৰ বাবে ধন আবণ্টন দিয়কে বা নিদিয়ক; পিছে পৌৰ নিৰ্বাচনত নিজ দলৰ প্ৰাৰ্থীজনক বিজয়ী কৰোৱাই অনাৰ স্বাৰ্থত ধনৰ শ্ৰাদ্ধ কৰিবলৈ শাসনাধিষ্ঠিতই হওক বা বিৰোধী দলেই হওক কৃপণালি নকৰে। সেই বাবে সাধাৰণ পৌৰসভাৰ নিৰ্বাচনে ব্যয়বহুল বিধানসভা নিৰ্বাচনৰ ৰূপ লৈছেগৈ। এইবাৰ বহু এনে প্ৰাৰ্থী দেখিলো, যি গৰাকীয়ে পৌৰ সভানো কি, ইয়াৰ কাম-কাজনো কি, তেওঁ নিৰ্বাচিত হৈ কি কৰিম বুলি ভাবিছে, এই বিলাকৰ উত্তৰত মাথোঁ এটাই কথা - মই একেবাৰে নতুন, চাওঁচোন কি হয় ইলেকচনত। এজন প্ৰাৰ্থীয়ে উন্নয়নৰ বাবে সূত্ৰ ইতিমধ্যে উদ্ভাৱন কৰিছে। তেওঁৰ পোনপটীয়া স্পষ্ট মন্তব্য চাওক উন্নয়নৰ বাবে টকা লাগিব আৰু তাৰ বাবে টেক্স বঢ়াব লাগিব। বহুজনে এনে উত্তৰহে দিলে। চহৰৰ বাট- পথৰ উন্নয়ন, নলা-নৰ্দমাসমূহ প্ৰয়োজনীয় স্থানত নিৰ্মাণ আৰু মেৰামতি, পদ পথসমূহ যাতায়তৰ সুচল, পদপথসমূহ বেদখলমুক্ত, গাড়ী পাৰ্কিঙৰ ব্যৱস্থা, ষ্ট্ৰীট লাইটৰ ব্যৱস্থা, চহৰৰ সৌন্দৰ্যবৰ্ধনৰ ব্যৱস্থা, চাফাই কৰ্মীসকলৰ বেতন আৰু আৱাসিক স্থানৰ উন্নয়ন, আবৰ্জনা নিষ্কাসনৰ ব্যৱস্থা, প্ৰাকৃতিক হোলাসমূহ বেদখল মুক্ত কৰা ইত্যাদি এশ এবুৰি সমস্যা থকাৰ পাছতো বহু প্ৰাৰ্থীৰ নিজৰ ৱাৰ্ডটোৰ উন্নয়নৰ স্বাৰ্থত কৰিবলগীয়া কামৰ পৰিকল্পনাই নাই। পূৰ্বৰে পৰাই এইবোৰ সমস্যা সমস্যা হৈয়েই আছে।

গতিকে পৌৰসভা একোখন সফল নে বিফল ইয়াতেই ওলাই পৰে। দলীয় প্ৰাৰ্থীসকলে বৰ বৰ কথাৰে এক মাহ আগতে নিৰ্দলীয় আছিল এতিয়া তেওঁলোকৰ দলটোৰ নীতি আৰু আদৰ্শৰ ওপৰত ঠাই বিশেষে বখানিবলৈ এৰা নাই। ক'ৰ পানী ক'লৈ যায় ক'ব নোৱাৰিলেও বাৰিষাৰ পানী কিন্তু অনাগত দিনবোৰত নগৰৰ আলিতে যে ডোঙা বান্ধি থাকিব সেইটো খাটাং।

## নিজৰ সম্পত্তি নিজে পৰিচালনা কৰিব নোৱৰাটো পৌৰসভাৰ ব্যৰ্থতা

■ **ৰিংকু ৰয়,** সমাজকৰ্মী



তেজপুৰ ঐতিহাসিকভাৱেই নহয় সৌন্দৰ্যৰ ক্ষেত্ৰতো এখন সুন্দৰ চহৰ। সেউজীয়া পাহাৰ, কীৰ্তিচিহ্ন আৰু ঐতিহ্যমণ্ডিত স্থানৰে ভৰা এখন চহৰ। কিন্তু তেজপুৰক গাঁও আৰু চহৰক এড়াল দোলৰ দৰেই বান্ধি ৰাখিছে চহৰখনৰ হোলাসমূহে। বিভিন্ন গাঁও আৰু পথাৰৰ সংযোগ আছে এই হোলাসমূহৰে। কিন্তু বৰ্তমান ইয়াৰ সকলো হোলাৰ আগৰ ৰূপ নাই। যোৱা ২০ বছৰতে ইয়াৰ হোলাবোৰৰ বেছি অংশই পুতি পেলোৱা হ'ল। এতিয়া হোলাবোৰৰে পানী প্ৰবাহ হোৱাতকৈ দুৰ্গন্ধহে ওলায়। এই হোলাসমূহ মুকলি কৰি ৰখাৰ ক্ষেত্ৰত বিভাগীয় সকলোৰে দৰেই পৌৰসভাও সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে। পৌৰ সভাখনে বহু সম্পত্তি থকাৰ পাছতো জাৱৰ নিষ্কাসনৰ বাবে কোম্পানীক দায়িত্ব দিছে। পৌৰসভাক বিভিন্ন ক্ষেত্ৰত টেক্স মানুহে দিব লাগে। কিন্তু ইয়াৰ উপৰি এতিয়া ঘৰে ঘৰে, দোকানে দোকানে জাৱৰ কঢ়িওৱা কোম্পানীয়ে বেলেগে পইচা লয়। কিন্তু পৌৰসভাই সেই কোম্পানীকে পৌৰসভাৰ সকলো যানবাহন গতাই দিছে। ইয়াৰ বিনিময়ত পৌৰসভাক বহু কম টকা সেই কোম্পানীয়ে দিয়ে বুলি বাতৰি কাকতত পঢ়িছো। উষাপুৰ অঞ্চলত আৱৰ্জনাৰ পাহাৰ বনাইছে। দুৰ্গন্ধত মানুহ থাকিব নোৱৰা এটা পৰিস্থিতিৰ উদ্ভৱ হৈছে। সেই গোটা আৱৰ্জনা নিষ্কাসনৰ প্ৰকল্পটো পৌৰসভাৰ পৰা লিজত লোৱা কোম্পানীয়ে বেংকত বন্ধকত দিয়া বুলিও শুনিছো। কিন্তু কোনো মানুহে ভাড়ালৈ লোৱা ঘৰ এটা নিজৰ ঘৰ বুলি বন্ধকত থ'ব পাৰে জানো? পৌৰসভাৰ সম্পত্তি আনক দি দিয়া আৰু আৱৰ্জনা পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত পৌৰসভাই সকলো সুবিধা থকাৰ পাছত যদি সকলো কাম নিজাকৈ কৰিলেহেঁতেন তেনেহ'লে পৌৰসভাই উপাৰ্জনো কৰিব পাৰিলেহেঁতেন আৰু বহুজনকে নিয়োগো কৰিব পাৰিলেহেঁতেন। নিজৰ সম্পত্তি নিজেই পৰিচালনা কৰিব নোৱৰা পৌৰসভাই নিজকে অকামিলা আৰু ব্যৰ্থ বুলি নিজেই প্ৰমাণ কৰি থৈছে। এতিয়া শিক্ষাৰ এটা নিৰ্দিষ্ট সীমা দিয়া হৈছে ৱাৰ্ড মেম্বৰৰ বাবে। পৌৰসভা এখনৰ বাবে সিমানেই যথেষ্ট নহয়। বহু বিষয়ৰ ক্ষেত্ৰত পৌৰসভা জড়িত থাকে। কিন্তু বহু পৌৰ মেম্বাৰৰ এই বিষয়ে কোনো জ্ঞানেই নাথাকে। কেৱল দোকানৰ অনুজ্ঞাপত্ৰ দিয়াত, নিয়ম ভাঙি ঘৰ বনোৱাৰ অনুমতি দিয়াত বহু পৌৰ মেম্বৰৰ আগ্ৰহ বেছি। পাৰ্কিং নথকাকৈ পৌৰ অঞ্চলত কিমান ব্যৱসায়িক প্ৰতিষ্ঠান আছে সেয়া লক্ষ্য কৰিলেই বুজা যায় পৌৰসভাই আচলতে ইমানদিনে কি কৰিলে। আনকি আঁচনি ৰূপায়ণৰ সম্পূৰ্ণ ধনো মোকলাই আনিব নোৱাৰিলে পৌৰসভাই। এতিয়াও নলা-নৰ্দমা, খোৱা পানীৰ সমস্যা বহু ৱাৰ্ডতে আছে। নতুনকৈ কৃত্ৰিম বানপানীৰ সমস্যা হৈছে। নিৰ্বাচনত জয়ী হোৱাৰ পাছত এচাম ৱাৰ্ড মেম্বৰৰ আচৰণ বৰ বেয়া হয়। সমস্যাৰ সমাধান কৰিবলৈ চেষ্টাই নকৰা পৌৰসভা এখনক ব্যৰ্থ বুলিয়েই ক'ব লাগিব। এইবাৰ বহু প্ৰাৰ্থীক দেখি কিমান কৰ্মদক্ষ পৌৰসভা এখন তেজপুৰত গঠন হয় সেইলৈয়ো মনত সন্দেহ হৈছে।

## ৰাজ্যৰ বেছিভাগ চহৰে কদৰ্যময়

■ **ভুৱনেশ্বৰ লহকৰ,** জ্যেষ্ঠ নাগৰিক



**চহৰ** অঞ্চলত কৃষক সমাজৰ বাদে সকলো ধৰণৰ লোক বাস কৰে। তাৰে অধিকাংশ লোক চৰকাৰী অথবা বেচৰকাৰী প্ৰতিষ্ঠানৰ চাকৰিয়াল। তদুপৰি ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়িক লোকো কম নহয়। অস্থায়ীভাৱে অহা-যোৱা কৰা মানুহও হিচাবহীন। অসমৰ সৰু-বৰ সকলো চহৰৰ বৰ্তমানৰ চেহেৰা অতিশয় কদৰ্যময় হৈ আছে। তাৰ প্ৰকৃত আসোঁৱাহবোৰ চালি-জাৰি চাই সঠিক উন্নয়নৰ বাট মুকলি কৰা কৰা প্ৰতিজন নাগৰিকৰে প্ৰয়োজন আৰু শুদ্ধ পথৰ বাবে আগবাঢ়ি আহিব লাগিব জনসাধাৰণ।


গতিকে প্ৰতিখন পৌৰসভাই বিভিন্ন ধৰণৰ কৰ-কাটল সংগ্ৰহ কৰিব পাৰে। তেনেক্ষেত্ৰত এখন পৌৰসভায়ো কোনো পিনে আগবাঢ়ি যাব পৰা নাই। এনে প্ৰশ্নই সচেতন নাগৰিকক হতভম্ব কৰিছে। আমি পাছ দশক কাল খোজকাঢ়ি অথবা যান- বাহনত ঘূৰি পোৱা সামান্য অভিজ্ঞতাৰ পৰা ক'ব পাৰো মে সমস্ত দোষ পৌৰসভাক দি অধিক বাসিন্দাই ধোৱা তুলসীৰ পাত হ'ব কোনোপধ্যে নোৱাৰো।

আমি দৃঢ়তাৰ ক'ব পাৰো অধিকাংশ লোক সুবিধা বাদী, ভয়াতুৰ, অসচেতন আৰু সমাজৰ প্ৰতি দায়বদ্ধ নহয়। গতিকে সেইখন সমাজৰ পৰা যোৱা জনপ্ৰতিনিধি, কৰ্মচাৰী আৰু আমোলাসকলৰ বেছিভাগেই সুন্দৰ সুবিধা গ্ৰহণ কৰি আছে। ক'বলৈ ভাষা নাই চহৰৰ ৰাস্তা পদূলি, পদপথ, নলা নৰ্দমা, নৈ-উপনৈ জাঁৱৰেৰে উপচি পৰিছে। সকলোবোৰ ভঙা-ছিঙা। কুকুৰৰ শৌচ, থু-খেকাৰ গচকি এখন নৰককুণ্ডত বাস কৰি থাকিবলগীয়া হয় বেছিভাগ চহৰ-নগৰৰ বাসিন্দাই। সকলো পিনে কমিচনৰ অংক। আনহাতে, ভাৰাতীয়াসকলৰ সঠিক তথ্য নিদিয়াত সমাজ বিৰোধী শক্তি টিঘিল-ঘিলাই থাকে বেছিভাগ চহৰতে। এচাম ভূ মাফিয়া, ক'লাধনৰ গৰাকীৰ বহু ঠাইত ঘৰ মাটি আছে। খোৱা পানীৰ সমস্যাই সকলো চহৰৰ মুখ্য সমস্যা। একাংশ ধনবানে নিজৰ খেয়াল খুচিমতে গভীৰ নলী নাদ বহুৱাই গৰীৱৰ দমকল, কুঁৱাৰ পানী কাঢ়ি নিছে। সকলো প্ৰকাৰৰ শব্দ প্ৰদুষণৰ বাবে জনজীৱন আহুকালৰ সৃষ্টি হৈছে। জনস্বাস্থ্যৰ কোনো আধুনিক ৰূপ নাই। আচৰিত কথা যে একেলগে মাছ-মাংস-মিঠাই, চেলুন উপলব্ধ।

মুঠৰ ওপৰত এক কথাত ক'বলৈ গ'লে মানুহ বিদ্বান হ'লে নহয়। সামাজিক দায়বদ্ধ, গণতন্ত্ৰৰ সঠিকভাৱে মূল্যায়ন কৰা লোক অধিক হ'ব লাগিব। গতিকে এনে আদৰ্শবান লোকৰ দ্বাৰা পৰিচালিত পৌৰসভাইহে জনগণৰ হিত সাধন কৰিবলৈ সক্ষম হ'ব। সঁচাৰ্থত আমি প্ৰত্যক্ষ কৰা অসমৰ বেছিভাগ চহৰে কদৰ্যময় পৰিৱেশৰ। এককথাত ক'ব গ'লে পৌৰসভাসমূহ বৰ্তমানলৈ চহৰৰ উন্নয়ন তথা চাফ-চিকুণ কৰি ৰখাত ব্যৰ্থ হোৱা বুলি ক'ব পাৰি।

## নলবাৰীত পৌৰসভাৰ ভূমিকা অতি পুতৌজনক

■ **অনুপ দত্ত,** চিত্ৰ শিল্পী



**চহৰ** এখনৰ মূল চাবি-কাঠি তাৰ পৌৰসভা। চহৰখনক উন্নত তথা তাৰ চাৰিওকাষৰ পৰিৱেশটো সুন্দৰ ৰূপত প্ৰকাশ কৰিবলৈ পৌৰসভাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সহজভাৱে বুজি পোৱা কথাখিনি এয়াই আমাৰ। কিন্তু অতি পৰিতাপৰ কথা, পৌৰসভাৰ ভূমিকা তথা ইয়াৰ কাৰ্যব্যৱস্থা নলবাৰী চহৰখনত একেবাৰে পুতৌজনক অৱস্থা।

নলবাৰী চহৰখনৰ মূল সমস্যা ময়েই কিয়, আন মানুহৰো বোধগম্য। অত বছৰে দেখি অহা কেইটামান প্ৰধান সমস্যা—পাৰ্কিং সমস্যা, নলা-নৰ্দমা সমস্যা, ফুটপাথ আৰু ৰাজহুৱা শৌচ-প্ৰস্ৰাৱাগাৰ।

নলবাৰী এখন মফচলীয় চহৰ। জিলাখনৰ সমস্ত প্ৰাণকেন্দ্ৰই হ'ল নলবাৰী চহৰখন। ফলত আন ঠাইৰ নহ'লেও জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা দৈনিক ইয়াত বহু সংখ্যক মানুহৰ সমাগম হয়। এই লোকসকলৰ ব্যক্তিগত প্ৰধান বাহন হ'ল মটৰ চাইকেল-স্কুটী বা দুচকীয়া তেনে বাহন। কিছু সংখ্যক চাৰিচকীয়া বাহনৰো সমাগম হয়। কিন্তু পথৰ পৰিসৰ বা ব্যৱসায়ীসকলৰ বিশৃংখল পৰিস্থিতিৰ বাবে মটৰ চাইকেল আৰোহী বা চাৰিচকীয়া বাহনৰ গৰাকীসকলে সামান্য বজাৰ কৰা বা আন উদ্দেশ্যত ৰ'ব লগা হ'লেই সমস্যা। বাহনখন ৰখাৰ বাবে ঠাই নাথাকে। চহৰখনত এনে অৱস্থাই ইতিমধ্যে কেতিয়াবাই ভয়াবহ ৰূপ ল'লে যদিও পৌৰসভাৰ এই পৰ্যন্ত চকু মেল নাখালে। এই পৰ্যন্ত এখন মটৰ চাইকেল নাইবা চাৰিচকীয়া বাহন ৰাখিবলৈ কোনো এটা নিৰ্দিষ্ট পাৰ্কিং ব্যৱস্থা নহ'ল। আছে মাথোন চহৰখনত খোজে প্ৰতি ন' পাৰ্কিং, ন' পাৰ্কিঙৰ প্ৰায় হেজাৰ-পাঁচশ ঘূৰণীয়া ব'ৰ্ডবোৰ। যাৰ ফলত বেংকক ধৰি আন অফিচিয়েল কামলৈ আহিলে কিমান দূৰৈত বাহনখন ৰাখিব লাগে তাৰ কোনো গেৰাণ্টী নাই। আৰু এই বাহনবোৰ ৰখোৱা ঠাইৰ পৰা অন্তৰ্ধান চুৰি হোৱাৰো অভিযোগ আহিছে। এইবাৰ যদিও ৱাৰ্ডৰ সংখ্যা বৃদ্ধি হৈ ১৭ টা হ'ল, ইয়াৰ পূৰ্বে মাত্ৰ ১২ টা ৱাৰ্ডৰে নলবাৰীখন আছিল এখন ক্ষুদ্ৰ চহৰ। কিন্তু এনে এখন ক্ষুদ্ৰ চহৰৰে সামান্য জাবৰ নিষ্কাসনৰ কামটোকে নলবাৰী পৌৰসভাই নিয়াৰিকৈ কৰিব নোৱাৰিলে।

বছৰৰ পাছত বছৰ ধৰি সাধাৰণ ৰাইজক জ্বলা-কলা খুৱাই থাকিল নলবাৰী চহৰৰ নলা ব্যৱস্থাই। বহু বছৰ ধৰি শুনি থাকিলো মাষ্টাৰপ্লেনৰ কথা। পিছে কাৰ্যতঃ একো হৈ নুঠিল। ফলত বাৰিষাৰ সময়ছোৱাত এজাক বৰষুণত চহৰখন ওপঙি থাকে জলজ এখন চহৰ হৈ। উপ-বাট-পথৰ কথা নকওঁ, মুখ্য ৰাস্তাবোৰৰ প্ৰায় ৮০ শতাংশ ডুব গৈ থাকে কৃত্ৰিম বানপানীত। এনে এক পৰিস্থিতিৰ মাজতে পুনৰ আহিল পৌৰসভা নিৰ্বাচন। পৰিৱেশৰ ফালৰ পৰা বিধানসভা নিৰ্বাচনৰ তুলনাত কোনোগুণেই কম নহয়। নাচ, গান, শোভাযাত্ৰা, সভা-সমিতি সকলো ফালৰ পৰা ৰজনজনাই থাকিল এইকেইটা দিন। কিন্তু নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীসকলে যি ধৰণে প্ৰতিযোগিতামূলক প্ৰচাৰ অভিযানত উঠিপৰি লাগে, তাৰ অৰ্ধভাগ হ'লেও পাছত কাম কৰা হ'লে নিশ্চয় এই বদনামত ভুগিব নালাগিলহেঁতেন যে চহৰ উন্নয়নত ব্যৰ্থ পৌৰসভা। আশা ৰাখিছো, আগন্তুক পৌৰসভাই এনে বদনাম আঁতৰাবলৈ সক্ষম হ'ব।

## পৌৰসভাই নিজা মৰ্যাদা ৰক্ষা কৰক

■ **কৃষ্ণা বৰকটকী,** গৃহিণী



**তেজপুৰ** এখন অসমৰ সৌন্দৰ্যৰে ভৰপূৰ সুন্দৰ ঠাই। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্মাৰ দৰে মহান শিল্পীৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছিলো আমি তেজপুৰবাসীয়ে। ১৯৫৬ত অসম পৌৰসভা আইন গঠন হৈছিল। তেজপুৰ পৌৰসভাও ৰাজ্যৰ এখন ঐতিহ্যমণ্ডিত পৌৰসভা, যাৰ স'তে সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁঞি বৰুৱাৰ নাম সংপৃক্ত হৈ আছে। প্ৰতিটো বস্তুৰে ভাল-বেয়া দুয়োটা দিশেই থাকে। তথাপিও বহু ক্ষেত্ৰতে কাম-কাজসমূহত হেমাহি হোৱা দেখা গৈছে। যিহেতু তেজপুৰ পৌৰসভাৰ মুঠ ১৯টা ৱাৰ্ডৰ ভিতৰত আমি তিনি নম্বৰ ৱাৰ্ডৰ বাসিন্দা। সেয়ে আমি সন্মুখীন হ'বলগীয়া সমস্যাসমূহৰ ভিতৰত বিশেষকৈ খোৱা পানীৰ সমস্যা। যিহেতু কিছু বাতৰি কাকতত কেইদিনমান আগতে প্ৰকাশ হোৱা দেখা পোৱা গৈছিল যে ভাৰত চৰকাৰে প্ৰতিঘৰ অসমবাসীয়ে বিশুদ্ধ খোৱা পানী লাভ কৰিবলৈ 'জল জীৱন অভিযানৰ' অধীনত অসমলৈ ৫,৬০১ কোটি টকাৰ অনুদান আগবঢ়াইছিল। তাৰে ভিতৰত তেজপুৰলৈ ২৭ কোটি টকা দিয়া বুলি জানিব পৰা গৈছে। কিন্তু এই আঁচনি ফলপ্ৰসূ হোৱা দেখা পোৱা যোৱা নাই। তেজপুৰৰ আৰু এটা সমস্যাজৰ্জৰ ভিতৰত হৈছে নলা-নৰ্দমাৰ সমস্যা। মাষ্টাৰ ড্ৰেইনসমূহ চাফ-চিকুণৰ অভাৱৰ বাবে সাধাৰণ ৰাইজে সমস্যাৰ সন্মুখীন হ'ব লগা হয়। তেনেক্ষেত্ৰত এই দূষিত পানীসমূহ নিশ্চিতভাৱে বাৰিষাতো বাদেই এজাক বৰষুণতে তেজপুৰৰ মানুহৰ ঘৰত সেই দুৰ্গন্ধময় বীজাণুযুক্ত পানী সোমোৱাই আৰু লগতে ৰাস্তাটো উঠা দেখা পোৱা যায়। উদাহৰণ স্বৰূপে তেজপুৰ চহৰৰ কেঁকোৰাপুলৰ ৰাস্তাত উঠা লেতেৰা পানী গচকি ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ অহা যোৱা কৰিবলগীয়া হয়। এখন চাফা চহৰ বুলি স্বীকৃতি লাভ কৰা তেজপুৰ চহৰলৈ যেতিয়া পৰ্যটকসকল আহে আৰু এনে অস্বাস্থ্যকৰ পৰিৱেশ দেখা পোৱাতো আমাৰ বাবে অত্যন্ত লজ্জাজনক আৰু দুখজনক। সমস্যাৰ ভিতৰত আৰু এটা সমস্যা আহি পৰে ৰাস্তাৰ কাষত থকা জৰাজীৰ্ণ ফুটপাথসমূহ। খোজকাঢ়ি যোৱা বাটৰুৱা বিশেষকৈ প্ৰাপ্তবয়স্ক নাগৰিক আৰু কণকণ শিশুৰ বাবে অত্যন্ত বিপজ্জনক। এনে ফুটপাটৰ বাবে সঘনাই দুৰ্ঘটনা হোৱাটো বাতৰি কাকতত প্ৰকাশ হৈ থাকে। তদুপৰি ভূতৰ ওপৰত দানহ পৰাদি একাংশ ব্যৱসায়ীয়ে ফুটপাট দখল কৰি আছে।

এই ব্যৱসায়ীসকলক উচ্ছেদ কৰি ফুটপাথ সুৰক্ষিত কৰাটো পৌৰসভাৰে দায়িত্ব নহয় জানো? এই ক্ষেত্ৰত কিন্তু এখন ওলোটা ছবিহে দেখা পোৱা যায়। তেজপুৰ পৌৰসভাৰ অন্তৰ্গত যিসমূহ হোলা- পিটনি আছে সেইসমূহ সুৰক্ষিত কৰাটো মোৰ দৃষ্টিত সকলোতকৈ গুৰুত্বপূৰ্ণ। যিহেতু এই হোলাসমূহ জৈৱ বৈচিত্ৰ্য, পক্ষীকুল আৰু মানুহৰ বাবে এক অৱদান। এই হোলাসমূহ যদি মুক্ত হৈ থাকে, তেনেহ'লে জনসাধাৰণে কৃত্ৰিম বানৰ সন্মুখীন হ'ব লগা নহ'ব। কিন্তু দেখা পোৱা গৈছে যে মনুষ্য জাতি নামৰ জীৱ শ্ৰেষ্ঠই হোলাসমূহ দখল কৰি বৃহৎ বৃহৎ অট্টালিকা সাজিছে। সেয়েহে আমাৰ অনুৰোধ, এই হোলা-পিটনিবোৰ মুকলি কৰিব লাগে আৰু বেদখলকাৰীৰ ওপৰত উচিত তদন্ত কৰিব লাগে। নহ'লে আমি ভুগি থকাতকৈও নৱপ্ৰজন্মই অধিক ভুগিব লগা হ'ব। আজিৰ সময়ত ৰাইজে হোলাসমূহক ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰি আছে। যিহেতু পৌৰসভাই বিভিন্ন অঞ্চলৰ জনসাধাৰণক আৱৰ্জনাসমূহ পেলাবলৈ উপযুক্ত ডাষ্টবিনৰ ব্যৱস্থা কৰি দিয়া দেখা পোৱা নাই। পূৰ্বতে ডাষ্টবিনসমূহ আছিল যদিও কেইমাহমান আগতে পৌৰসভাই উঠাই নিয়াৰ বাবে আজি এনে এটা বৃহৎ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে।

এই সমস্যাসমূহ দূৰ কৰিবলৈ আজি তেজপুৰ পৌৰসভা ১৯ টা ৱাৰ্ডত, ১৯জন প্ৰতিদ্বন্দ্বী জয়ী হ'ব। এইবাৰ তেজপুৰ পৌৰসভাত লেখত ল'বলগীয়া হিচাপে ৫৭জনে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। যিসকলে এই নিৰ্বাচনত নিৰ্বাচিত হ'ব, তেওঁলোকক আমাৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিলো আৰু ৰাইজৰ সমস্যাসমূহ গুৰুত্ব সহকাৰে লৈ সমাধান কৰিব বুলি আশা থাকিল। পদ্মনাথ গোহাঞি বৰুৱাৰ দৰে ব্যক্তিয়ে ১৯২৮ত তেজপুৰ পৌৰসভাৰ পৌৰপতিৰ আসন অলংকৃত কৰিছিল। সেয়েহে আমি নিজকে তেজপুৰবাসী বুলি ক'বলৈ গৌৰৱ অনুভৱ কৰো। গতিকে এতিয়া সেই মৰ্যাদা ৰক্ষা কৰাটোও পৌৰসভাৰে দায়িত্ব।



# খাদ্য যেতিয়া বিষ হয়

নয়ন কুমাৰ শৰ্মা

**অতি** সম্প্ৰতি এটা প্ৰশ্নই সকলোৰে মনত ভুমুকি মাৰে— আমি খাদ্য খাইছো নে খাদ্যৰ নামত বৰবিহ খাই আছো? এই প্ৰশ্নটো উত্থাপন হোৱাৰ লগে লগে বিভিন্নজনে ভিন্ন যুক্তি আগবঢ়ায়। ফাষ্ট ফুড, জাংকফুড আদি কিছুমানৰ মতে ভাল খাদ্য আৰু আন কিছুমানৰ মতে এয়া শৰীৰৰ বাবে তেনেই অপকাৰী উপাদান। এই বিষয়বোৰ কিছুমান অৱস্থা, পৰিৱেশ, জলবায়ুৰ ওপৰতো নিৰ্ভৰ কৰে। শীতপ্ৰধান দেশ এখনত সুৰা, বিয়েৰ আদি শৰীৰৰ প্ৰয়োজন মতে পান কৰে। পিছে একেই সুৰা, বিয়েৰ আকৌ গ্ৰীষ্মপ্ৰধান দেশ এখনৰ বা অঞ্চলৰ জনগণৰ বাবে অপকাৰী হ'ব পাৰে। তদুপৰি এইবোৰ খাদ্য আৰু পানীয় শাৰীৰিক অৱস্থাৰ ওপৰতো নিৰ্ভৰ কৰে।

যিকোনো খাদ্য সময়ত নাখাই অসময়ত গ্ৰহণ কৰিলেও সেয়া সময়ত বৰবিহ সদৃশ হৈ পৰে। আধুনিক কৰ্মব্যস্ত জীৱনত এগৰাকী ব্যক্তিয়ে সময়মতে উপযুক্ত খাদ্য গ্ৰহণ কৰিব পৰাটো একপ্ৰকাৰ প্ৰত্যাহ্বান। পুৱা উঠিয়েই গা ধুই নাকে-মুখে কেইটামান ভাত পেটত ভৰালেই সেয়া খাদ্য বুলি ক'ব নোৱাৰি। কাৰণ খাদ্য চোবোৱাৰ পৰা পেট পোৱালৈকে এক প্ৰক্ৰিয়াৰ প্ৰয়োজন। সময়ৰো প্ৰয়োজন সমানেই। কৰ্মব্যস্ততাক দোহাই দি যদি আমি এই সময়কণো খাদ্য গ্ৰহণৰ বাবে ব্যয় কৰিব নোৱাৰো তেতিয়াহ'লে খাদ্যখিনি বৰবিহ সদৃশ নহয় কি হ'ব? আজিকালি শিশু অৱস্থাৰ পৰাই খোৱাৰ সময়ত টিভি, ম'বাইলত ব্যস্ত থকা আদিয়েও পৰোক্ষভাৱে খাদ্যখিনিক বৰবিহ সদৃশ কৰে। কাৰণ ইয়াৰ পৰোক্ষ প্ৰভাৱে শৰীৰত ভাৰসাম্য ৰক্ষাত ব্যাঘাত জন্মায়। সুস্থ শৰীৰৰ বাবে শাৰীৰিক ভাৰসাম্য খুবেই গুৰুত্বপূৰ্ণ বিষয়।



প্ৰায়ভাগ লোকৰে মনত ভ্ৰান্ত ধাৰণা আছে যে দামী দামী খাদ্য মানেই শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদান থাকে। তেওঁলোকে কিন্তু এইটো উপলব্ধি কৰিব নোৱাৰে যে দোকানত আকৰ্ষণীয়কৈ সজাই থোৱা সকলোবোৰ খাদ্যতেই শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদান সমানেই নাথাকে। দামী খাদ্য হ'লেই যে সেয়া শৰীৰৰ বাবে বেছি উপকাৰী হ'ব এনে ভ্ৰান্ত ধাৰণাৰ পৰা মুক্ত হ'ব লাগিব। কাৰণ এনেধৰণৰ ভ্ৰান্ত ধাৰণাৰ ফলত সন্তানক তেনে খাদ্য বেছিকৈ খুওৱাৰ বাবে ইয়াৰ প্ৰত্যক্ষ-পৰোক্ষ প্ৰভাৱ পৰে। সন্তানৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই এনে ধাৰণা সলনি কৰিব লাগিব। শিশুটিৰ শাৰীৰিক-মানসিক বিকাশৰ ক্ষেত্ৰত খাদ্যৰ ভূমিকা অপৰিসীম। সেইবাবে শিশুটিৰ বিকাশৰ বাবে কেনেধৰণৰ খাদ্য খুৱাব লাগে সেয়া জনাটো অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। এনে ধৰণৰ সৰু সৰু কথাত সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত। কাৰণ পিতৃ-মাতৃ অথবা অভিভাৱকে যদি এইবোৰ কথাত গুৰুত্ব প্ৰদান নকৰে তেতিয়াহ'লে কোনোৱে ভৱিষ্যতে এটি সুন্দৰ বা ভাল স্বাস্থ্য কামনা কৰিব নোৱাৰে।

খাদ্যত বৰবিহ প্ৰসংগত এতিয়া খেতিত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰৰ পৰা আৰম্ভ কৰি কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰালৈ সকলো বিষয়ে অন্তৰ্ভুক্ত। কাৰণ খেতিত যেতিয়া ৰাসায়নিক সাৰ আদি ব্যৱহাৰ কৰা হয় তেতিয়া তাৰ প্ৰভাৱ নিশ্চয় খাদ্যৰ ওপৰত পৰিব। তদুপৰি শীতল ভঁৰালত ৰখা শাক-পাচলিৰ পৰা আৰম্ভ কৰি ফল মূল, আলু, আন খাদ্য যেতিয়া অৱতৰত উলিয়াই দিয়া হয় তেতিয়া যিমান তাপমাত্ৰাত এইবোৰ থাকিব লাগে তাতকৈ বেছি হ'লে খাদ্যৰ গুণাগুণ নোহোৱা হয়। ফ্ৰীজ আদিত থোৱা খাদ্য যদি বেছিকৈ খায় তেতিয়া সেইবোৰো বিহ সদৃশেই হয়গৈ। কাৰণ সতেজ বস্তু বা খাদ্য যেতিয়া নষ্ট নহ'বলৈ ফ্ৰীজ আদিত ৰাখে। ফ্ৰীজত খাদ্যবস্তু ভালে ৰাখিবলৈ যিমান তাপমাত্ৰাৰ প্ৰয়োজন সেয়া বস্তুটো উলিয়াই অনাৰ পাছত পাৰ্থক্য থাকি যায়। এনে ক্ষেত্ৰত খাদ্যবিধ বৰবিহ সদৃশ হৈ পৰে।

ফোন : ৯৮৬৪০-৮৪৯৬৯


## ফাষ্টফুডৰ বাবে মেদবহুলতাই গা কৰি উঠাৰ আশংকা থাকে

সাধাৰণতে নিয়মীয়াভাৱে প্ৰচুৰ পৰিমাণে ফাষ্টফুড গ্ৰহণৰ ফলত শৰীৰৰ ওজন অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰে। ইয়াৰ মূলতে হ'ল প্ৰয়োজনতকৈ অধিক পৰিমাণে শৰীৰত চৰ্বি জমা হোৱা। যিমানেই ফাষ্টফুড আদি বেছিকৈ খায় সিমানেই এনে শংকা বৃদ্ধি পায়। সহজ ভাষাত ক'বলৈ হ'লে মেদ বহুলতাৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে। উন্নত দেশৰ লগতে অনুন্নত দেশসমূহতো একেই ধৰণৰ সমস্যা গা কৰি উঠিছে। শেহতীয়াভাৱে প্ৰকাশিত তথ্য অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰত মেদবহুল লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। দেশখনৰ অৰ্ধেক শিশু মেদবহুল। বিভিন্ন ধৰণৰ গৱেষণাৰ সময়ত শিশুসকলে গ্ৰহণ কৰা খাদ্য সম্পৰ্কে অধ্যয়ন চলোৱাত এই কথা স্পষ্ট হৈ পৰে যে শিশুসকলৰ শৰীৰত চৰ্বি জমা হোৱা অন্যতম কাৰণ ফাষ্টফুড। ডায়েবেটিছত আক্ৰান্ত হওক অথবা এই ৰোগত আক্ৰান্ত নহ'লেও এনেধৰণৰ সমস্যাই গা কৰি উঠে। আমেৰিকাৰ লোকসকলে দৈনিক যি খাদ্য গ্ৰহণ কৰে সেইবোৰৰ পৰা ৪২ শতাংশ কেল'ৰি লাভ কৰে। বডী মাস্ক ইনডেক্স যদি বৃদ্ধি পাই তেতিয়া শৰীৰত চৰ্বি জমা হোৱাৰ বিষয়ে নিশ্চিত হ'ব পাৰে।

**কেলৰিৰ পৰিমাণ বেছি থাকে**

ফাষ্টফুডৰ পৰা কেলৰি প্ৰচুৰ পৰিমাণ পোৱা যায়। কিয়নো এনেধৰণৰ খাদ্যত চৰ্বি বেছিকৈ থাকে। তদুপৰি শৰ্কৰাৰ পৰিমাণ বেছি থাকে। ইয়াৰ বিপৰীতে ফাইবাৰৰ পৰিমাণ কম থাকে। এনেবোৰ কাৰণতে কেলৰি বেছি পৰিমাণে পোৱা যায়। যদিহে কেলৰি গ্ৰহণ কৰাৰ পাছত যদি কায়িক শ্ৰম নকৰে তেতিয়াহ'লে শৰীৰত অতিৰিক্ত চৰ্বি জমা হ'ব। সেইবাবে এনেধৰণৰ খাদ্য বেছি পৰিমাণে গ্ৰহণ নকৰাটোৱে মংগলজনক।

## ভাইৰেল জ্বৰত এণ্টিবায়'টিকৰ ভূমিকা



ভাইৰেল জ্বৰ হোৱাৰ লগে লগে প্ৰায়ভাগ লোকে ফাৰ্মাচীলৈ গৈ এণ্টিবায়'টিক কিনি আনি খায়। দৰাচলতে এনে ধৰণৰ মানসিকতাই জ্বৰ ভাল নকৰে, বৰঞ্চ ৰোগৰ পৰা আন বহুতো আনুষংগিক সমস্যাইহে গা কৰি উঠে। এনে সমস্যাৰ চিকাৰ হ'লে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ কেতিয়াও ঔষধ ক্ৰয় কৰিব নালাগে। এই ৰোগে শৰীৰটো যিমানে দুৰ্বল কৰি তোলে, তাতোকৈ দুৰ্বল কৰে ব্যৱহাৰ কৰা ঔষধসমূহে। যদিহে ছেকেণ্ডাৰী ইনফেকছন নহয় তেতিয়াহ'লে ভাইৰেল জ্বৰত এণ্টিবায়'টিকৰ কোনো বিশেষ ভূমিকা নাই। বহুতৰে মনত এটি ভ্ৰান্ত ধাৰণা আছে যে জ্বৰ উঠিলে এণ্টিবায়'টিক খালে সহজতে উপশম লাভ কৰিব পাৰি। দৰাচলতে যেতিয়ালৈকে শৰীৰত ৰোগ প্ৰতিৰোধ ক্ষমতাৰ সৃষ্টি নহয় তেতিয়ালৈকে এনে জ্বৰৰ পৰা সহজতে উপশম লাভ কৰিব নোৱাৰি। সেয়েহে চিকিৎসা বিজ্ঞানত ভাইৰেল জ্বৰৰ চিকিৎসাৰ বিষয়ে এনেদৰে বৰ্ণনা কৰিছে, 'ভাইৰেল জ্বৰৰ চিকিৎসা কৰিলে সাতদিনত উপশম লাভ কৰিব পাৰি আৰু চিকিৎসা নকৰিলে এসপ্তাহত ভাল হয়।' এই কথাৰ পৰাই জ্বৰৰ প্ৰকৃতিৰ বিষয়ে বুজিব পাৰি। যদিহে ৰোগীৰ ছেকেণ্ডাৰী ইনফেকছন হৈছে তেতিয়াহ'লে এণ্টিবায়'টিকৰ ভূমিকা নথকা বুলি ক'ব নোৱাৰি। প্ৰায়ভাগ চিকিৎসকে আজিকালি ভাইৰেল জ্বৰতো সোপাসোপে এণ্টিবায়'টিক খাবলৈ পৰামৰ্শ দিয়ে। আনকি সাধাৰণ পানী লগাতো শিশুক এণ্টিবায়'টিক খাবলৈ দিয়ে। এনে ধৰণৰ মানসিকতাই ৰোগীৰ



জীৱন বিপন্ন কৰি তুলিছে। ভাইৰেল জ্বৰ হ'ল 'ছেলফ লিমিটেড ডিজিজ'। অৰ্থাৎ এই ৰোগৰ চিকিৎসাৰ স'তে শৰীৰৰ ৰোগ প্ৰতিৰোধী ক্ষমতা জড়িত হৈ আছে। ভাইৰাছে আক্ৰমণ কৰাৰ সাতদিনৰ পাছত আপোনা আপুনি শৰীৰৰ উত্তাপ কমিবলৈ ধৰে। এই জ্বৰ নিজে নিজে হয় আৰু নিজে নিজে উপশম ঘটে। ভাইৰাছৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি উঠিবলৈ ছয়-সাত দিনৰ প্ৰয়োজন। যদিহে বেক্টেৰিয়াৰ সংক্ৰমণৰ ফলত জ্বৰ উঠিছে এণ্টিবায়'টিক খাবই লাগিব। যেতিয়া চিকিৎসকগৰাকীয়ে নিশ্চিত হয় যে জ্বৰৰ কাৰণ বেক্টেৰীয়া তেতিয়াহে এণ্টিবায়'টিক খাবলৈ দিয়ে। জ্বৰ উঠিলেই যে সংক্ৰমণ হ'ব সেই বিষয়ে নিশ্চয়কৈ ক'ব নোৱাৰি। যিসকলে নিয়মীয়াকৈ এণ্টিবায়'টিক খায় তেওঁলোকৰ পেটৰ অসুখ হোৱাৰ উপৰি গেছ বৃদ্ধি পাব পাৰে। এলাৰ্জিৰ সমস্যায়ো দেখা দিয়ে। আনকি ব্যক্তিগৰাকীৰ বৃক্কতো আক্ৰমণ কৰাৰ আশংকা নুই কৰিব নোৱাৰি। চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ কোনো ৰোগীয়ে নিজে ইচ্ছা মতে, ফাৰ্মাচীৰ পৰা ঔষধ কিনি আনি খোৱাটো অনুচিত।

## চকুৰ পৰা কিয় পানী ওলাই থাকে



ডেক্ৰায়োটাইটিছ হ'ল জন্মতে নেত্ৰ নলীডাল বন্ধ হৈ থকা ৰোগ। এইদৰে বন্ধ হৈ থকাৰ ফলত এটি বা দুয়োটা চকুৰ পৰা অনবৰতে পানী ওলায়। এনে ৰোগৰ পৰা উপশম লাভ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হয়। এনেদৰে কিছুদিন মালিচ কৰাৰ পাছত নেত্ৰ নলীডাল খোলা যায় যদিও কিছুমানৰ বন্ধ হৈয়ে থাকে। এই ক্ষেত্ৰত মাইনৰ অপাৰেচনৰ প্ৰয়োজন। যিহেতু শিশুটিয়ে বয়সিয়াল লোকৰ নিচিনাকৈ বহি থাকিব নোৱাৰে আৰু হাত-ভৰি আদি লৰচৰ কৰি থাকে, সেইবাবে সাধাৰণ অস্ত্ৰোপচাৰ সময়তো এনাস্থেছিয়া ব্যৱহাৰ কৰিবলগীয়া হয়। যিসকল শিশুৰ এনে অস্ত্ৰোপচাৰৰ প্ৰয়োজন, এই ক্ষেত্ৰত পলম কৰিব নালাগে। যিমান সোনকালে অস্ত্ৰোপচাৰ কৰা হয় সিমান সোনকালেই আৰোগ্য লাভ কৰিব পাৰে। পলম হ'লে সফলতাৰ হাৰ কম হ'ব। কিন্তু এই ক্ষেত্ৰত দেখা যায় পিতৃ-মাতৃয়ে শংকিত হৈ শিশুটিৰ অস্ত্ৰোপচাৰ কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰে। এনেদৰে শংকিত হোৱাৰ কোনো কাৰণ নাই। বহুতে বয়স হ'লে অস্ত্ৰোপচাৰ কৰিব বুলি কয়। দৰাচলতে এনে মানসিকতাৰ পৰিৱৰ্তন নহ'লে শিশুটিয়ে ভৱিষ্যতে দৃষ্টিশক্তি হেৰুওৱাৰহে আশংকা বৃদ্ধি পায়। সাধাৰণতে কনজেনিটেল ডেক্ৰায়োটাইটিছৰ স'তে প্ৰায়ভাগ লোকে অপৰিচিত। ফলত চকুৰ পৰা পানী ওলোৱাৰ সমস্যা আপোনা-আপুনি উপশম হ'ব বুলি ভাবে।


শিশুৰ চকুপানী অনবৰতে ওলাই থকাৰ আন এক কাৰণ হ'ল ৰেটিনো ব্লাষ্টোমা। ৰেটিনো ব্লাষ্টোমা হ'ল এক ধৰণৰ চকুৰ কেন্সাৰ। এনে ৰোগ শিশুৰহে হোৱা দেখা যায়। সহজ অৰ্থত ইয়াক শৈশৱকালীন কেন্সাৰ বুলি ক'ব পাৰি। ভাৰতত প্ৰতি ১৫০০ শিশুৰ ভিতৰত এজন আক্ৰান্ত হয় ৰেটিনো ব্লাষ্টোমাত। সাধৰণতে ৫০ শতাংশ শিশুৰ ক্ষেত্ৰত তিনি বছৰ আৰু ৯৫ শতাংশৰ ক্ষেত্ৰত পাঁচ বছৰৰ ভিতৰ ভাগত আলোক সংবেদী স্তৰ হিচাপে পৰিচিত ৰেটিনাৰ পৰা ৰেটিনো ব্লাষ্টোমা টিউমাৰ বৃদ্ধি হয়। এই টিউমাৰ যিমানেই বৃদ্ধি হৈ থাকে সিমানেই চকুৰ স্বভাৱিক গঠন ধ্বংসপ্ৰাপ্ত হয়। যদিহে সোনকালে চিকিৎসা কৰা নহয় তেতিয়াহ'লে কেন্সাৰ বা কৰ্কটৰ কোষ বৃদ্ধি হৈ চকুৰ পৰা শৰীৰৰ আন অংশলৈ বিয়পিব পাৰে। সেয়েহে যিমান সোনকালে চিকিৎসা কৰা হয় সিমানেই আৰোগ্য লাভৰ হাৰ ঊৰ্দ্ধমুখী হয়। পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ আন সদস্যসকলে এনে বিষয়ত গুৰুত্ব নিদিয়াকৈ থাকিব নালাগে। মানুহৰ ১৩ নম্বৰ ক্ৰোমোজমতে থকা আৰ বি জিনবিধে শৰীৰক কেন্সাৰৰ কোষৰ পৰা ৰক্ষা কৰে। শৰীৰত এযোৰ এনে জিন থাকে। কেন্সাৰ সেইবোৰ কোষতেই আৰম্ভ হয় য'ত দুয়োটা জিনেই ক্ষতিগ্ৰস্ত হয়। যিবোৰ শিশুৰ মাত্ৰ এটি অস্বাভাৱিক কোষ আছে তেওঁৰ এটি চকুত টিউমাৰৰ সৃষ্টি হয়। আনহাতে, শৰীৰৰ সকলোবোৰ কোষৰ ভিতৰত যেতিয়া এটি অস্বাভাৱিক জিন থাকে তেতিয়া দুয়োটা চকুতে ৰেটিনো ব্লাষ্টোমা অথবা এটি চকুত একাধিক টিউমাৰ হোৱা পৰিলক্ষিত হয়। সচৰাচৰ ৭৫ শতাংশৰ ক্ষেত্ৰত দুয়োটা চকুতে এনে ৰোগ হোৱাৰ আশংকা থাকে। ১০ শতাংশৰ ক্ষেত্ৰত এনে ৰোগ হোৱাৰ আঁৰত থাকে বংশগত প্ৰভাৱ। পৰিয়ালৰ কোনো এগৰাকী সদস্যৰ এনে ৰোগ থকিলে সাধাৰণতে শিশুৰ দুয়োটা চকুতে এনে ৰোগ হোৱা দেখা যায়। ৯০ শতাংশ আক্ৰান্তৰ ক্ষেত্ৰত এনে অসুখ হোৱাৰ আঁৰত কোনো পাৰিবাৰিক ইতিহাস বিচাৰি পোৱা নাযায়। শিশুটিৰ ৰেটিনো ব্লাষ্টোম হোৱাৰ বিষয় প্ৰথমে পিতৃ-মাতৃয়ে লক্ষ্য কৰিব পাৰে। এনে ৰোগত আক্ৰান্ত শিশুৰ ক'লা অংশত পোহৰ পৰিলে অথবা আন্ধাৰতো জ্বলি থাকে। এনে হ'লে চিকিৎসা বিজ্ঞানৰ পৰিভাষাত কোৱা হয় 'কেটই আই ৰিফ্লেক্স'।

## চাইনিজ ফুড ছিণ্ড্ৰ'ম মানে কি



যেতিয়া কোনো এজন লোকে নিয়মীয়াকৈ ফাষ্টফুড আদি বেছিকৈ খায় তেতিয়া যিবোৰ সমস্যাই গা কৰি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল চাইনিজ ফুড ছিণ্ড্ৰ'ম। সম্প্ৰতি চাইনিজ ফুড ছিণ্ড্ৰ'ম প্ৰায়ভাগ লোকৰে শংকাৰ কাৰণ হৈ পৰিছে। কিয়নো শিশুৰ পৰা আৰম্ভ কৰি বয়স্কলোকলৈকে প্ৰায়ভাগে এনেধৰণৰ খাদ্যৰ প্ৰতি আসক্ত হ'বলৈ ধৰিছে। যিসকলে এনে ধৰণৰ খাদ্য প্ৰচুৰ পৰিমাণে গ্ৰহণ কৰে তেওঁলোকৰ বিভিন্ন সমাস্যাই গা কৰি উঠিলে সেইবোৰক সমষ্টিগতভাৱে 'চাইনিজ ফুড ছিণ্ড্ৰ'ম বুলি কয়। যেতিয়া ফাষ্টফুড আদি খোৱাৰ পাছত মূৰৰ বিষ আৰম্ভ হ'বলৈ হয় অথবা মূৰ ঘূৰাবলৈ আৰম্ভ কৰে তেতিয়া সেয়া চাইনিজ ফুড ছিণ্ড্ৰ'মৰূপে গা কৰি উঠাৰ আশংকাই বেছি। সাধাৰণতে এনে খাদ্যৰ প্ৰতি অধিক সংবেদীসকলৰহে এনে ধৰণৰ সমস্যাই গা কৰি উঠা দেখা যায়। কিছুমানৰ এলাৰ্জিৰ সমস্যা প্ৰকট হৈ উঠে। গা খজুৱতিৰ পৰা আৰম্ভ কৰি চকলা চকল হোৱা আদি হ'ল এলাৰ্জিৰ ৰূপ। ছালখনত ৰঙা ৰঙা সৰু গুটি উঠে। অৱশ্যে এনেধৰণৰ সমস্যাৰ বাবে প্ৰধানকৈ ৰন্ধাৰ সময়ত ব্যৱহাৰ কৰা তেলখিনিকে খলনায়কৰ ৰূপত স্থাপন কৰিব পাৰি। তদুপৰি ইয়াত ব্যৱহাৰ কৰা 'চচ' আদিও এলাৰ্জিৰ অন্যতম কাৰণ। চচ আদি সংৰক্ষণৰ বাবে যিবোৰ ৰাসায়নিক ব্যৱহাৰ কৰে সেইবোৰ যদি উপযুক্ত পৰিমাণে ব্যৱহাৰ কৰা নহয় তেন্তে পৰৱৰ্তী সময়ত বিপদ ঘনীভূত কৰিব পাৰে। যেতিয়া চচ আদিত থকা উপাদান স্নায়ুৰ ওপৰত প্ৰভাৱ পেলায় তেতিয়া নিউৰো ট্ৰেন্সমিটাৰৰ সমস্যাই গা কৰি উঠে। ফাষ্টফুড আদিত ছ'ডিয়াম গ্লুটামেট ব্যৱহাৰ কৰা হয়। এইবিধ উপাদান ব্যৱহাৰ কৰা হয় খাদ্যখিনি অধিক সোৱাদযুক্ত কৰিবলৈ। এনে ধৰণৰ উপাদান ব্যৱহাৰ কৰাৰ ফলত গেষ্ট্ৰাইটিছৰ সমস্যা গা কৰি উঠে। ফলত পেট ফুলি থকা, ভোক নলগা, দিনটোৰ অধিকাংশ সময় অস্বস্তিৰে অতিবাহিত কৰিবলগীয়া হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে ছ'দিয়াম গ্লুটামেটে এচিডৰ উত্তেজক ৰূপে কাম কৰে। ফলত পাকস্থলীৰ বেৰৰ ক্ষতি সাধন কৰাৰ শংকা থাকে। আনকি পেটৰ ভিতৰত ঘা আদিৰো সৃষ্টি কৰিব পাৰে। সেইবাবে এনেধৰণৰ খাদ্য কম পৰিমাণে গ্ৰহণ কৰাটোৱে মংগলজনক।

## অপ্টিক নাৰ্ভৰ অসুখ



অপ্টিক এট্ৰ'ফি ৰোগ হোৱাৰ আঁৰত থাকে এক বিশেষ ধৰণৰ জিনগত বিশৃংখলা বা জিন ডিছঅৰ্ডাৰ। এনে সমস্যাৰ বাবে অপ্টিক স্নায়ুৰ ক্ষতি হয়। এনে ধৰণৰ ৰোগৰ পৰা সৃষ্টি হোৱা সমস্যা কোষৰ মাইটোকনড্ৰিয়াত সংঘটিত হৈ থাকে। এইখিনিতে উল্লেখ কৰা ভাল যে এটি ফাৰ্টিলাইজিড এমব্ৰোপ বা তাৰ প্ৰয়োজনীয় মাইটোকনড্ৰিয়া সংগ্ৰহ কৰে ডিম্বাণুৰ পৰা, শুক্ৰাণুৰ পৰা নহয়। সেয়েহে এগৰাকী এই ৰোগত আক্ৰান্তত মহিলাৰ পৰা শিশুটিলৈকে সহজতে আহিব পাৰে বংশগত বিশৃংখলা। মাতৃৰ শৰীৰৰ পৰা শিশুটিলৈ বিয়পিলেও এইক্ষেত্ৰত পিতৃৰ কোনো ভূমিকা নাই। কাৰণ আগতে উল্লেখ কৰা হৈছে যে নিৰ্দিষ্ট ভ্ৰূণটিয়ে শুক্ৰাণুৰ পৰা মাইটোকনড্ৰিয়া গ্ৰহণ নকৰে। জিনগত বশংগতিৰ বাবে এনে ৰোগ হোৱাৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰিব নোৱাৰিলে ভৱিষ্যতে এনে ৰোগীৰ সংখ্যা বৃদ্ধি হ'ব।

## স্পণ্ডিলাইটিছৰ লক্ষণসমূহ

**স্পণ্ডিলাইটিছত** আক্ৰান্ত হোৱাৰ বিষয়ে কিছুমান লক্ষণৰ ওপৰত ভিত্তি কৰি নিশ্চিত হ'ব পাৰি। এনে ধৰণৰ সমস্যাই গা কৰি উঠিলে সাধাৰণতে যিবোৰ লক্ষণ ফুটি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল—

- স্পণ্ডিলাইটিছ হ'লে আক্ৰান্ত লোকজনৰ প্ৰথমে ডিঙিৰ বিষ হ'বলৈ ধৰে। আক্ৰান্তজনৰ যেতিয়া ডিঙিৰ বিষ হয় তেতিয়া তেওঁ ইকাটি-সিকাটি কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়।
- এই ৰোগত আক্ৰান্তজনে ডিঙিটো ইকাটি-সিকাটি কৰিলেই বিষ অনুভৱ কৰিবলৈ ধৰে। সাধাৰণতে স্পণ্ডিলাইটিছত আক্ৰান্তজনে পাছফালে চাবলগীয়া হ'লে অসুবিধা অনুভৱ কৰে বাবে মানুহজনে সম্পূৰ্ণৰূপে ঘূৰিবলগীয়া হয়। কিবা কাৰণত ইকাটি-সিকাটি কৰিলে ডিঙিৰ হাড় ছিঙি যোৱাৰ নিচিনা অনুভৱ হয়।
- বিষৰ লগে লগে ডিঙিৰ মাংসপেশী টানি ধৰিবলৈ আৰম্ভ কৰে। মাংসপেশী টানি ধৰিলে অস্বস্তিৰে সময় অতিবাহিত কৰিবলগীয়া হয়।
- সাধাৰণতে আক্ৰান্তজনৰ ডিঙিৰ পৰা বিষ হাতলৈ বিয়পি পৰে। সেইবাবে হাত বিষাবলৈ ধৰে আৰু জিন্ জিন্ কৰে। আনকি হাতৰ স্নায়ু দুৰ্বল হ'ব পাৰে।
- স্পণ্ডিলাইটিছৰ আন এক লক্ষণ হ'ল আক্ৰান্ত লোকজনৰ সততে মূৰ ঘূৰণি হ'বলৈ ধৰে। যিমানেই বেছি সময় ৰোগবিধ হৈ থাকে সিমানে মূৰ ঘূৰণি জটিল হোৱা দেখা যায়।
- যিকোনো সময়তে ডিঙিৰ লগতে পিছফালেও বিষাবলৈ আৰম্ভ কৰাটো আন এক লক্ষণ হিচাপে গণ্য কৰা হয়। যদিহে আক্ৰান্ত লোকজনে চিকিৎসকৰ পৰামৰ্শ সোনকালে গ্ৰহণ নকৰে তেতিয়াহ'লে সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰো আশংকা নুই কৰিব নোৱাৰি।
- যেতিয়া স্পণ্ডিলাইটিছ হয় তেতিয়া আনকি কাহ বা হাঁচি মাৰিলেও ডিঙি বিষাবলৈ আৰম্ভ হয়। সেইবাবে স্পণ্ডিলাইটিছ হ'লে আক্ৰান্ত লোকজনে কাহ বা হাঁচি মাৰিবলৈও ভয় কৰে।
- সাধাৰণতে এনে ৰোগৰ জটিলতা বৃদ্ধি পোৱাৰ লগে লগে হাতৰ লগতে ভৰিও দুৰ্বল হোৱাৰ আশংকা ফুটি উঠে। যিমানেই সময়ৰ ব্যৱধান বৃদ্ধি পায় সিমানেই ইয়াৰ জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে।
- যেতিয়া স্পণ্ডিলাইটিছে জটিল ৰূপ ধাৰণ কৰে তেতিয়া আক্ৰান্তজনৰ শৌচ-প্ৰস্ৰাৱো নিয়মীয়াকৈ নহ'ব পাৰে।

**স্পণ্ডিলাইটিছ প্ৰতিৰোধ কৰিবলৈ কেনেধৰণৰ সাৱধানতা অৱলম্বন কৰিব**

- শাৰীৰিক পৰিশ্ৰমৰ দ্বাৰা শৰীৰটো সুস্থ কৰি ৰাখিব পাৰি। সকলোৱে সুস্থ শৰীৰৰ বাবে শাৰীৰিক পৰিশ্ৰম কৰিবই লাগিব। আধুনিক জীৱন-যাপনৰ নামত আজিকালি বহুতে কাম কৰে যদিও সেই কামত শাৰীৰিক শ্ৰম কম হয়। শীত-তাপ নিয়ন্ত্ৰিত কোঠাত অথবা লিখা-পঢ়া কামতেই ব্যস্ত থাকে বাবে এনে ৰোগত আক্ৰান্তৰ সংখ্যা দিনক দিনে অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। শাৰীৰিক শ্ৰম অবিহনে স্পণ্ডিলাইটিছৰ পৰা উপশম লাভ কৰাটো অসম্ভৱ।
- ডিঙিৰ মাংসপেশী শক্তিশালী কৰিবলৈ নিয়মীয়াকৈ ব্যায়াম কৰিব লাগিব। ডিঙিৰ মাংসপেশী শক্তিশালী নহ'লে শাৰীৰিক ভাৰসাম্যহীন অৱস্থাৰ সৃষ্টি হয়। এইক্ষেত্ৰত কেনেধৰণৰ ব্যায়াম কৰিব লাগে সেই বিষয়ে বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। কাৰণ কিছু কিছু ক্ষেত্ৰত দেখা যায় যে উপযুক্তভাৱে কামটো নকৰাৰ ফলত হিতে বিপৰীত হ'ব পাৰে।
- সদায় এটা কাম কৰি থাকোতে একেদৰে বহি অথবা থিয় হৈ বা হালি কৰিব নালাগে। সময়ে সময়ে অৱস্থানৰ পৰিৱৰ্তন কৰিলেও এনে ধৰণৰ সমস্যাৰ পৰা বহুলাংশে হাত সাৰিব পাৰি। নিৰ্দিষ্ট সময়ৰ ব্যৱধানত কামৰ পৰা পাঁচ-দহ মিনিট সময় হ'লেও জিৰণি লোৱাটো গুৰুত্বপূৰ্ণ।
- নিয়মীয়াকৈ ডিঙিৰ ব্যায়াম কৰিলেও এনে সমস্যাৰ পৰা হাত সৰাটো সম্ভৱ।
- আজিকালি প্ৰায়ভাগ লোকে কামৰ চাপৰ বাবে দীৰ্ঘসময় একেলেথাৰিয়ে কাৰ্য সম্পাদন কৰিবলগীয়া হয়। কিন্তু এই কাম কৰাৰ সময়ত কোনোৱে ভাবি নাচায় যে বেছি সময় কাম কৰাৰ ফলত মাংসপেশীসমূহ জঠৰ হৈ পৰিব পাৰে। যিকোনো কাম দীৰ্ঘ সময় কৰি থাকিলে মাংসপেশীবোৰ জঠৰ হৈ পৰে। সেইবাবে এক নিৰ্দিষ্ট সময়ৰ অন্তৰালত জিৰণি ল'লে স্পণ্ডিলাইটিছ হোৱাৰ শংকা নাথাকে।
- যিবোৰ ৰোগৰ বাবে এনে ধৰণৰ সমস্যাই গা কৰি উঠাৰ শংকা থাকে তেনে ৰোগৰ চিকিৎসা কৰিলে স্পণ্ডিলাইটিছৰ পৰা হাত সৰাটো সম্ভৱ।
- সদায় পুষ্টিকৰ খাদ্য গ্ৰহণ কৰিব লাগে। মনত ৰখা উচিত যে পুষ্টিহীনতাৰ বাবে স্পণ্ডিলাইটিছ হোৱাৰ শংকা থাকে। সেইবাবে পুষ্টিকৰ আহাৰ গ্ৰহণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা উচিত।
- ব্যায়াম কৰাৰ পূৰ্বে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। কিয়নো যিকোনো ব্যায়াম কৰিলে এনে সমস্যাৰ পৰা হাত সাৰিব নোৱাৰি। নিৰ্দিষ্ট কেইটামান ব্যায়াম কৰিলেহে স্পণ্ডিলাইটিছৰ পৰা হাত সৰাটো সম্ভৱ।
- মালিচ দিব নালাগে।



বহুতে গাৰ বিষ হ'লে অথবা ডিঙিৰ বিষ হ'লে মালিচ কৰে। আনকি বহু সময় ধৰি মালিচ কৰি ৰোগৰ পৰা উপশম লাভ কৰিবলৈ চেষ্টা চলায়, কিন্তু এনে কৰিলে হিতে বিপৰীত হ'ব। কেতিয়াও মালিচ কৰিব নালাগে।

- শোৱাৰ সময়ত ওখ গাৰু ব্যৱহাৰ নকৰিব। পৰাপক্ষত কোনো ধৰণৰ ওখ বস্তু ব্যৱহাৰ নকৰাটোৱে মঙ্গলজনক। যিসকলৰ লাম্বাৰ স্পণ্ডিলাইটিছ আছে তেওঁলোকে কঁকালত চাপ পৰা বেছি বস্তু দাঙিব নালাগে।
- ফিজিঅ'থেৰাপি কৰিও এনে ধৰণৰ সমস্যাৰ পৰা হাত সৰাতো সম্ভৱ।
- স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰা বেগটোৰ ওজন যাতে শিশুটিয়ে বহন কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

কলিয়াবৰৰ ৰাজপথেৰে পুৱতি নিশা সৰবৰাহ চোৰাং কাঠ

# কাৰ্বি পাহাৰত চোৰাং কাঠ কাৰবাৰীৰ আড্ডা

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৫ মাৰ্চ ঃ** ন্যায়ালয়ৰ নিষেধাজ্ঞা, বনবিভাগ, আৰক্ষীৰ পহৰাৰ মাজতে এফালৰ পৰা টকলা হৈছে কাৰ্বিপাহাৰ। চোৰাং কাঠ কাৰবাৰীৰ আড্ডাস্থলীলৈ পৰ্যবসিত ঘটিছে পাহাৰাঞ্চল। নিতৌ পুৱতি নিশা কাৰ্বিপাহাৰৰ পৰা আহি কলিয়াবৰৰ ৰাজপথ, গ্ৰাম্যপথেৰে ট্ৰাকে ট্ৰাকে সৰবৰাহ হৈছে চোৰাং কাঠভৰ্তি গাড়ী। কিন্তু ইমানৰ পাছতো মৌন হৈ ৰহস্যজনকভাৱে বনাঞ্চল ধ্বংসত হাত উজান দিছে কাৰ্বি আংলঙৰ লগতে কলিয়াবৰৰ বন বিভাগ-আৰক্ষীয়ে। ৰাজহুৱা অভিযোগৰ পাছতো আজি পৰ্যন্ত কৰ্ণপাত হোৱা নাই এইসমূহ বিভাগৰ বৰমুৰীয়া তথা বিষয়া-কৰ্মচাৰীৰ। ইয়াৰ মাজতে হঠাৎ ৰাজহুৱা অভিযোগৰ ভিত্তিতে বন বিভাগে কলিয়াবৰৰ কুঠৰীৰ ন-জানত কালি পুৱতি নিশা জব্দ কৰে কাৰ্বি আংলঙৰ পৰা সৰবৰাহ হোৱা এখন চোৰাং কাঠভৰ্তি ট্ৰাক। এই অঞ্চলৰে দীৰ্ঘদিনে অব্যাহত আছে কাঠৰ চোৰাং সৰবৰাহ। পুৱতি নিশা বন বিভাগে অভিযান চলাই কুঠৰীৰ দাঁতিকাষৰীয়া ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত জব্দ কৰে এ-এছ-০৬-এ-ছি-৩১৮৫ নম্বৰৰ কাঠভৰ্তি ট্ৰাকখন। কাৰ্বি আংলঙৰ ৰংবংৰেৰ পৰা চোৰাং কাঠখিনি জখলাবন্ধাৰ অভিমুখে সৰবৰাহ কৰাৰ সময়তে বন বিভাগে জব্দ কৰে। বন বিভাগে কাঠখিনি জব্দ কৰিছে যদিও ৰহস্যজনকভাৱে পূৰ্বৰ সময়ৰ দৰেই পলায়ন কৰিছে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেন। উল্লেখ্য যে কোনো বৈধ নথিপত্ৰ নোহোৱাকৈ কাঠৰ সৰবৰাহ অব্যাহত আছে কাৰ্বি আংলঙৰ ৰংবংৰে আৰু ৰঙাগৰা আদি অঞ্চলৰ পৰা ৰাজ্যৰ অন্যপ্ৰান্তলৈ। ইফালে, কলিয়াবৰৰ জখলাবন্ধা হাস্পতাল চাৰিআলিৰ পৰা কুঁৱৰীটোল চাৰিআলি-শান্তিপুৰ, নলতলি সংযোগী গ্ৰাম্য পথেৰে দৈনিকে পুৱতি নিশা গাড়ীয়ে গাড়ীয়ে চোৰাং কাঠ সৰবৰাহ হৈ আহিছে যদিও ৰাজহুৱা অভিযোগৰ পাছতো ৰহস্যজনক মৌনতা অৱলম্বন কৰিছে সংশ্লিষ্ট বিভাগে।

■ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ষ্ট্ৰংৰুম স্থাপন ■

# বৰপেটাৰ পাঁচ পৌৰসভাৰ বাবে ৬৫০ বিষয়া-কৰ্মচাৰী ৰাওনা

বিশেষ সংবাদদাতা

**বৰপেটা, ৫ মাৰ্চ ঃ** বৰপেটা জিলাৰ পাঁচখন পৌৰসভা নিৰ্বাচনৰ বাবে কাইলৈ অনুষ্ঠিত হ'বলগীয়া ভোটগ্ৰহণৰ উদ্দেশ্যে ভোটগ্ৰহণকাৰী বিষয়াৰ দল আজিয়ে ৰাওনা হৈছে। আজি আবেলি তিনি বজাৰ পূৰ্বেই বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰংৰুমৰ পৰা ১৩০টা এনে দল ইভিএম (ইলেকট্ৰ'নিক ভোটিং মেচিন)সহ যাৱতীয় সঁজুলিসমূহ লৈ নিজ নিজ ভোটকেন্দ্ৰ অভিমুখে ৰাওনা হৈছে। উল্লেখ্য যে এইবেলি প্ৰথমবাৰৰ বাবে পৌৰসভা নিৰ্বাচনৰ ভোটগ্ৰহণ ইলেকট্ৰ'নিক ভোটিং মেচিনত কৰা হ'ব। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালে সকলো কাম-কাজ তদাৰক কৰাৰ লগতে নিৰ্বাচনী পৰ্যবেক্ষক ড° গোস্বামীয়েও ইভিএম বিতৰণ প্ৰক্ৰিয়াটোৰ নিৰীক্ষণ কৰে। জিলাখনৰ পাঁচখন পৌৰসভাৰ ৬২টা ৱাৰ্ডৰ বাবে কাইলৈ মুঠ ১৩০টা কেন্দ্ৰত পুৱা আঠ বজাৰ পৰা আবেলি চাৰি বজাৰ ভিতৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এইসমূহ কেন্দ্ৰৰ বাবে প্ৰিজাইডিং-প'লিং বিষয়া আৰু নিৰাপত্তাৰক্ষীসহ মুঠ ৬৫০জন বিষয়া-কৰ্মচাৰী নিয়োজিত কৰা হৈছে। তেওঁলোকে আজি নিশাটো নিজ নিজ কেন্দ্ৰত কটাব। ইয়াৰে বৰপেটা পৌৰসভাৰ ২২টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হৈছে ৬০টা, বৰপেটাৰোড পৌৰসভাৰ ১০টা ৱাৰ্ডৰ বাবে ৩২টা, হাউলী পৌৰসভাৰ ১০টা ৱাৰ্ডৰ বাবে ১৮টা আৰু সৰ্থেবাৰী আৰু সৰভোগ পৌৰসভাৰ ১০টাকৈ ৱাৰ্ডৰ বাবে ১০টাকৈ ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ ভোটদান কৰা হ'ব। এই ভোটদান সম্পূৰ্ণ নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হ'ব বুলি আশা প্ৰকাশ কৰে জিলা উপায়ুক্ত ভূচালে। কাইলৈ ভোটগ্ৰহণ উপলক্ষে বৰপেটা, বৰপেটাৰোড, হাউলী, সৰ্থেবাৰী আৰু সৰভোগ চহৰত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে।

# ধূপধৰাত নটা গৰুসহ আটক সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ৫ মাৰ্চ ঃ** গো সুৰক্ষা আইন অমান্য কৰি ৰাজ্যত একাংশ দুষ্টচক্ৰই অব্যাহত ৰাখিছে গৰুৰ চোৰাং বেহা। ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে গোৱালপাৰা জিলাতো চোৰাং গৰুৰ ৰমৰমীয়া বেহা চলাই আছে চক্ৰটোৱে। ইয়াৰ মাজতে জিলাখনৰ ধূপধৰা আৰক্ষীয়ে নিশা অভিযান চলাই নটাকৈ গৰু উদ্ধাৰ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। তথ্য অনুসৰি যোৱা তিনি মাৰ্চৰ নিশা ধূপধৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ কুমাৰ দাসৰ নেতৃত্বত আৰক্ষীৰ দল এটাই বিশেষ সূত্ৰৰ পম খেদি ৰংজুলি দিশৰ পৰা মেঘালয় দিশে অবৈধভাৱে গৰু কঢ়িয়াই নি থকা এ এছ ডি চি ৪১৫৮ নম্বৰৰ টাটা যোদ্ধা বাহনখনৰ পিছ লৈ অসম-মেঘালয় সীমান্তত আগভেটা দি বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। বাহনখনত উদ্ধাৰ হয় নটাকৈ দমৰা গৰু। ইফালে, বাহনখনৰ চালকে এন্ধাৰৰ সুযোগ বুজি পলায়ন কৰিবলৈ সক্ষম হয় যদিও বাহনখনত থকা গৰু সৰবৰাহকাৰী ছহিদুল ইছলামক আটক কৰে আৰক্ষীয়ে। কালি গোৱালপাৰা জেললৈ প্ৰেৰণ কৰা হয় ধৃত ছহিদুলক। ইফালে, দক্ষিণ কামৰূপৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত জাৰিহাটক অবৈধ গৰু ব্যৱহাৰৰ ঘাটি হিচাপে দুষ্টচক্ৰটোৱে ব্যৱহাৰ কৰি আহিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বকো তথা ধূপধৰাৰ বিভিন্ন অঞ্চলৰ পৰা অতি কৌশলৰে চক্ৰটোৰ সদস্যসকলে ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে নি গৰুসমূহ জাৰিহাটত মজুত কৰি পাছৰ পৰ্যায়ত সৰুমালবাহী বাহনৰে গৰুসমূহ মেঘালয়লৈ সৰবৰাহ কৰে বুলি গুৰুতৰ অভিযোগ উঠিছে। জাৰিহাটৰ পৰা এদেদৰে গৰু সৰবৰাহ কৰি থকা অৱস্থাত বকো আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান চলাই গৰুসহ বাহনসমূহ জব্দ কৰাৰ লগতে ইয়াৰ স'তে জৰিত একাংশ লোকক আটক কৰি জেললৈ প্ৰেৰণ কৰিছে যদিও জাৰিহাট তথা ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলৰ পৰা গৰু সৰবৰাহ হৈ থকা কাৰ্যক সম্পূৰ্ণৰূপে উৎখাত কৰিবলৈ সক্ষম হোৱা নাই।

## দৰঙত আইনামৰ প্ৰতিযোগিতা

বিশেষ সংবাদদাতা

**মঙলদৈ, ৫ মাৰ্চ ঃ** দৰঙী কলা-সংস্কৃতিৰ আপুৰুগীয়া সম্পদ আইনাম শুদ্ধৰূপত পৰম্পৰাগত শৈলীৰে ধৰি ৰাখিবলৈ অহা ২০ৰ পৰা ২৫ মাৰ্চলৈ অনুষ্ঠিত হ'ব দৰঙী আইনামৰ প্ৰতিযোগিতা। দৰঙী কলা-কৃষ্টি উন্নয়নৰ সংঘৰ ব্যৱস্থাপনাত সংঘৰ ছিপাঝাৰস্থিত ভৱনত দিনৰ ১০.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈকে প্ৰায় দুশৰো অধিক পঞ্জীয়নভুক্ত দলৰ মাজত অনুষ্ঠিত হ'ব আইনামৰ প্ৰতিযোগিতা। সম্পূৰ্ণ দৰঙী নীতি-নিয়মৰ মাজেৰে অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতা উদ্বোধন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। কে'বাগৰাকীও লোক-সংস্কৃতিৰ গৱেষক উপস্থিত থাকিবলগীয়া প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দলক ৫০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলক ৩০০০ টকা, তৃতীয় শ্ৰেষ্ঠ দলক ২০০০ টকা আৰু বিশেষ মনোনীত দলক১০০০ টকাৰ পুৰস্কাৰ সমাজসেৱিকা নিয়তি চহৰীয়াৰ সোঁৱৰণত আগবঢ়োৱা হ'ব বুলি জনাইছে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই। আইনাম প্ৰতিযোগিতাৰ বাবে আগ্ৰহী দলসমূহক ১৮ মাৰ্চৰ আগতে সাধাৰণ সম্পাদকৰ লগত যোগাযোগ কৰি নিয়মাৱলী সংগ্ৰহ কৰিবলৈ জনোৱা হৈছে। আইনামৰ পাছতে চিয়াগীত আৰু বিয়াগীত প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব।

## পছৰীয়াত ১১০ বছৰীয়া লক্ষ্মী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৫ মাৰ্চ ঃ** কামৰূপ জিলাৰ পছৰীয়াৰ ঐতিহাসিক লক্ষ্মী মন্দিৰত অহা ১১ৰ পৰা ১৩ মাৰ্চলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ১১০ সংখ্যক শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে প্ৰথম দিনা প্ৰভাত ফেৰী আৰু লক্ষ্মী বন্দনাৰে পূজাৰ আৰম্ভ কৰা হ'ব। পূৰ্ণাংগ কাৰ্যনিৰ্বাহ সভাৰ অন্তত বৃক্ষৰোপণ কৰিব উত্তম কলিতা, ভূপেন ডেকা, বীৰেন কলিতা, দেবৰু কলিতা, হৰিচৰণ কলিতা আৰু বিপিন দাসে। বিয়লি প্ৰতিমা লৈ শোভাযাত্ৰা। বেদীত প্ৰতিমা স্থাপনৰ পাছত বন্তি প্ৰজ্বলন, দেৱী বন্দনা, দেৱীৰ স্তুতি মন্ত্ৰ পাঠ। নিশা উদয়নীল নাট্য পৰিষদৰ নাট্যাভিনয়। ১২ মাৰ্চত দেৱী বন্দনা, জলযাত্ৰা, ৰাজহুৱা সভা, দেৱী পূজা, আয়তীৰ নাম-প্ৰসংগ, হোমদান, পুষ্পাঞ্জলি অৰ্পণ, মহাপ্ৰসাদ বিতৰণ, ওজাপালি, আৰতি নিশা ভৱেন চন্দ্ৰ কলিতা আৰু মহেশ ডেকাৰ নাগাৰা নাম। ১৩ মাৰ্চত লক্ষ্মী বন্দনাৰে তৃতীয় তথা শেষৰ দিনাৰ কাৰ্যসূচী আৰম্ভ হ'ব। পাছত পুষ্পাঞ্জলি আৰু শান্তি, ওজাপালি, ধৰ্মালোচনী সভা আৰু মুকলি সভাত আলোচকৰূপে উপস্থিত থাকিব ভাগৱত প্ৰৱচন দেৱেন দাস। তিনিওদিনৰ কাৰ্যসূচীত ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে।

## ন মাৰ্চত কৃষ্ণাইত গোৱালপাৰা জিলা বাৰ্তাজীৱী সংঘৰ আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৫ মাৰ্চ ঃ** গোৱালপাৰা জিলা বাৰ্তাজীৱী সংঘৰ উদ্যোগত আৰু হাব্ৰাঘাট মহাবিদ্যালয়, কৃষ্ণাইৰ সহযোগত অহা ন মাৰ্চত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এখন আলোচনাচক্ৰ। হাব্ৰাঘাট মহাবিদ্যালয়, কৃষ্ণাইৰ সভাকক্ষত অনুষ্ঠিত হ'বলগীয়া আলোচনাচক্ৰৰ বিষয় 'সংবাদ মাধ্যম আৰু সামাজিক দায়বদ্ধতা'। গোৱালপাৰা জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি চৈয়দ ৰবিউল হকৰ সঞ্চালনাত অনুষ্ঠিতব্য আলোচনাচক্ৰ উদ্বোধন কৰিব হাব্ৰাঘাট মহাবিদ্যালয়, কৃষ্ণাইৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাসে। আলোচনাচক্ৰত আলোচকৰূপে উপস্থিত থাকিব গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, দলগোমা আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গংগেশ কলিতা আৰু গোৱালপাৰাৰ জ্যেষ্ঠ অধিবক্তা ছাহজামাল পৰমাণিক। জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক জাহিদুল ইছলামে আলোচনাচক্ৰত সংশ্লিষ্ট সকলোৰে উপস্থিতি কামনা কৰিছে।

## লেখিকা সংস্থা অসমৰ 'আই পদ্মপ্ৰিয়া বঁটা প্ৰদান অনুষ্ঠান'

**গুৱাহাটী, ৫ মাৰ্চ ঃ** লেখিকা সংস্থা, অসমে অহা আঠ মাৰ্চৰ আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বৈষ্ণৱ গীতিকবি আই পদ্মপ্ৰিয়াৰ নামত 'আই পদ্মপ্ৰিয়া বঁটা' সুকণ্ঠী গায়িকা, সুলেখিকা, অসমৰ ভ্ৰাম্যমাণ জগতৰ প্ৰথমগৰাকী নেপথ্য গায়িকা, প্ৰথম মহিলা উপ-আৰক্ষী অধ্যক্ষক ৰেণু দত্ত বৰফুকনলৈ আগবঢ়োৱা হৈছে। দিছপুৰ লাষ্টগেটৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণৰ সভাগৃহত ১.৩০ বজাত অনুষ্ঠিত হ'ব লগা সভাখন উদ্বোধন কৰিব প্ৰাক্তন সভানেত্ৰী মঞ্জুলা শৰ্মা ভট্টাচাৰ্যই। উক্ত অনুষ্ঠানত বঁটা প্ৰদান কৰিব বিশিষ্ট সাহিত্যিক, সন্দিকৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° অঞ্জলি শৰ্মাই। ৰেণু দত্ত বৰফুকনৰ জীৱন আৰু সাহিত্যকৃতি সম্বন্ধে বক্তৃতা প্ৰদান কৰিব অৱসৰপ্ৰাপ্ত সাহিত্যিক ৰবেন্দ্ৰ কুমাৰ দাসে। অনুষ্ঠানত বিশিষ্ট কবি ড° লিলি ৰাজবংশী, মীৰা ঠাকুৰ উপস্থিত থাকিব। এই বঁটাৰ দাতা তদুপৰি আৰুণা বড়া সমন্বিতে পৰিয়ালো উপস্থিত থাকিব।

## ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা বিষয়া-কৰ্মচাৰী

বিশেষ সংবাদদাতা

**মঙলদৈ, ৫ মাৰ্চ ঃ** ৰাজ্যৰ আন জিলাকেইখনৰ পৌৰ অঞ্চলসমূহৰ লগতে দৰং জিলাতো তিনিটা পৌৰ অঞ্চলৰ বাবে কাইলৈ অনুষ্ঠিত হ'বলগীয়া পৌৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে দৰং জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ইয়াৰে অংশস্বৰূপে আজি মঙলদৈ নগৰস্থিত ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয় চৌহদৰ পৰা যাৱতীয় সা-সামগ্ৰী তথা ইভিএমসহ নিৰ্বাচনী প্ৰক্ৰিয়াৰে জড়িত বিষয়া-কৰ্মচাৰীসকল নিজ নিজ গন্তব্যস্থললৈ যাত্ৰা আৰম্ভ কৰে। উল্লেখ্য যে দৰং জিলাত সৰ্বমুঠ তিনিখন পৌৰসভা আছে। ইয়াৰে দুখন মঙলদৈ আৰু খাৰুপেটীয়াই বহু বছৰৰ আগেয়ে পৌৰসভা স্বীকৃতি পোৱাৰ লগতে কে'বাটাও নিৰ্বাচন প্ৰত্যক্ষ কৰিছে যদিও ইয়াৰ বিপৰীতে নতুনকৈ পৌৰসভাৰ মৰ্যাদা পোৱা ছিপাঝাৰ পৌৰসভাৰ বাবে প্ৰথমবাৰলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰে মঙলদৈ পৌৰসভাত ভোটদানৰ বাবে ২৪টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ বিপৰীতে খাৰুপেটীয়া আৰু ছিপাঝাৰ পৌৰ অঞ্চলত ভোটদানৰ বাবে ক্ৰমে ২১ আৰু ১৩টাকৈ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। মন কৰিবলগীয়া যে এইবাৰৰ মঙলদৈ পৌৰসভাৰ ১০টা ৱাৰ্ডৰ বাবে সৰ্বমুঠ ২৮গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে সমান্তৰালকৈ খাৰুপেটীয়াৰ ১১টা ৱাৰ্ডৰ বাবে ৩০গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইপিনে, ছিপাঝাৰ পৌৰসভাৰ ১০টা ৱাৰ্ডৰ বাবে সৰ্বমুঠ ২১গৰাকী প্ৰাৰ্থীয়ে চূড়ান্ত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলগীয়া আছিল যদিও ন নম্বৰ ৱাৰ্ডৰ অভিনৱ হাজৰিকাই বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হ'বলৈ সক্ষম হোৱাৰ পৰিপ্ৰেক্ষিতত সৰ্বমুঠ ২০গৰাকী প্ৰতিদ্বন্দ্বিৰ মাজতে নটা ৱাৰ্ডৰ বাবে যুঁজ সীমাবদ্ধ থাকিব।



সোণাৰিত প'লিং বিষয়াৰ ভোটিং মেচিন পৰীক্ষা, শনিবাৰে।

## আজি ধেমাজিৰ নটা-চিলাপথাৰৰ ১১টা ৱাৰ্ডত হ'ব ভোটগ্ৰহণ

অগ্ৰদূত বাৰ্তা

**চিলাপথাৰ, ৫ মাৰ্চ ঃ** ধেমাজি পৌৰসভাৰ অন্তৰ্গত নটা ৱাৰ্ড আৰু চিলাপথাৰ পৌৰসভাৰ ১১টা ৱাৰ্ডত কাইলৈ অনুষ্ঠিত হ'ব পৌৰসভা নিৰ্বাচনৰ ভোটগ্ৰহণ। ইতিমধ্যে ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে দায়িত্বপ্ৰাপ্ত প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ লগতে নিৰাপত্তাৰক্ষীসকল। ধেমাজি গ্ৰামোন্নয়ন অভিকৰণ প্ৰকল্প চৌহদৰ খেলপথাৰৰ পৰা ইতিমধ্যে ইভিএমসহ অন্যান্য সামগ্ৰী লৈ ৰাওনা হৈছে ভোটগ্ৰহণকাৰীৰ দল। উল্লেখ্য যে এইবাৰ ধেমাজি পৌৰসভাৰ নটা ৱাৰ্ডত মুঠ ২৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ বিপৰীতে চিলাপথাৰ পৌৰসভাৰ ১১টা ৱাৰ্ডৰ মুঠ ২২টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে মুঠ ৫৭জন প্ৰিজাইডিং বিষয়া আৰু মুঠ ২২৮জন প'লিং বিষয়াক দায়িত্ব প্ৰদান কৰিছে জিলা নিৰ্বাচনী বিভাগে। লক্ষ্যণীয় যে ধেমাজি পৌৰসভাত মুঠ ২৫,১২৯জন ভোটাৰ আৰু চিলাপথাৰ পৌৰসভাত ২০,১৪২জন ভোটাৰে ভোটদান সাব্যস্ত কৰিব। ইপিনে, নিৰ্বাচনী বিভাগে জনোৱা মতে, ধেমাজি পৌৰসভা নিৰ্বাচনত মুঠ ৩১জন আৰু চিলাপথাৰ পৌৰসভা নিৰ্বাচনত মুঠ ২৯জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে, এইবাৰৰ নিৰ্বাচনত দুটা অতি স্পৰ্শকাতৰ আৰু সাতটা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ ধেমাজি প্ৰশাসনে চিনাক্ত কৰিছে আৰু যাৱতীয় নিৰাপত্তাৰ ব্যৱস্থা কৰিছে।

## সুৰভি সাহিত্য সমাজৰ স্বৰ্ণ জয়ন্তী সমাৰোহৰ আয়োজন


অগ্ৰদূত বাৰ্তা

**গহপুৰ, ৫ মাৰ্চ ঃ** বৰ্তমানৰ গহপুৰ মহকুমাৰ মধ্য ছয়দুৱাৰৰ বৰঙাবাৰীত ১৯৬৯ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৱিত্ৰ তিৰোভাৱ তিথিৰ দিনটোত গঠন কৰা আৰু পৰৱৰ্তী পৰ্যায়ত অসম সাহিত্য সভাৰ স্বৰ্ণ শাখাৰ স্বীকৃতি লাভ কৰা সুৰভি সাহিত্য সমাজৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সমাৰোহ উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই সন্দৰ্ভত সুৰভি সাহিত্য সমাজৰ সভাপতি শোভন চন্দ্ৰ শইকীয়া, সম্পাদক ৰাজু গৌতম আৰু সহকাৰী সম্পাদক তৰণী দেই কাকতলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিয়ে যে স্বৰ্ণমণ্ডিত ইতিহাসেৰে গৰিমামণ্ডিত সুৰভি সাহিত্য সমাজৰ বৰ্ণিল অতীত ৰোমন্থনেৰে উত্তৰ প্ৰজন্মৰ মাজত সাহিত্যানুৰাগ সৃষ্টিৰ দৃঢ়তাপূৰ্ণ লক্ষ্যৰে আগন্তুক ব'হাগৰ শেষাৰ্ধত সুৰভি সাহিত্য সমাজৰ স্বৰ্ণ জয়ন্তী সমাৰোহ উদ্‌যাপনৰ পৰিকল্পনা কৰা হৈছে। উক্ত মহৎ কাৰ্যক্ৰমণিকাৰ সফল ৰূপায়ণৰ বাবে এখন পূৰ্ণাংগ আদৰণি সমিতি গঠনৰ বাবে অহা ছয় মাৰ্চত সুৰভি সাহিত্য সমাজৰ বৰঙাবাৰীস্থিত কাৰ্যালয় প্ৰাংগণত এখন ৰাজহুৱা সভা আহ্বান কৰা হৈছে। বিয়লি এক বজাত অনুষ্ঠিতব্য উক্ত গুৰুত্বপূৰ্ণ সভাখনত সংশ্লিষ্ট সকলোৰে উপস্থিতি বিজ্ঞপ্তিটোৰ জৰিয়তে সুৰভি সাহিত্য সমাজৰ সভাপতি-সম্পাদকে আন্তৰিকতাৰে কামনা কৰিছে।

তৰমথাত গ্ৰাম্য পুথিভঁৰাল উদ্বোধন

## পুথিভঁৰালে চিন্তা-চেতনা জাগ্ৰত কৰে

অগ্ৰদূত বাৰ্তা



**বৰভাগ, ৫ মাৰ্চ ঃ** নলবাৰী জিলাৰ বৰভাগৰ ৮২৪ নম্বৰ তৰমথা বালক প্ৰাথমিক বিদ্যালয়ত আজি এটা গ্ৰাম্য পুথিভঁৰাল মুকলি কৰা হয়। 'আজিম প্ৰেমজী ফাউণ্ডেছন'ৰ অৰ্থসাহায্যত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চ আৰু তৰমথা গাঁৱৰ সহযোগত গঢ় লৈ উঠা পুথিভঁৰালটো উদ্বোধন কৰে মেঘালয়ৰ লাঙাম প্ৰেছবিটেৰিয়ান হায়াৰ ছেকেণ্ডাৰী স্কুল, মাওঠেংকুটৰ অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল আজিজ আহমেদ। পুথিভঁৰাল উদ্বোধন কৰি আহমেদে কয় যে পুথিভঁৰালসমূহে মানুহৰ চিন্তা-চেতনা জাগ্ৰত কৰে। জ্ঞান অন্বেষণৰ মাধ্যম পুথিভঁৰালসমূহ সংৰক্ষণ আৰু সংবৰ্ধনৰ ক্ষেত্ৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱিকা বনশ্ৰী তামুলীয়ে আঁতধৰা উদ্বোধনী সভাত সাংবাদিক আব্দুল কাদেৰ আহমেদ, বিদ্যালয়খনৰ প্ৰধান শিক্ষক অজয় মজুমদাৰ, ৯৫ (৫) নম্বৰ উপৰ বৰভাগ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰাতুল ভট্ট, পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি খলিল আলী, শিক্ষক অচ্যুতা হাজৰিকা, সমাজহিতৈষী যুৱক আতিকুৰ ৰহমান, গ্ৰাম্য বিকাশ মঞ্চৰ ছফিউল আহমেদ আদিয়ে ভাষণ দিয়ে। সভাত বিদ্যালয়খনৰ শিক্ষক চেলিমউদ্দিন তালুকদাৰ, সমৰেন্দ্ৰ বৈশ্য, স্বেচ্ছাসেৱী অনুষ্ঠানৰ প্ৰকল্প পৰিচালক ৰিজুত বসুমতাৰী, স্বেচ্ছাসেৱিকা আমিনা বেগম, চালমা ছিদ্দিকা আদি উপস্থিত থাকে। উল্লেখ্য যে অসমত কিশোৰী সবলীকৰণ আঁচনিৰ অধীনত শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ ক্ষেত্ৰত স্বেচ্ছাসেৱী সংস্থাটোৱে চাৰিখন জিলাৰ ৭৫খন গাঁৱত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

## সোণকুৰিহাত মহাবিষ্ণু যজ্ঞত ভক্তৰ আগমন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৫ মাৰ্চ ঃ** নলবাৰী জিলাৰ বৰভাগৰ ঐতিহাসিক ভাঙৰা গোসাঁইৰ (সোণকুৰিহা) থানাত যোৱা তিনি মাৰ্চৰ পৰা আৰম্ভ হোৱা শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞৰ আজি তৃতীয় দিনৰ কাৰ্যসূচীত অগনন ভক্তৰ সমাগম হয়। অহা সাত মাৰ্চলৈ চলিবলগীয়া শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞত বিগত তিনিও দিনৰ কাৰ্যসূচীত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈ যোৱাৰ পাছত কাইলৈ বেদস্তুতি, স্তোত্ৰ পাঠ, জলযাত্ৰা আৰু অগ্নি স্থাপন, আচাৰ্যাদিৰ বৰণ, যজ্ঞ ৰম্ভা, বেদি প্ৰদক্ষিণ, আহুতি আৰতি প্ৰদান, আয়তীসকলৰ দিহানাম পৰিৱেশন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। সাত মাৰ্চত দুপৰীয়া পূৰ্ণাহুতি, সামূহিক মহাশান্তি আৰু সন্ধিয়া শ্ৰীশ্ৰীসত্য নাৰায়ণ পূজাৰে মহাবিষ্ণু যজ্ঞৰ সামৰণি পৰিব।

## মাৰ্ঘেৰিটাত সুৰা বিক্ৰীত নিষেধাজ্ঞা

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ৫ মাৰ্চ ঃ** মাৰ্ঘেৰিটা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত কালি আগন্তুক পৌৰসভা নিৰ্বাচন সন্দৰ্ভত এখন সংবাদমেল সম্বোধন নিৰ্বাচনী পৰ্যবেক্ষক ৰাহুল চন্দ্ৰ দাসে নিৰ্বাচনৰ আচৰণ বিধি সন্দৰ্ভত ব্যাখ্যা কৰে। মহকুমা প্ৰশাসনৰ নিৰ্দেশ মৰ্মে ডিগবৈ আৰু মাৰ্ঘেৰিটা পৌৰসভা অন্তৰ্গত কে'বাটাও স্থানৰ দেৱাল লিখনত বগা ৰং সানি দিয়া হয়। আনহাতে, মহকুমাটোৰ অন্তৰ্গত নগৰ অঞ্চলৰ বিভিন্ন স্থানত সুৰা বিক্ৰীতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে অহা ছয় মাৰ্চৰ পুৱা সাত বজাৰ পৰা ভোট গ্ৰহণ অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত কাইলৈ পুৱা আঠ বজাৰ ভিতৰত সকলো ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰচাৰ বন্ধ কৰিব লাগিব। কঠোৰভাৱে নিৰ্বাচনী বিধি পালন কৰাৰ ক্ষেত্ৰত মহকুমা প্ৰশাসন সতৰ্ক হোৱাৰ লগতে কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ ক্ষেত্ৰত তীক্ষ্ণ নজৰ ৰাখিব বুলি মহকুমাধিপতি পলাশ ৰাজকুমাৰ আহোমে কয়।



লখিমপুৰৰ নিৰ্বাচনী কেন্দ্ৰলৈ ৰাওনা বিষয়া-কৰ্মচাৰী, শনিবাৰে।

## তেজপুৰৰ নৱপ্ৰভাত অনাথ আশ্ৰমত কিশোৰীৰ মানসিক স্বাস্থ্যৰ সজাগতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৫ মাৰ্চ ঃ** তেজপুৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ সহযোগত কালি তেজপুৰৰ কেতেকীবাৰীস্থিত নৱপ্ৰভাত অনাথ আশ্ৰমৰ কিশোৰীসকলৰ বাবে মানসিক স্বাস্থ্য সম্পৰ্কীয় এক বিশেষ পৰামৰ্শদান কাৰ্যসূচী সম্পন্ন হয়। ৰাজ্যিক শিশু সুৰক্ষা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা বিশেষ কৰ্মশালাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ মানসিক ৰোগ চিকিৎসক অণু যাদৱ আৰু মনস্তত্ত্ববিদ প্ৰণিতসেন গুপ্তই। তেজপুৰ মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা দুয়োগৰাকী সমল ব্যক্তিক বিশেষভাৱে সম্ভাষণ জ্ঞাপন কৰে। তেজপুৰ মহাবিদ্যালয়ৰ কে'বাগৰাকী জ্যেষ্ঠ অধ্যাপক-অধ্যাপিকা উপস্থিত থকা অনুষ্ঠানত অনাথ আশ্ৰমৰ আৱাসী কিশোৰীসকলক এক সুন্দৰ মানসিক স্বাস্থ্যৰ বাবে প্ৰয়োজনীয় বিভিন্ন পৰামৰ্শ প্ৰদান কৰা হয়। উল্লেখ্য যে তেজপুৰ মহাবিদ্যালয় কৰ্তৃপক্ষই নৱপ্ৰভাত অনাথ আশ্ৰমৰ স'তে থকা সৌহাৰ্দমূলক সম্পৰ্কৰ বুজাবুজি চুক্তিৰ অংশ হিচাপে বিগত সময়ত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে।

এডাল বাঁহৰ সাঁকোৰেই যুগ যুগান্তৰ পাৰ হয় নামকাহোন্দাবাসী ৰাইজে

## কচুৱা পঞ্চায়তৰ উন্নয়নৰ নামত ভেঁকোভাওনা



অগ্ৰদূত বাৰ্তা

**কচুৱা, ৫ মাৰ্চ ঃ** ৰহা বিধানসভা সমষ্টিৰ কচুৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত নামকাহোন্দা, ওপৰকাহোন্দা, মিনাৰপাম আৰু সাতলোঙাবাসী ৰাইজে যুগ যুগ ধৰি যাতায়াতৰ নামত যমৰ যাতনা ভুগি আহিছে। এডাল বাঁহৰ সাঁকোৰেই হৈছে যাতায়াতৰ একমাত্ৰ ভৰসা। লুটুমাৰী নদীখনৰ পূব প্ৰান্তত অৱস্থিত গাঁওসমূহৰ ৰাইজে নদীখনৰ ওপৰত এডাল বাঁহৰ সাঁকো নিৰ্মাণ কৰি যুগ যুগ ধৰি যাতায়াত কৰি আহিছে। বৰো, শালিধানৰ লগতে শাক-পাচলিৰ খেতি কৰি জীৱিকা নিৰ্বাহ কৰা কৃষকসকলে উৎপাদিত ফচলসমূহ বজাৰলৈ নিবলৈ হ'লে এইখন বাঁহৰ সাঁকোৰে মূৰত লৈ নদীখন পাৰ হৈ যাব লাগে। অঞ্চলটোত কোনো ধৰণৰ বাহন প্ৰৱেশ কৰিব নোৱৰাত ৰাইজৰ কোনো বেমাৰ-আজাৰ হ'লে কচুৱাস্থিত চিকিৎসালয়লৈ নিবলৈ হ'লেও কান্ধত লৈ নদী পাৰ হৈ কচুৱা বগৰীতলা গাঁৱলীয়া পথত আহি অট' তথা টমটম গাড়ীৰে ১৩ পৃষ্ঠাত চাওক

## জনপ্ৰিয় সংঘৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৫ মাৰ্চ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰজাৰৰিহাটীস্থিত জনপ্ৰিয় সংঘ ১৯৯০ত স্থাপিত হৈ বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজৰে বিভিন্ন সামাজিক কাৰ্যসূচী ৰূপায়ণ কৰিছে। সংঘৰ গৃহটো টিনপাতৰ চালিৰে নিৰ্মাণ কৰা হৈছিল যদিও বিগত দুবছৰমান পূৰ্বে ধুমুহাত সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। সময়ে সময়ে চৰকাৰৰ পক্ষৰ ওচৰত আবেদন-নিবেদন কৰি অহা হৈছে যদিও কোনো ধৰণৰ সুফল পোৱা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত বৰজাৰৰিহাটী গাঁৱৰ ৰাইজে আলোচনাত মিলিত হৈ নিজ হাতৰ অৰ্থৰে সংঘ গৃহটো নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে কালি দুপৰীয়া সংঘ গৃহটো নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। এসময়ত বৰজাৰৰিহাটীৰ বাসিন্দা তথা বৰ্তমানৰ টংলাৰ বাসিন্দা টংলা বিদ্যুৎ সংমণ্ডলৰ অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া ফজল হকৰ দ্বাৰা আধাৰশিলা স্থাপন কৰা হয়। কহিনুৰ আলীয়ে আঁতধৰা আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে পূব নলবাৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খছনুৰ আলী আহমেদ, নলবাৰী চেছন আদালতৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা কুন্দৰগাঁও জনতা সংঘৰ সভাপতি আছেদ আলী, পূব নলবাৰী হাইস্কুলৰ সহকাৰী শিক্ষক তাজুল ইছলাম, বৰজাৰৰিহাটী (নোনাপাৰ) প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নুৰুল ইছলামৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তিৰ উপৰি যথেষ্ট সংখ্যক গাঁৱৰ ৰাইজ উপস্থিত থাকে।

# আজি গোৱালপাৰাৰ ৫৭ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয়

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৫ মাৰ্চ ঃ** কাইলৈ অনুষ্ঠিত হ'বলগীয়া গোৱালপাৰা পৌৰসভা নিৰ্বাচনৰ বাবে নিয়োজিত মুঠ ২৭৬ গৰাকী প্ৰিজাইডিং আৰু পলিং বিষয়াক ইতিমধ্যে ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হৈছে। গোৱালপাৰা পৌৰসভাৰ অন্তৰ্গত ১৯টা ৱাৰ্ডৰ ভিতৰত ১৫ নম্বৰ ৱাৰ্ডত বিজেপিৰ প্ৰাৰ্থী সত্যনাৰায়ণ দেশোৱাৰাই ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। বাকী থকা ১৮টা ৱাৰ্ডৰ ৫৭গৰাকী প্ৰাৰ্থীৰ ভাগ্য কাইলৈ নিৰ্ণয় কৰিব ৩৯,২৫৪ গৰাকী ভোটাৰে। উল্লেখ্য যে এক নম্বৰ ৱাৰ্ডত বিজেপিৰ অকন কলিতা, কংগ্ৰেছৰ ভাৰতী কৰ্মকাৰ দেৰ লগতে নিৰ্দলীয়ৰূপে জিন্টী দাস আৰু প্ৰিয়ংকা শৰ্মাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। একেদৰে দুই নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ মিথু ৰাভা, অগপৰ কল্যান কুমাৰ দাস আৰু নিৰ্দলীয়ৰূপে কেশৱ ব্ৰহ্ম আৰু উজ্জ্বল বৰুৱা, তিনি নম্বৰ ৱাৰ্ডত বিজেপিৰ অপৰূপা দাস, কংগ্ৰেছৰ ছাহিদা ইয়াছমিনৰ লগতে নিৰ্দলীয় মানসী নাথ, চাৰি নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ নাদিৰা বেগম, অগপৰ ছাহানাৰা চুলতানাৰ লগতে নিৰ্দলীয় ছালমা চুলতানা, পাঁচ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ গৌতম সোম, বিজেপিৰ বীৰ পাণ্ডেৰ লগতে নিৰ্দলীয়ৰূপে ৰাতুল কৈৰী আৰু ইব্ৰাহিম হুছেইন, ছয় নম্বৰ ৱাৰ্ডত বিজেপিৰ ডলি ঘোষৰ লগতে নিৰ্দলীয়ৰূপে মল্লিকা পাঠক আৰু মিনালতা দাস, সাত নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ ৰুজেজা চুলতানা, বিজেপিৰ গীতাঞ্জলি দাসৰ লগতে নিৰ্দলীয়ৰূপে ৰিংকু নন্দী আৰু মল্লিকা দাস ঠাকুৰীয়া, আঠ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ পিংকী বিশ্বাস, বিজেপিৰ মামমী দাস মল্লিকৰ লগতে নিৰ্দলীয়ৰূপে কাকলি গোস্বামী আৰু দেলোৱাৰা হুছেইন, ৯ ন নম্বৰ ৱাৰ্ডত বিজেপিৰ সপ্না দাস আৰু নিৰ্দলীয় জুৰি দাস, ১০ নম্বৰ ৱাৰ্ডত বিজেপিৰ নিসাদ জামান, কংগ্ৰেছৰ শ্বাজাবীন আহমেদ আৰু নিৰ্দলীয়ৰূপে আজিজা বেগম, ১১ নম্বৰ ৱাৰ্ডত বিজেপিৰ ৰত্নাকৰ দাস, কংগ্ৰেছৰ মোনোৱাআ বেগম আৰু নিৰ্দলীয় মুক্তাউল আহমেদ, ১২ নম্বৰ ৱাৰ্ডত বিজেপিৰ আতিকুৰ ৰহমান, কংগ্ৰেছৰ ইখতিয়াৰ উদ্দিন আহমেদ আৰু নিৰ্দলীয় বাবলী চৌধুৰী, ১৩ নম্বৰ ৱাৰ্ডত বিজেপিৰ ৰবিউল ইছলাম, কংগ্ৰেছৰ তাজমিনুৰ আলমৰ লগতে নিৰ্দলীয় ছামছুল আলম আৰু আমিৰুল ইছলাম, ১৪ নম্বৰ ৱাৰ্ডত বিজেপিৰ ছাহিনা বেগম আৰু কংগ্ৰেছৰ নবিউল কৰিম, ১৫ নম্বৰ ৱাৰ্ডত বিজেপিৰ একমাত্ৰ প্ৰাৰ্থী সত্যনাৰায়ণ দেশোৱাৰা, ১৬ নম্বৰ ৱাৰ্ডত বিজেপিৰ মহানন্দ পাঠক, কংগ্ৰেছৰ হৰিণ চন্দ্ৰ নাথ আৰু নিৰ্দলীয় ধৰ্ম নাৰায়ণ নাথ, ১৭ নম্বৰ ৱাৰ্ডত বিজেপিৰ অমল ৰাভা, কংগ্ৰেছৰ মুকুল ৰাভা আৰু নিৰ্দলীয় ধনজীৱ প্ৰসাদ ৰাভা, ১৮ নম্বৰ ৱাৰ্ডত বিজেপিৰ জাহিদুল ইছলাম আৰু কংগ্ৰেছৰ দেৱ কুমাৰ নাথ, ১৯ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ আলিফা হুছেইন, অগপৰ ৰোজুৱা বেগমৰ লগতে নিৰ্দলীয় নাজিনী বেগম, ইন্দিৰা বেগম আৰু হীনা ইয়াছমিনে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, মুঠ ১৯টা ৱাৰ্ডৰ ভিতৰত ১,৩,৪,৬,৭,৮,১০ আৰু ১৯ নম্বৰ ৱাৰ্ড মহিলাৰ বাবে, ১৭ নম্বৰ ৱাৰ্ড অনুসূচিত জনজাতিৰ বাবে, ১৫ নম্বৰ ৱাৰ্ড অনুসূচিত জাতিৰ বাবে, ন নম্বৰ ৱাৰ্ড অনুসূচীত জাতিৰ মহিলাৰ বাবে, সংৰক্ষিত হোৱাৰ বিপৰীতে ২,৫,১১,১২,১৩,১৪,১৬ আৰু ১৮ নম্বৰ ৱাৰ্ড সংৰক্ষণমুক্ত কৰা হৈছে।

# আজি নগাঁও-ধিং-ৰহা- কামপুৰ পৌৰসভাৰ মুঠ ১২২জন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব

**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ মাৰ্চ ঃ** নগাঁও জিলাৰ চাৰিখনকৈ পৌৰসভা ক্ৰমে নগাঁও, ধিং, ৰহা আৰু কামপুৰ পৌৰসভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ কাৰ্যসূচী কাইলৈ অনুষ্ঠিত হ'ব। এই চাৰিখন পৌৰসভাৰ সৰ্বমুঠ ৫৬টা ৱাৰ্ডৰ ভিতৰত নগাঁও পৌৰসভাৰ তিনিটা ৱাৰ্ডত ইতিমধ্যেই তিনিগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছে। একেদৰে ৰহা পৌৰসভাত এটা ৱাৰ্ডৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দিতাৰে বিজয়ী হৈছে। সেয়ে এই চাৰিখন পৌৰসভাৰ মুঠ ৫২টা ৱাৰ্ডৰ মুঠ ১২২জন প্ৰাৰ্থীৰ ভাগ্য এক লাখ ২২ হেজাৰ ৯৯৫জন ভোটাৰে নিৰ্ধাৰণ কৰিব। উল্লেখ্য যে ২৬টা ৱাৰ্ডৰে গঠিত নগাঁও পৌৰসভাত মুঠ ভোটাৰ সংখ্যা ১০,০২৪৩ গৰাকী। ইয়াৰে তিনিটা ৱাৰ্ডত বিজেপি প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দিতাৰে বিজয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত ৯০ হেজাৰ ২৩৮ গৰাকী ভোটাৰে ২৩টা ৱাৰ্ডৰ মুঠ ৪৬জন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। নগাঁও পৌৰসভাত বিনা প্ৰতিদ্বন্দিতাৰে বিজয়ী হোৱা তিনিজনকে ধৰি বিজেপিৰ মুঠ ২২ জন প্ৰাৰ্থী আছে। ইয়াৰে ১৯জন প্ৰাৰ্থীয়ে কাইলৈ ভোট যুদ্ধত অৱতীৰ্ণ হ'ব। মিত্ৰদল অগপৰ চাৰিজন প্ৰাৰ্থীয়ে ভোটযুদ্ধত অৱতীৰ্ণ হ'ব। ইপিনে, কংগ্ৰেছে ২০টা ৱাৰ্ডতহে নিজা প্ৰাৰ্থী থিয় কৰাইছিল। ইয়াৰে এজন প্ৰাৰ্থীৰ মনোনয়নপত্ৰ নাকচ হোৱাত কাইলৈ ১৯জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিব। ৰাজ্যৰ আন এটা আঞ্চলিক দল অসম জাতীয় পৰিষদে চাৰিটা ৱাৰ্ডত প্ৰাৰ্থী থিয় কৰাইছে। নগাঁও পৌৰসভা নিৰ্বাচনত এআইইউডিএফ আৰু বাওপন্থী দলসমূহে প্ৰতিদ্বন্দিতা কৰা নাই। এই ৰাজনৈতিক দলকেইটাৰ ভোটাৰে কাক ভোটদান কৰিব সেয়া কাইলৈ লক্ষণীয় হ'ব। নগাঁও পৌৰসভাৰ ১৩ মহলা মহিলাৰ বাবে সংৰক্ষিত। ১০টা ৱাৰ্ডৰে গঠিত ধিং পৌৰসভাত মুঠ ভোটাৰৰ সংখ্যা ১৫,৭১৫ গৰাকী। পৌৰসভাটোত ৩১জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিব। ইয়াৰে কংগ্ৰেছৰ ১০ জন, বিজেপিৰ ১০ জন, অগপৰ ছজন আৰু নিৰ্দলীয় প্ৰাৰ্থী চাৰিজন আছে। অগপই দুজন নিৰ্দলীয় প্ৰাৰ্থীক সমৰ্থন আগবঢ়াইছে। ১০টা ৱাৰ্ডৰে গঠিত ৰহা পৌৰসভাত মুঠ ভোটাৰৰ সংখ্যা ৯,৬৬৯ গৰাকী। ইয়াৰে এটা ৱাৰ্ডত প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দিতাৰে বিজয়ী হোৱাত নটা ৱাৰ্ডৰ চাৰিজন প্ৰাৰ্থীৰ ভাগ্য ৮,৪০৬জন ভোটাৰে নিৰ্ণয় কৰিব। ৰহা পৌৰসভাত বিজেপিৰ ছজন, অগপৰ তিনি জন, কংগ্ৰেছৰ পাঁচজন, অসম জাতীয় পৰিষদৰ চাৰিজন আৰু নিৰ্দলীয় তিনিজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিব। ১০টা ৱাৰ্ডৰে গঠিত কামপুৰ পৌৰসভাত মুঠ ভোটাৰৰ সংখ্যা ৮,৬৩৬ গৰাকী। এইসকল ভোটাৰে চাৰিজন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। কামপুৰ পৌৰসভাত ১০টা ৱাৰ্ডৰ বাবে ২৪জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিছে। ইয়াৰে নিৰ্দলীয় প্ৰাৰ্থী চাৰিজন, কংগ্ৰেছৰ ১০, বিজেপিৰ সাতজন আৰু অগপৰ তিনিজনে প্ৰতিদ্বন্দিতা কৰিছে। এইবাৰৰ নিৰ্বাচনত নগাঁও পৌৰসভাৰ বাবে ১২২টা ভোটগ্ৰহণ কেন্দ্ৰ, ধিং পৌৰসভাৰ বাবে ১৯টা ভোটগ্ৰহণ কেন্দ্ৰ, ৰহা পৌৰসভাৰ বাবে ১২ টা আৰু কামপুৰ পৌৰসভাৰ বাবে ১১টা ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ ভোটগ্ৰহণ হ'ব। ভোটগ্ৰহণৰ বাবে নগাঁও জিলা প্ৰশাসনে ইতিমধ্যেই যাৱতীয় ব্যৱস্থা সাজু কৰি তুলিছে। ভোটগ্ৰহণৰ দায়িত্বত থকা বিষয়াসকলেও তেওঁলোকৰ প্ৰয়োজনীয় সামগ্ৰীলৈ ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে।

# ত্ৰিকোণীয়া প্ৰেমৰ বাবে হত্যাত ব্যৱহৃত বাহন উদ্ধাৰ ঃ গ্ৰেপ্তাৰ দুই

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ৫ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত ত্ৰিকোণ প্ৰেমৰ পৰিণিতিত ন প্ৰেমিক-প্ৰেমিকাই মিলি পুৰণি প্ৰেমিক তথা বৰচিলা মহাবিদ্যালয়ৰ ছাত্ৰ ফাইজুৰ ৰহমানক অপহৰণ কৰি ২৬ ফেব্ৰুৱাৰীত হত্যা কৰা ঘটনাৰ চাঞ্চল্য অদ্যাপি অব্যাহত আছে। লাহৰীঘাটৰ বৰছিলা মহাবিদ্যালয়ৰ ছাত্ৰ অপহৰণ কৰি হত্যাকাৰী পলায়নত ব্যৱহৃত এখন বাহন আজি লাহৰীঘাট আৰক্ষীয়ে তেজপুৰ থানাৰ অন্তৰ্গত ভালুকজাৰিত উদ্ধাৰ কৰে। লাহৰীঘাট আৰক্ষীয়ে তেজপুৰৰ পাঁচ মাইলৰ ভালুকজাৰী গাঁৱৰ জাকিৰ হুছেইন নামৰ লোক এজনৰ ঘৰত উদ্ধাৰ কৰে হত্যাকাৰীয়ে ব্যবহাৰ কৰা এএছ-২১ এইছ-১৭০০ নম্বৰৰ ছেণ্ট্ৰ' বাহনখন। উল্লেখ্য যে মৰিগাঁও জিলাৰ লাহৰীঘাটত ২৬ ফেব্ৰুৱাৰীত সংঘটিত হৈছিল নাৰকীয় হত্যাকাণ্ড। প্ৰেমিকা ৰাজানা আহমেদে ফোনযোগে মাতি আনি ন-প্ৰেমিক আনিচুৰ সহায়ত প্ৰথমে কলেজীয়া প্ৰেমিক ফাইজুৰক অপৰহণ আৰু তাৰ পাছত হত্যা কৰোৱাইছিল। তাৰ পাছতেই ফাইজুৰৰ পুৰণি প্ৰেমিকা ৰাজানা আহমেদক ফাইজুৰৰ পিতৃগৃহৰ এজাহাৰৰ ভিত্তিত লাহৰীঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখে। এইজন ভণ্ড প্ৰেমিকাই দিয়া স্বীকাৰোক্তি মতে ন-প্ৰমিক আনিছুৰে আন ঘাতকৰে মিলি ফাইজুৰক অপহৰণ কৰি গামোচাৰে ডিঙি চেপি নৃশংসভাৱে হত্যা কৰি মৃতদেহটো ক'ৰবাত পেলাই দিছে। ঘটনাৰ পাছৰে পৰা অভিযুক্ত আনিচুৰ পলাতক অৱস্থাত আছে। হত্যাকাণ্ডৰে জড়িত মূল অভিযুক্তক আৰক্ষীয়ে অদ্যাপি কৰায়ত্ব কৰিবলৈ সক্ষম হোৱা নাই যদিও আজি তেজপুৰ থানাৰ ভালুকজাৰিত অভযুক্ত আনিচুৰে ব্যৱহাৰ কৰা বাহনখন উদ্ধাৰ কৰে লাহৰীঘাট আৰক্ষীয়ে। আনিচুৰ সম্পৰ্কীয় এগৰাকী ভাগিনৰ ঘৰত উদ্ধাৰ হোৱা বাহনসহ আশ্ৰয় লৈ আছিল। কিন্তু আৰক্ষী সেই স্থানত উপস্থিত হোবাৰ পূৰ্বেই পলায়ন কৰে অভিযুক্ত আনিচুৰ। আনহাতে, লাহৰীঘাট আৰক্ষীয়ে অভিযুক্তক আশ্ৰয় দিয়াৰ অভিযোগত দুজন লোকক গ্ৰেপ্তাৰ কৰি সোধপোচ অব্যাহত ৰাখিছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক দুজন হ'ল মৰিগাঁৱৰ তেলাহীৰ মেৰাজ হুছেইন আৰু ভালুকজাৰীৰ জাকিৰ হুছেইন। উল্লেখ্য যে কলেজীয়া ছাত্ৰ ফাইজুৰৰ হত্যাকাণ্ড সন্দৰ্ভত প্ৰেমিকাৰ স্বীকাৰোক্তিৰ পাছত আৰক্ষীয়ে মৃহদেহ বিছাৰি অভিযান অব্যাহত ৰাখিছে যদিও এই পৰ্যন্ত মৃতদেহৰ সন্ধান পোৱা নাই।



### হত্যাকাৰী আনিচুৰ ৰহমান বহু অপৰাধৰ স'তে জড়িত

উক্ত ঘটনাটোৰ পাছতে আনিছুৰ পূৰ্বৰ বহু কলংকিত পৃষ্ঠা পোহৰলৈ আহিছে। পূৰ্বে কংগ্ৰেছ চৰকাৰৰ দিনত তেওঁ মৰিগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত দালাল হিচাবে পৰিচিত আছিল। পৰবৰ্তী কালত চাইবাৰ অপৰাধী চক্ৰৰ স'তেও আনিচুৰ ৰহমানৰ সম্পৰ্ক হয়। এনে অপৰাধৰ জৰিয়তে অপাৰ সম্পত্তিৰ মালিক হৈ পৰে আনিচুৰ। তদুপৰি আনিচুৰে নিজকে বিজেপি কৰ্মী বুলি চিনাকি দি আৰ টি আই আবেদন কৰি বিষয়া-কৰ্মচাৰীক ব্লেকমেইলিং কৰাৰো অভিযোগ উঠিছে আনিচুৰ দুগৰাকী পত্নী থকাৰপাছতো অপাৰ সা সম্পত্তিৰ বাবেই সম্পত্তিৰ লোভত ৰাজানাই কলেজিয়া প্ৰেমীক ফাইজুৰক জীৱনৰ পৰা চিৰ বিদায় দিয়াৰ বাবে সংকল্প লয়। তাতে শেহতীয়াভাৱে অপাৰ সম্পত্তিৰ বলতে আনিচুৰ যোৱা বিধান সভা নিৰ্বাচনত লাহৰীঘাটৰ বিজেপি প্ৰাৰ্থী কাদিৰুজ জামানৰ আৰ্শীবাদত লাহৰীঘাট বিজেপিৰ নেতাত পৰিণত হৈছিল। কাদিৰুজ জামানৰ নিৰ্বাচনী প্ৰচাৰ কালত সদায় সোহাতে বহিবলৈ পাই অঞ্চলত নিজকে বিজেপি নেতা বুলি পৰিচয় দিবলৈ সক্ষম হৈছিল। এনেবোৰ কাৰণতে ৰাজনাৰ পৰিয়ালেও কলেজীয়া ছাত্ৰ ফাইজুৰৰ পৰিবৰ্তে ছোৱালীৰ আনিচুৰ মুখী যাত্ৰাত মৌন সঁহাৰি দিছিল।

## কচুৱা পঞ্চায়তৰ উন্নয়নৰ নামত

১২ *পৃষ্ঠাৰ পৰা* চিকিৎসালয়লৈ নিব লগাত পৰে। একেদৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলো এই বিপদসংকুল সাঁকোখনেৰে নদী পাৰ হৈ স্কুল-কলেজলৈ যাব লগা হোৱাত দুৰ্ঘটাত পতিত হৈ বহুতৰ প্ৰাণ বিসৰ্জন দিব লগা হৈছে। স্বাধীনতাৰ পাছৰ পৰা বহু নিৰ্বাচন আহিছে, গৈছে। বহু বিধায়কৰ উপৰি বহুজন পঞ্চায়ত প্ৰতিনিধিৰ ওচৰত নদীখনৰ ওপৰত অন্তত কাঠৰ এখন দলং নিৰ্মাণ কৰি দিবলৈ বহুবাৰ আবেদন-নিবেদন কৰিও ৰাইজে সদুত্তৰ নাপাই জনপ্ৰতিনিধিসকলৰ ওচৰত হাৰ মানিব লগা হৈছে। এই অঞ্চলটোৰ প্ৰতি জনপ্ৰতিনিধিসকলে সদায় উন্নয়নৰ নামত পিঠি দি অহাত কচুৱা পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি চৈয়দুৰ ৰহমানৰ লগতে সচেতন মহলে ধিক্কাৰ দিছে। পৰিৱৰ্তনৰ শ্ল'গান দি দুবাৰকৈ অসমৰ ক্ষমতাৰ বাঘজৰীডাল হাতত লোৱাৰ পাছতো বিজেপি চৰকাৰেও ধৰ্মীয় সংখ্যালঘু অধ্যুষিত অঞ্চলটোৰ যাতায়াতৰ উন্নয়নৰ প্ৰতি চকু নিদিয়াটো দুৰ্ভাগ্যজনক বুলি স্থানীয় ৰাইজে আক্ষেপ প্ৰকাশ কৰে। সেয়ে বিপদসংকুল বাঁহৰ দলঙৰ ঠাইত পকী দলং এখন নিৰ্মাণ কৰি যাতায়াতৰ সুচল ব্যৱস্থা কৰি দিবলৈ বিভিন্ন দল-সংগঠনে সমষ্টিৰ বিধায়ক শশীকান্ত দাসক অনুৰোধ জনাইছে।

# তেজপুৰত ৫০,৮৫১ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব প্ৰাৰ্থীৰ ভাগ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৫ মাৰ্চ ঃ** ভোটগ্ৰহণ হ'বলগীয়া ৰাজ্যৰ লগতে শোণিতপুৰৰ চাৰিখন পৌৰসভাৰ নিৰ্বাচনৰ বাবে তেজপুৰতো আজি পুৱাৰে পৰাই আৰম্ভ হয় ব্যস্ততা। তেজপুৰৰ নেহৰু ময়দানৰ পৰাই ভোটগ্ৰহণৰ সামগ্ৰী লৈ যাত্ৰা কৰিছে নিৰ্বাচনৰ ভোটগ্ৰহণৰে জড়িত বিষয়া-কৰ্মচাৰীসকলে। পুৱা ৬-৩০ বজাৰ পৰাই নেহৰু ময়দানত উপস্থিত হোৱা এইসকল বিষয়া-কৰ্মচাৰীসকলে ইতিমধ্যে তেওঁলোকৰ গন্তব্য স্থানলৈ যাত্ৰা কৰিছে। উল্লেখ্য যে শোণিতপুৰৰ তেজপুৰৰ লগতে ঢেকিয়াজুলি, ৰঙাপৰা আৰু জামুগুৰিত কাইলৈ ১০৫টা ভোটগ্ৰহণ কেন্দ্ৰত পৌৰ অঞ্চলৰ ৰাইজে ভোটদান কৰিব। ইয়াৰে ভিতৰত তেজপুৰৰ ৬১টা, ঢেকিয়াজুলিৰ ২২টা, ৰঙাপৰাৰ ১২টা আৰু জামুগুৰিৰ ১০টা কেন্দ্ৰত ভোটগ্ৰহণ হ'ব। উল্লেখ্য যে তেজপুৰত মুঠ ৫০ হেজাৰ ৮৫১জন ভোটাৰে কাইলৈ নিজ ৱাৰ্ডৰ প্ৰাৰ্থীসকলৰ ভাগ্য নিৰ্ণয় কৰিব।

# বাইহাটা চাৰিআলিত পুনৰ চিলনী চোৰে কাঢ়ি নিলে চাৰি লাখ টকা

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ৫ মাৰ্চ ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত বিভিন্ন ঠাইত বিগত কিছু দিনৰে পৰা চিলনী চোৰৰ উপদ্ৰৱত অতিষ্ঠ হৈছে ৰাইজ। আজি চিলনী চোৰৰ দিনদুপৰত বাইহাটা চাৰিআলিৰ মাজ মজিয়াতে লক্ষ্য হৈ পৰে এগৰাকী যুৱতী আৰু তেওঁৰ পিতৃ। বিয়াৰ বাবে পিতৃ-কন্যাই ষ্টেট বেংক বাইহাটা চাৰিআলি শাখাৰ পৰা নগদ চাৰি লাখ টকা উলিয়াই বজাৰ কৰিবলৈ অহাৰ সময়তে মটৰচাইকেল আৰোহী দুজনে ধন ৰখা বেগটো কাঢ়ি উধাও হয়। ঘটনাৰ বলি হোৱা একেখন থানাৰ অন্তৰ্গত মুক্তাপুৰৰ সন্যাসীখাটৰ স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মানিক দাসে থানাখনত এজাহাৰ দাখিল কৰিছে যদিও আৰক্ষীয়ে আজি সন্ধিয়ালৈ দুষ্কৃতিকাৰীৰ কোনো সম্ভেদ উলিয়াব পৰা নাই।

## সমাজকৰ্মী দীননাথ ডেকাৰ স্মৃতিচাৰণ

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ৫ মাৰ্চ ঃ** যোৱা এক ফেব্ৰুৱাৰীত বিয়োগ ঘটা দৰং জিলা পৰিষদৰ প্ৰাক্তন সদস্য, অৱসৰপ্ৰাপ্ত গাণনিক, পাতিদৰং শ্ৰীশ্ৰী অৰ্ধনাৰীশ্বৰ শিৱমন্দিৰ পৰিচালনা সমিতিৰ সভাপতি, পাতিদৰং নৱজ্যোতি কলা-কৃষ্টি সংঘৰ উপদেষ্টা তথা দৰং জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰি ধৰোতা, সমাজ দৰদী ব্যক্তি দীননাথ ডেকাৰ মাহিলি তিথি উপলক্ষে যোৱা তিনি মাৰ্চত এখনি ৰাজহুৱা স্মৃতিচাৰণ সভা আৰু স্মৃতি পত্ৰিকা উন্মোচনী সভা অনুষ্ঠিত হয়। পাতিদৰং শ্ৰীশ্ৰীঅৰ্ধনাৰীশ্বৰ শিৱমন্দিৰ পৰিচালনা সমিতি আৰু নৱজ্যোতি কলা-কৃষ্টি সংঘ, পাতিদৰঙৰ যুটীয়া উদ্যোগত আৰু পৰিয়ালৰ সহযোগত প্ৰয়াত দীননাথ ডেকাৰ বাসগৃহত দেওমৰনৈ কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মতিৰাম শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ প্ৰাক মুহূৰ্তত বন্তি প্ৰজ্জ্বলন কৰে সমাজকৰ্মী মহেশ ৰাজবংশীয়ে।

# হাতীচোং মজলীয়া বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বিদায় -আশীৰ্বাদসূচক অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৫ মাৰ্চ ঃ** নগাঁও জিলাৰ কুজীডাঁহত অৱস্থিত অন্যতম পুৰণি শিক্ষানুষ্ঠান হাতীচোং মজলীয়া বিদ্যালয়ৰ চলিত শিক্ষা বৰ্ষৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায় তথা আশীৰ্বাদসূচক অনুষ্ঠান যোৱা তিনি মাৰ্চত সম্পন্ন হয়। এই উপলক্ষে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰমণী বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ আৰু শুভেচ্ছা জনায়। সহকাৰী শিক্ষক সমীৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত প্ৰধান শিক্ষক পৰাণ কৃষ্ণ ভূঞা বৰা আৰু সহকাৰী শিক্ষক পল্লৱজ্যোতি বৰাই ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ বক্তব্য ৰাখে। আনহাতে, ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা প্ৰাঞ্জুজ্যোতি বৰা, ময়ূৰ বৰা, কুৱলী কাশ্যপ বৰা, ৰাধিকা টেৰণপী, পূৰ্বাংগীপ্ৰিয়া বৰা আৰু লংকি ৰংপী আদিয়ে অভিমত আগবঢ়ায়।

# সমাজকৰ্মী উপেন্দ্ৰ নাথ শৰ্মাৰ পৰলোক


**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৫ মাৰ্চ ঃ** নলবাৰী জিলাৰ বৰমুৰিকোনা গাঁও নিবাসী গোপূজা চুবুৰিৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, পোষ্টমাষ্টৰ, সমাজকৰ্মী, পুৰোহিত উপেন্দ্ৰ নাথ শৰ্মা (৯৯)ৰ কালি সন্ধিয়া মৃত্যু হয়। উল্লেখ্য যে জিলাখনৰ বালিলেছা এম ভি স্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰা শৰ্মাই পৰৱৰ্ত্তী সময়ত পাইকাৰকুছিৰ সন্ধা এম ই স্কুলত শিক্ষকতা কৰি তাৰ পৰাই অৱসৰ গ্ৰহণ কৰে। বিদ্যালয় প্ৰাদেশিকীকৰণ নোহোৱালৈকে শৰ্মাই পুৱাৰ ভাগত বৰবৰী উপ-ডাকঘৰত পোষ্টমাষ্টৰৰ দায়িত্ব পালন কৰিছিল। ইপিনে পুৰোহিতৰূপেও শৰ্মা জনপ্ৰিয় আছিল। জীৱনত কোনো দিনে চাইকেল, গাড়ী চলাই নোপোৱা সহজ-সৰল-নম্ৰ-মিতভাষী ব্যক্তিজনে স্কুললৈ প্ৰতিদিনে প্ৰায় ১২-১৪ কিলোমিটাৰ খোজকাঢ়ি অহা-যোৱা কৰিছিল। সময়ৰ সঠিক ব্যৱহাৰত প্ৰতিনিয়ত নজৰ দিয়া বিশিষ্ট ব্যক্তিজনে ৯৯ বছৰীয়া জীৱন পৰিক্ৰমাত কোনো গুৰুতৰ ৰোগত আক্ৰান্ত হোৱা নাছিল। অৱশেষত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যুক সাৱটি লোৱা শৰ্মাৰ বিয়োগৰ বাতৰিয়ে শোকস্তব্ধ কৰি তুলিছে অঞ্চলবাসী ৰাইজক। মন কৰিবলগীয়া যে সমাজৰ প্ৰতিটো ক্ষেত্ৰতে নিজকে নিয়োজিত কৰি ভাল পোৱা শৰ্মা এজন সামাজিক ব্যক্তি আছিল। গোপূজা অঞ্চলৰ প্ৰতিটো অনুষ্ঠান গঢ় দিয়াত প্ৰভূত বৰঙণি থকা শৰ্মাই পৱিত্ৰ গো-মাতা মন্দিৰৰ নামত ভূমি দান কৰিছিল।

বৰমুৰিকোনা এলোপেথিক চিকিৎসালয়ৰ সভাপতিৰ দায়িত্ব পালনৰ উপৰিও গোপূজা থান উন্নয়ন সমিতিৰ সভাপতি-সম্পাদকৰ গুৰু দায়িত্ব পালন কৰিছিল। ইয়াৰোপৰি বৰবৰী হাইস্কুল, বি আৰ মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যৰ দায়িত্ব লৈছিল। তেওঁৰ বিয়োগত শোকদগ্ধ হৈ কালি সন্ধিয়াৰে পৰা গুণমুগ্ধই আহি তেওঁৰ বৰমুৰিকোনাস্থিত বাসগৃহত উপস্থিত হৈ নশ্বৰ দেহত শ্ৰদ্ধা নিবেদন কৰে। আজি পুৱাৰ ভাগত তেওঁৰ নশ্বৰ দেহ গো-মাতা মন্দিৰ প্ৰাংগণলৈ নিয়া হয় আৰু তাতে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে পুষ্পাঞ্জলি প্ৰদান কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। দিনৰ ভাগত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ আৰু কন্যাসহ গুণমুগ্ধক ইহ সংসাৰত এৰি যায়।

**শ্ৰদ্ধাঞ্জলি**

## প্ৰতাপ চন্দ্ৰ শৰ্মা



**মৃত্যু** চিৰন্তন, শাশ্বত। তথাপি আপোনজনৰ মৃত্যুৱে হৃদয়ত সদায় এক শূন্যতাৰ সৃষ্টি কৰে। যোৱা ২৪ ফেব্ৰুৱাৰীত পিতা প্ৰতাপ চন্দ্ৰ শৰ্মাই আমাক সকলোকে কন্দুৱাই এক অচিন দেশলৈ গুচি যায়। এই বেদনা সঁচাকৈয়ে অসহনীয়। কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তৰ্গত নিজবড়িগোগ গাঁৱত ১৯৩৭ত জন্মগ্ৰহণ কৰা পিতাই গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। কৰ্মস্থলী বোৰ্কা সাতগাঁও হাইস্কুলখন আছিল দেউতাৰ বাবে আত্মাস্বৰূপ। কৰ্তব্যপৰায়ণ, পৰোপকাৰী, প্ৰচাৰবিমুখ পিতা আছিল বহুমুখী প্ৰতিভাৰ অধিকাৰী। সংগীত, নাট, অভিনয়, কাব্যচৰ্চা, খেল-ধেমালি আদিৰ লগত পিতাৰ যেন আজন্ম সম্পৰ্ক। হাতত হাৰমণিয়াম খনলৈ পাৰ্বতি প্ৰসাদ, বিষ্ণু জ্যোতি, ভূপেন হাজৰিকা আদি যুগপুৰুষৰ গীতবোৰ আমাক শিকোৱা সেই তাহানিৰ সংগীত সন্ধিয়াবোৰলৈ আজি বৰকৈ মনত পৰিছে। আজি পবিত্ৰ আদ্য শ্ৰাদ্ধৰ দিনটোত তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছো।

ইৰামণি শৰ্মা (কন্যা)

**অসম গোৱালা জাতি সন্মিলনীৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন**

# শিক্ষা অবিহনে জাতি বিকাশৰ দিশত আগবাঢ়িব নোৱাৰে ঃ তাঁতী



**অগ্ৰদূত বাৰ্তা,**

**ঠেলামৰা, ৫ মাৰ্চ ঃ** অসম গোৱালা জাতি সন্মিলনীৰ শোণিতপুৰ জিলাৰ সমিতিৰ উদ্যোগত আজি ঢেকিয়াজুলিৰ কাৰৈমাৰীৰ ফণীধৰ দাস স্মৃতি ভৱনত দিনজোৰা কাৰ্যসুচীৰে অসম গোৱালা জাতি সন্মিলনীৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উযদাপন কৰা হয় । পুৱা ৯-৩০ বজাত অসম গোৱালা জাতি সন্মিলনীৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি বুবুল গোৱালাই পতাকা উত্তোলন কৰে। পুৱা ১০ বজাত অসম গোৱালা জাতি সন্মিলনীৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক শিৱচৰণ গোৱালাই স্মৃতিত পৰ্ণ অনুষ্ঠান মুকলি কৰে। ১১ বজাত আয়োজিত আলোচনাচক্ৰত বিশিষ্ট লেখক-সাহিত্যিক সঞ্জয় কুমাৰ তাঁতীয়ে মুখ্য আলোচক হিচাপে অংশ গ্ৰহণ কৰে। অসম গোৱালা জাতি সন্মিলনীৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক শিৱচৰণ গোৱালাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰত 'চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণত পিতৃ-মাতৃৰ ভূমিকা' শীৰ্ষক আলোচনাচক্ৰত মুখ্য আলোচক সঞ্জয় কুমাৰ তাঁতীয়ে কয়, 'শিশুক বিদ্যালয়লৈ পঠিওৱাটো পিতৃ-মাতৃৰ প্ৰধান কৰ্তব্য। সন্তানক মানুহ হিচাপে গঢ়িবলৈ পিতৃ-মাতৃৰ যথেষ্ট কষ্ট কৰিবলগীয়া হয়। সন্তানক শিক্ষিত নাগৰিক হিচাপে গঢ়িব পৰা পিতৃ-মাতৃক সমাজে সফল অভিভাৱক হিচাপে গণ্য কৰিব বুলি তাঁতীয়ে কয়, শিক্ষা অবিহনে কোনো এটা জাতি বিকাশৰ দিশত আগবাঢ়িব নোৱাৰে, গতিকে প্ৰতিটো জাতি-জনগোষ্ঠী শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱা উচিত। জাতিটোক প্ৰতিনিধিত্ব কৰা ব্যক্তি আৰু সংস্থা-সংগঠনসমূহে শৈক্ষিক জাগৰণৰ বাবে কাম কৰা উচিত বুলি আলোচকজনে মন্তব্য কৰে। আলোচনাচক্ৰখনি ঢেকিয়াজুলিৰ ৰিজনেন্স কনিষ্ঠ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰাজ পিন্টু গোৱালাই বক্তব্য আগবঢ়ায়। ইয়াৰ পাছত মুকলি সভা অনুষ্ঠিত কৰা হয়। অসম গোৱালা জাতি সন্মিলনীৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি বুবুল গোৱালাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি দৌলত ৰাজোৱাৰে বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। অসম গোৱালা জাতি সন্মিলনীৰ শোণিতপুৰ জিলা সমিতিৰ শিক্ষা আৰু সাহিত্য সম্পাদক লক্ষণ গোৱালাই আঁতধৰা সভাখনত ঢেকিয়াজুলিৰ সংবাদকৰ্মী নাৰায়ণ ফয়েল, দুলাল নাথ আৰু হৰেণ ভূমিজক সম্বৰ্ধনা জনোৱা হয়। সভাত বামুণপুখুৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী কামিনী কাকতি, শিল্পী পেঞ্চনাৰ গোপেশ্বৰ গোৱালা, সমাজসেৱিকা মামনি গোৱালাৰ লগতে তিনি শতাধিক লোক উপস্থিত থাকে।

# মুছলিম পাৰ্চনেল ল' ব'ৰ্ড অব ইণ্ডিয়াৰ ৰাজ্যিক কমিটী গঠন

**■ মুছলমান সমাজত থকা গোড়ামী দূৰ কৰাৰ লক্ষ্য কমিটীৰ**



মুছলিম পাৰ্চনেল ল' ব'ৰ্ড অব ইণ্ডিয়াৰ অসম ৰাজ্যিক সমিতিখন আজি গঠন কৰা হয়। কেন্দ্ৰীয় নেতৃত্বৰ উপস্থিতিত মুস্তাফা কামাল আজহাৰিক সভাপতি আৰু ক'বাদ হুছেইন শইকীয়াক সম্পাদক হিচাপে লৈ ৰাজ্যিক সমিতিখন গঠন কৰা হয়। আজি গুৱাহাটী প্ৰেছ ক্লাৱত সমিতিখন গঠনৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰি দি নৱ নিৰ্বাচিত ৰাজ্যিক সভাপতি আজহাৰীয়ে কয়, 'মুছলমান সমাজত আজিও বহু অন্ধবিশ্বাস আছে, গোড়ামী আছে। যাৰ বাবে সমাজখন পিছুৱাই গৈ আছে। একমাত্ৰ শিক্ষাইহে এই পিছপৰা সমাজখনক উদ্ধাৰ কৰিব পাৰিব। আমি এই উদ্দেশ্যে কমিটী গঠন কৰিছো। আমি প্ৰায়ে অসমত মুছলমান সমাজক লৈ কেতবোৰ বিতৰ্কিত পৰিবেশ সৃষ্টি হোৱা দেখিবলৈ পাওঁ। আমি সেয়া দূৰ কৰাৰ চেষ্টা কৰিম। আমি অসমত হিন্দু-মুছলিমে ভাই ভাইৰ দৰে মিলাপ্ৰীতিৰে থকাটো বিচাৰো। তেনে এক পৰিবেশ গঢ় দিয়াৰ বাবে চেষ্টা কৰিম।' সংবাদমেলত ব'ৰ্ডৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ইউচুফ আজিজি, সাধাৰণ সম্পাদক ডঃ মুইন আহমেদ উপস্থিত থাকি এই সংগঠনটোৱে মুছলমান সমাজৰ সাৰ্বিক উন্নয়নটো গুৰুত্ব প্ৰদান কৰিব বুলি সদৰী কৰে।

# দেউদুৱাৰত পথ দুৰ্ঘটনাত মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ৫ মাৰ্চ ঃ** কামৰূপ জিলাৰ চাংসাৰি আৰক্ষী থানাৰ অন্তৰ্গত দেউদুৱাৰত আজি এখন কন্টেইনাৰ ট্ৰাকে মহটিয়াই নিলে এজন মটৰ চাইকেল আৰোহীক। আবেলি পাঁচ বজাত দেউদুৱাৰস্থিত গোপেশ্বৰ দেৱালয়ৰ সন্মুখত ৩১ নম্বৰ ঘাইপথত চাংসাৰিৰ দিশৰ পৰা মটৰ চাইকেলেৰে আহি থকা লোক এজনক কন্টেইনাৰ ট্ৰাক এখনে পিছফালৰ পৰা মহটিয়াই নিয়াত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। প্ৰত্যক্ষদৰ্শী লোক আৰু আৰক্ষীয়ে লোকজনক চিকিৎসালয়লৈ নি থকা অৱস্থাত মৃত্যু মুখত পৰে। লোকজন কামৰূপ জিলাৰ বেজেৰাৰ নিকটৱৰ্তী বাথান গাঁৱৰ নিবাসী জন্মি মেধিৰ পুত্ৰ বসন্ত মেধি (৪২)।


## WALK-IN-INTERVIEWS

**Authority : PLB.60/2020/310, Dated Dispur, the 24th December 2021**

A Walk-In-Interview will be held for filling up of vacant Post of Date Entry Operator (DEO) at Foreigners Tribunal No-11th, Barpeta, detailed as under.

| Sl No | Position | No of Post | Minimum Educational Qualification | Essential Skill | Age | | |
|---|---|---|---|---|---|---|---|
| | | | | | Category | Min | Max |
| 1 | Data Entry Operator/ Contractual fixed pay) Rs. 10,000/- Month for a period upto 23.05.2023 | 1(One) Category: UR | HS Passed (Any stream) (Other things being equal, candidate having higher academic/ professional/ other qualification(s) will be preferred | Efficiency in Computer Application | General (OBC/MOBC) | 18 | As per rules |
| | | | | | SC | 18 | |
| | | | | | ST (P) & ST (H) | 18 | |
| | | | | | PWD | 18 | |

**Selection Process :-** Interview cum Skill Test on Reading/Listening (Dictation)/Typing will be held on 15th March, 2022 at the Office of the Foreigners Tribunal No-11th, Barpeta.

**Documents Required :-** (Original and Self Attested Photo Copy)

1. Bio Data + Passport size photo
2. Employment Exchange Card
3. Admit Cards, Mark sheets, Certificates, etc, HSLC onwards including higher academic/ Professional/Other qualification(s) (if any)
4. Certificate/ Diploma in Computer Application (Not Mandatory).
5. Photo Identity Proof

**Date :-** 15th March, 2022.

**Reporting Time :-** 10:00AM to 12 Noon

**Venue :-** Office of the Member, Foreigners Tribunal, No-11th, Barpeta, Sorbhog, Assam

**Address :-** Uttar Ganakpari, Sorbhog Town, Ward No-3, PO-Sorbhog, Dist-Barpeta, Pin-781317 (Near APDCL Office, Sorbhog, Mob-8486063632)

**COVID Protocol:** *Wearing of face mask and maintaining COVID appropriate behavior is mandatory for all candidates. Candidates without mask will not be allowed to enter into the venue.*

Member
Foreigners Tribunal No-11th,
Barpeta, Sorbhog

Janasanyog/D/16739/21

# ‘কাষ্টিং কাউচ’ প্ৰসংগত বিস্ফোৰক ঈশা ক’পিকাৰ


## অভিনেতাক সংগ নিদিয়াৰ বাবেই ছবিৰ পৰা বাদ



বলিউদত ‘কাষ্টিং কাউচ’ৰ অভিযোগ বহুদিনৰ পৰাই আছে। বিভিন্ন সময়ত এই সন্দৰ্ভত মুখ খুলিছে বহু খ্যাতনামা অভিনেত্ৰীয়ে। এই তালিকাত নৱতম সংযোজন হ’ল অভিনেত্ৰী ঈশা ক’পিকাৰ। বলিউদৰ ‘খাল্লাছ গাৰ্ল’ৰূপে পৰিচিত ঈশাই বহু কেইখন ছবিত অভিনয় কৰা সত্ত্বেও বিশেষ প্ৰতিষ্ঠা পাবলৈ সক্ষম নহ’ল।

১৯৯৮ত ‘এক থা দিল এক থি ধড়কন’ ছবিৰ জৰিয়তে বলিউদত অভিষেক ঘটে ঈশাৰ। ইয়াৰ পাছত ‘ফিজা’, ‘ক্যা কুল হ্যে হম’, ‘ডন’ আদি কে’বাখনো ছবিত অভিনয় কৰে তেওঁ। সম্প্ৰতি এক সাক্ষাযকাৰত ঈশাই কয়, ‘মই ইয়াত কাম কৰিবলৈ আহিছো। মোৰ কাৰোবাক পছন্দ হ’লেহে মই তেওঁৰ স’তে কথা পাতো। কোনোবাই মোৰ লগত চালাকি কৰিলে মই তাত নাই।’ বলিউদত নিজৰ অভিজ্ঞতাৰ সন্দৰ্ভত সুন্দৰী অভিনেত্ৰীগৰাকীয়ে কয়, ‘২০০০ৰ মাজভাগত এজন প্ৰযোজকে কয় যে অভিনয় কৰিবলৈ হ’লে মই নায়কৰ ‘গুড বুক’ত থাকিব লাগিব। তেওঁ কি বুজাব খুজিছে মই তেতিয়া বুজিব পৰা নাছিলো। পাছত সেই নায়কৰ স’তে কথা পাতোতে তেওং জনায় যে তেওঁক সাক্ষাৎ কৰিব লাগিব। পৰৱৰ্তী সময়ত মোক সেই ছবিৰ পৰা বাদ দিয়া দিয়া হয়।’ বিগত কিছু বছৰত বলিউদত দেখা নগ’লেও ঈশাই মাৰাঠী, কন্নড় আৰু তেলুগু ছবিত অভিনয় কৰিছে। ইয়াৰ উপৰি সম্প্ৰতি তেওঁ ‘ফিক্সাৰ’ নামৰ এখন ৱেব ছিৰিজতো অভিনয় কৰিছে।

# ভাঞ্চালিৰ গংগুবাঈ কাঠিয়াৱাড়ি





সঞ্জয় লীলা ভাঞ্চালিৰ নতুন ছবি ‘গংগুবাঈ কাঠিয়াৱাড়ি’য়ে অলপতে চিত্ৰগৃহত মুক্তিলাভ কৰিছে। মুক্তিৰ পাছতে ছবিখনে দৰ্শকৰ যথেষ্ট সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। কম দিনতে ছবিখনে এশ কোটিৰ ঘৰতো ভৰি দিছে। এই ছবিখনৰ যোগেদিয়ে বহুদিনৰ পাছত ‘হাউছফুল’ দেখা গ’ল চিত্ৰগৃহত। কৰ’নাৰ পৰিস্থিতিত ঘনাই ক্ষতিৰ মুখ দেখিছিল বলিউদে। সেই অৱস্থাৰ পৰা কিছু স্বস্তি প্ৰদান কৰিলে আলিয়া ভাট অভিনীত ছবিখনে। দৰ্শকৰ মতে, এই ছবিখনৰ আচল ইউএছপিয়েই হ’ল আলিয়াৰ দুৰন্ত অভিনয়। নিজৰ ইমেজ সলনি কৰি এক সম্পূৰ্ণ পৃথক চৰিত্ৰত অভিনয় কৰিছে আলিয়াই। বহু চিত্ৰ সমালোচকে মন্তব্য কৰিছে যে এই ছবিখন আলিয়াৰ কেৰিয়াৰৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনাকাৰী হ’ব পাৰে। অথচ বহুতেই এটা কথা নাজানে যে ‘গংগুবাঈ কাঠিয়াৱাড়ি’ত এগৰাকী পতিতাৰ চৰিত্ৰত অভিনয়ৰ বাবে পৰিচালক ভাঞ্চালিৰ প্ৰথম পছন্দ নাছিল আলিয়া। ছবিখনত অভিনয়ৰ বাবে আলিয়াৰ পূৰ্বে পৰিচালক ভাঞ্চালিয়ে আন একাধিক অভিনেত্ৰীক প্ৰস্তাৱ দিছিল।

বলিউদত শুনা যায় যে গংগুবাঈৰ চৰিত্ৰত অভিনয়ৰ বাবে ভাঞ্চালিয়ে প্ৰথমে দীপিকা পাডুক’নক প্ৰস্তাৱ দিছিল। উপৰ্যুপৰি তিনিবাৰ দীপিকাই প্ৰখ্যাত পৰিচালকজনৰ এই প্ৰস্তাৱ অগ্ৰাহ্য কৰিছিল। অৱশ্যে দীপিকাই অগ্ৰাহ্য কৰাৰ অন্তৰালত থকা কাৰণ এতিয়াও স্পষ্ট নহয়। বলিউদৰ একাংশই দাবী কৰে যে ‘পদ্মাৱত’ ছবিৰ পাছৰ পৰাই হেনো ভাঞ্চালি আৰু দীপিকাৰ মাজত শীতল যুদ্ধ আৰম্ভ হৈছিল। সেই বাবেই দীপিকাই এই ছবিত অভিনয়ৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰে।

ভাঞ্চালিৰ ‘বাজিৰাও মস্তানি’ ছবিত অভিনয় কৰি দৰ্শকৰ প্ৰশংসা বুটলিছিল প্ৰিয়ংকা চোপ্ৰাই। আনকি ভাঞ্চালিয়েও প্ৰিয়ংকাৰ অভিনয় দেখি আপ্লুত হৈছিল। সেই বাবেই দীপিকাই প্ৰত্যাখ্যান কৰাৰ পাছত গংগুবাঈৰূপে প্ৰিয়ংকাকে বিচাৰিছিল ভাঞ্চালিয়ে। অৱশ্যে সেই সময়ত বলিউদৰ এক প্ৰজেক্টত ব্যস্ত আছিল প্ৰিয়ংকা। সেই বাবেই প্ৰিয়ংকাই হেনো ইচ্ছা থকা সত্ত্বেও ছবিখনত অভিনয় কৰিব নোৱাৰিলে।

## তেওঁলোকে সোমাৰ খোজা নাছিল পতিতালয়ত



বলিউদত শুনা যায় যে গংগুবাঈ চৰিত্ৰটোৰ বাবে ভাঞ্চালিয়ে সকলোতকৈ আগতে ৰাণী মুখাৰ্জীৰ কাষলৈ গৈছিল। অথচ চিত্ৰনাট্য পছন্দ হোৱা সত্ত্বেও ৰাণীয়ে ছবিখনত অভিনয় কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। ঘনিষ্ঠ সূত্ৰই জনোৱা মতে, ৰাণীৰ স্বামীৰ প্ৰযোজনা সংস্থা যশৰাজ বেনাৰ আৰু ভাঞ্চালিৰ প্ৰযোজনা সংস্থাৰ মাজত থকা শীতল যুদ্ধৰ বাবেই ৰাণীয়ে এই সিদ্ধান্ত লৈছিল।

অৱশ্যে কেৱল আলিয়াৰ চৰিত্ৰই নহয়। ছবিখনত অভিনেতা বিজয়ৰাজে এটা বৃহন্নলাৰ চৰিত্ৰত অভিনয় কৰিছে। সেই চৰিত্ৰৰ বাবে প্ৰথমে ভাঞ্চালিয়ে প্ৰস্তাৱ দিছিল নৱাজুদ্দিন ছিদ্দিকীক। অৱশ্যে চিত্ৰনাট্য শুনিয়ে নৱাজুদ্দিনে অভিনয় কৰাৰ কথা অস্বীকাৰ কৰিছিল।

# ১২ বছৰে ব্ৰেইন টিউমাৰত ভুগি থাকিও কৰ্ম জীৱনত আগবাঢ়ি গৈ থকা এগৰাকী শিল্পীৰ কাহিনী




২০১১ তেই বিশ্বৰ সমগ্ৰ মহিলাক লৈ গৰ্ব কৰি গীত লিখি, সুৰ কৰি কণ্ঠদান কৰা এই মহিলাগৰাকীক সকলোৱে জানেনে? এওঁ হৈছে স্বনামধন্য শিল্পী গিৰিমল্লিকা দাস। যিয়ে নিজৰ ব্ৰেইন টিউমাৰকো নেওচি সাংস্কৃতিক জগতত কাম কৰি গৈ থকা এগৰাকী শিল্পী। ২০১১ তেই ‘খোজ’ নামৰ এলবামৰ জৰিয়তে চিনাকি হোৱা গিৰিমল্লিকা বৰ্তমান সাংস্কৃতিক জগতত বিভিন্ন ধৰণে ব্যস্ত। বিভিন্ন ধৰণৰ গীত-মাতৰ লগতে কথা, কাহিনী আৰু সংলাপ লিখি পৰিচালনা কৰা গিৰিমল্লিকাই তেওঁৰ সকলোবোৰ সাধনা 'Youtube channel- 'Maggi Maina' ত সম্প্ৰচাৰ কৰি আহিছে। তেওঁৰ গীত বিভিন্ন টিভি চেনেলত সম্প্ৰচাৰ হৈ আহিছে। সকলোবোৰ দিশ পৰিচালনা কৰাৰ উপৰি কেমেৰা আৰু এডিটিঙৰ কামও সামৰি লয় তেওঁ। ২০১৯ত অসম ৰাজ্যিক চিৰিয়াখানাৰ ওপৰতো গান সৃষ্টি কৰি পৰিচালনা কৰে তেওঁ। কৰ’না মহামাৰীৰ সময়ত আৰু ভোটৰ সময়তো বিভিন্ন গান সৃষ্টি কৰিছে তেওঁ। তেওঁৰ গীতসমূহ বিভিন্ন চেনেলৰ জৰিয়তে সম্প্ৰচাৰ হোৱাৰ উপৰি তেওঁৰ ব্যক্তিগত ইউটিউব চেনেল- ‘মেগি মাইনা’ত সন্নিৱিষ্ট কৰি থোৱা আছে।

বাৰে বাৰে চকুত ঔষধ দি থাকিও তেওঁ নিজৰ কৰ্মৰ পৰা কেতিয়াও বিচলিত হোৱা নাই যদিও মাজে মাজে অসুস্থ হৈ উঠা শিল্পীগৰাকীয়ে তথাপি আকৌ নতুন নতুন কাম হাতত লৈ আগবাঢ়ি গৈ আছে। তেওঁ এগৰাকী শাস্ত্ৰীয় সংগীতৰ শিক্ষাগুৰুৰ লগতে গুৱাহাটী মথুৰানগৰত থকা ‘সপ্তৰথী ৱেলফেয়াৰ ছ’চাইটি নামৰ এন জি অ’টোৰ সম্পাদিকা। সমাজ সেৱাৰ লগতে বিভিন্ন ল’ৰা-ছোৱালীক প্ৰতিভা বিকাশৰ বাবে সাংস্কৃতিক দিশত আগবঢ়াই লৈ গৈ আছে। এই আটাইবোৰ তেওঁৰ ‘মেগি মাইনা চেনেলত সম্প্ৰচাৰ কৰি থকা হৈছে। গুৱাহাটী মথুৰানগৰৰ বাসিন্দা গিৰিমল্লিকাৰ স্বামীও এগৰাকী ‘এন জি অ’ৰ কৰ্মকৰ্তা। তেওঁলোকৰ একমাত্ৰ কন্যা ১১ বছৰীয়া দেৱাংগীও গীত, নৃত্য, অভিনয় আৰু মডেলৰ লগত জড়িত। অলপতে ৰাষ্ট্ৰীয় সৌন্দৰ্য চৰ্চাত অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল দেৱাংগীয়ে।

গুৱাহাটীত ভুল চিকিৎসাৰ বলি হোৱা গিৰিমল্লিকা দিল্লীলৈ গৈ সুস্থ হৈ আহিছিল যদিও অস্ত্ৰোপচাৰৰ ফলত সোঁফালৰ কাণখন সম্পূৰ্ণৰূপে হেৰুৱাই পেলোৱাৰ লগতে সোঁফালৰ চকুটোৰো স্বাভাৱিক অৱস্থা হেৰুৱাই পেলাইছে আৰু তাৰ বাবে চকুত বাৰে বাৰে ঔষধ দি থাকিবলগীয়া হয়। আৰু এনেদৰেই তেওঁ অসুস্থ শৰীৰেৰে কাম কৰি গৈ আছে। এনে এগৰাকী শিল্পীৰ সাহসিকতা আৰু শিল্পী সাধনাৰ বাবে ‘ইণ্ডিয়া থিয়েটাৰ অলিম্পিয়াডে’ ২০১৮ৰ ১০ ছেপ্টেম্বৰত ওড়িছাৰ কটকত ‘ৰাষ্ট্ৰীয় সংগীত ভূষণ’ বঁটা আগবঢ়ায় আৰু ২০১৮ৰ ৩০ অক্টোবৰত শ্বিলঙত অসম প্ৰকৃতি সুৰক্ষা পৰিষদে ‘বি আৰ আম্বেদকাৰ’ বঁটা আগবঢ়ায়। গিৰিমল্লিকা বৰ্তমান সাংস্কৃতিক দিশত বিভিন্ন ধৰণে ব্যস্ত। আজি বিশ্ব নাৰী দিৱসত আমি সকলোৱে তেওঁৰ উচ্চ চিন্তাধাৰা আৰু তেওঁৰ সাধনাক প্ৰশংসা কৰিছো। তেওঁৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছো।

# যুৱ প্ৰজন্মৰ সেউজ সংগীত শিল্পী চেৰকু কৰ্মকাৰ



চিৰসুন্দৰৰ সংগীত সাধনাৰে শৈশৱৰ সোণোৱালী সময়ৰ পৰা চৰ্চা কৰি সম্প্ৰতি প্ৰতিভাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে গোলাঘাট উষা গৰঙা তিনিআলিৰ যুৱ প্ৰজন্মৰ সেউজ সংগীত শিল্পী চেৰকু কৰ্মকাৰ। উল্লেখ্য যে শিল্পীগৰাকীয়ে একান্ত সাধনা-নিৰলস প্ৰচেষ্টা কৰি সাংস্কৃতিক ক্ষেত্ৰখনত খোজ দি সংগীত যাত্ৰা অব্যাহত ৰাখিছে। প্ৰয়াত পিতৃ চুকৰা কৰ্মকাৰ মাতৃ চুক কৰ্মকাৰৰ সুযোগ্য সন্তান চেৰকু। স্থানীয় অঞ্চলৰ জনপ্ৰিয় সংগীত শিল্পী ৰাম কৃষ্ণ ৰয়ক সংগীতৰ গুৰু মানি সংগীত চৰ্চা অব্যাহত ৰাখিছে শিল্পী গৰাকীয়ে। নিয়মীয়াকৈ ভিন্ন শৈলীৰ গীত ৰচনা কৰি অহা অমায়িক শিল্পীগৰাকীয়ে অতি প্ৰাংসগিক আধুনিক গীতৰ ভিডিঅ’ কৰ’না-২০২২- ঐ চ’ৰি তোকে কত ভাল লাগে আৰু অডিঅ’ মন উৰে যায়-মেনে দেখ পহিলে বাৰ আৰু ভক্তিমূলক অডিঅ’ গুৰু নাম পৰম দয়াল শ্ৰীশ্ৰী ঠাকুৰ অনুকুল চন্দ্ৰ আদিত সাৱলীল কণ্ঠদান কৰি বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, শিল্পীগৰাকীয়ে ভালেকেইটা স্ব-ৰচিত গীতত কণ্ঠদান কৰি প্ৰতিভা পৰিচয় প্ৰদৰ্শন কৰিছে। শিল্পীগৰাকীৰ নীৰৱ সংগীত যাত্ৰা অবৰ্তমানলৈ অব্যাহত থাকক এয়া আমাৰ কামনা।

# মনৰে কবিতা



## সংগীতপ্ৰেমীৰ বাবে মুকলি হ’ল

নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ’ব জুবিন গাৰ্গ আৰু জনপ্ৰিয় কণ্ঠশিল্পী অৰুন্ধতী ভানুপ্ৰিয়াই কণ্ঠদান কৰা ‘লিটিল বুদ্ধ এণ্টাৰটেইনমেণ্ট’ৰ দ্বাৰা নিবেদিত ‘মনৰে কবিতা’ শীৰ্ষক গীতটিৰ ভিডিঅ’ মুকলি কৰা হয়। যোৱা ছয় ফেব্ৰুৱাৰীত মুকলি কৰা গীতৰ ভিডিঅ’টোত অভিনয় কৰিছে দ্বীপন বৰুৱা আৰু জেৰিণা বৰুৱাই। কুমাৰেশ কৌশিকৰ কথা আৰু সুৰেৰে সজোৱা উক্ত গীতটিৰ সংগীত ব্যৱস্থাপনা প্ৰশান্ত শইকীয়াৰ। শব্দ সংমিশ্ৰণ কৰিছে পিংকু দাসে। শচীন বৰুৱাৰ পৰিচালনাৰে সংগীতপ্ৰেমীৰ মাজত মুকলি হোৱা ‘মনৰে কবিতা’ শীৰ্ষক এই গীতৰ ভিডিঅ’টোৰ চিনেমেটোগ্ৰাফি পৃথ্বীৰাজ দত্তৰ আৰু সম্পাদনা মানস কাশ্যপৰ। ৰূপসজ্জা আৰু সাজসজ্জা জান শইকীয়া, ভাস্কৰ বৰাই। সমীন দাসে সহকাৰী নৃত্য নিৰ্দেশকৰ কাম কৰা ‘মনৰে কবিতা’ত কেমেৰা সহকাৰী হিচাপে দায়িত্ব বহন কৰিছে প্ৰকাশ আৰু বাবুশাই। নয়ন কলিতাই প্ৰডাকচন মেনেজাৰৰ কাম সমাপন কৰা গীতটোৰ ভিডিঅ’ৰ পোষ্টাৰ ডিজাইন পাৰ্থজিৎ হীৰাৰ। ‘মনৰে কবিতা’ক কলাপ্ৰেমী ৰাইজে আঁকোৱালি ল’ব বুলি আশা কৰিলো।

# দীৰ্ঘদিনৰ পাছত ৰূপালী পৰ্দালৈ প্ৰত্যাৱৰ্তন ঐশ্বৰ্যৰ



পুনৰ ৰূপালী পৰ্দালৈ প্ৰত্যাৱৰ্তন ঘটাইছে ঐশ্বৰ্য ৰাই বচ্চনে। দীৰ্ঘ বিৰতিৰ অন্তত প্ৰাক্তন বিশ্ব সুন্দৰীক দেখা যাব মণিৰত্নমৰ এখন ছবিত। ইতিমধ্যেই ছবিখনত ঐশ্বৰ্যৰ ‘লুক’ সামাজিক মাধ্যমত প্ৰকাশ কৰা হৈছে আৰু তেতিয়াই অনুৰাগীৰ মাজত ব্যাপক চৰ্চা আৰম্ভ হৈছে। একাংশ অনুৰাগীয়ে উচ্ছ্বসিত হৈ সামাজিক মাধ্যমত মন্তব্য কৰিছে, ‘দ্য কুইন ইজ ফাইনেলী বেক’।

উল্লেখ্য যে প্ৰখ্যাত পৰিচালক মণিৰত্নমে তামিল উপন্যাস প’ন্নিয়িন ছেলভান’ৰ আলমত নিৰ্মাণ কৰিছে বহুভাষিক ছবি ‘পিএছ-১’। ছবিখন হিন্দীৰ লগতে দক্ষিণৰ একাধিক ভাষাত নিৰ্মাণ কৰা হৈছে। দক্ষিণ ভাৰতৰ বিখ্যাত ছোল বংশৰ ৰজা অৰুলমোজি বৰ্মনৰ সময়ৰ কাহিনীৰ আলমত ৰচিত হৈছিল উপন্যাসখন। ছবিখন মূলতঃ পিৰিয়ড ড্ৰামা। ছোল বংশৰ ইতিহাসৰ পৰ্দাৰ আঁৰত থকা একাংশ চৰিত্ৰত ছবিখনত তুলি ধৰাৰ চেষ্টা কৰিছে পৰিচালকে। অৱশ্যে ছবিৰ চমক নিশ্চিতভাৱে ঐশ্বৰ্য। লক্ষ্যণীয়ভাৱে খলনায়িকাৰ ৰূপতহে অনুৰাগীয়ে ছবিখনত ঐশ্বৰ্যক দেখা পাব। ছবিখনত তেওঁ পেৰিয়া পাজুভেট্টাৰাইয়াৰৰ পত্নী নন্দিনীৰ চৰিত্ৰত অভিনয় কৰিছে। পেৰিয়া আছিল ছোল বংশৰ কোষাধ্যক্ষ। ছবিখনত ঐশ্বৰ্যৰ চৰিত্ৰটো ৰহস্যময়ী। নন্দিনী হৈছে এগৰাকী ক্ষমতালোভী মহিলা। ছোল বংশৰ ক্ষমতা হস্তগত কৰাৰ বাবে মতলীয়া হোৱা নন্দিনীয়ে এই ক্ষেত্ৰত স্বামীক ব্যৱহাৰ কৰিছিল। ছোল বংশৰ অপৰাধৰ বাবে প্ৰতিশোধ ল’ব বিচাৰে। ছোল বংশ ধ্বংস কৰাৰ উপায় বিচাৰি থাকে। এই ধৰণৰ চৰিত্ৰত অনুৰাগীয়ে প্ৰাক্তন বিশ্বসুন্দৰীক কিমান খিনি গ্ৰহণ কৰে, এতিয়া সেয়াহে প্ৰশ্নৰ বিষয়। ছবিখন ৩০ ছেপ্টেম্বৰত মুক্তি দিয়াৰ কথা।



# বচ্চন পাণ্ডে হ’বলৈ অক্ষয়ৰ পৰিশ্ৰম

ৰুক্ষ, নৃশংস চেহাৰাৰ চৰিত্ৰত। অথচ এই ভয়ানক ৰূপ ধাৰণ কৰিবৰ বাবে প্ৰযোজক-পৰিচালকৰ লগতে স্বয়ং নায়কৰো গাৰ ঘাম সৰিছিল।

একেবাৰে ভিন্ন ধৰণৰ চেহাৰাৰে সকলোকে চমক খুৱাব লাগিব ‘বচ্চন পাণ্ডে’ই। এনে সিদ্ধান্তই লৈছিল অভিনেতা অক্ষয় আৰু প্ৰযোজক ছাজিদ নাদিয়াৱালাই। সেয়ে দফাই দফাই আলোচনা হৈছিল ছবিৰ ক্ৰিয়েটিভ দলৰ স’তে। বাতিল হৈছিল ইটোৰ পাছত সিটো ‘লুক’। মুঠ আঠটা ‘লুক’ খাৰিজ কৰাৰ পাছত চূড়ান্ত হয় ‘বচ্চন পাণ্ডে’ৰ চেহেৰা। শেষত





নৱতম ছবি ‘বচ্চন পাণ্ডে’ৰ প্ৰচাৰৰ জিলিকণি প্ৰকাশ পোৱাৰ লগে লগেই হৈ চৈৰ সৃষ্টি কৰিছে অক্ষয় কুমাৰে। কাৰণ অনুৰাগী বা দৰ্শকে যিজন অক্ষয় কুমাৰক দেখাত অভ্যস্ত আছিল, ‘বচ্চন পাণ্ডে’ত তাৰ চিনমোকামো নাই। ছবিখনত অক্ষয়ক দেখা যাব এজন যিটো চেহেৰাৰে চৰিত্ৰটো পৰ্দালৈ আহিব, সেই চেহেৰা প্ৰযোজক-পৰিচালকৰ লগতে স্বয়ং অক্ষয়ৰো পছন্দ হৈছে। উল্লেখ্য যে ফাৰহাদ ছামজিয়ে পৰিচালনা কৰা ছবিখনত অক্ষয়ৰ উপৰি অভিনয় কৰিছে কৃতী শ্বেনন, জেকুলিন ফাৰ্ণাণ্ডেজ, আশ্বাৰ্দ ৱাৰ্ছি আদিয়ে।


## বলিউদত আন এক তাৰকা সন্তান

# অভিষেকলৈ সাজু সঞ্জয় কাপুৰৰ কন্যা শ্বানায়া



বলিউদত ‘নেপ’টিজম’ৰ বিতৰ্কৰ বাট পুনৰ মুকলি কৰিলে পৰিচালক-প্ৰযোজক কৰণ জোহৰে। তাৰকাৰ সন্তানক বলিউদত আত্মপ্ৰকাশ কৰোৱাৰ ক্ষেত্ৰত যথেষ্ট সুনাম বা বদনাম আছে কৰণৰ। বহু তাৰকা সন্তানে তেওঁৰ পৰিচালিত বা প্ৰযোজিত ছবিৰ যোগেদিয়ে ৰূপালী পৰ্দাত অভিষেক ঘটাইছে। সেই তালিকাত এইবাৰ সংযোজন ঘটিছে অভিনেতা সঞ্জয় কাপুৰৰ কন্যা শ্বানায়া কাপুৰৰ. সম্প্ৰতি টুইটাৰত কৰণে শ্বেয়াৰ কৰিলে তেওঁৰ নৱতম ছবি ‘বেধড়ক’ক প’ষ্টাৰ। সেই প’ষ্টাৰতে দেখা গ’ল শ্বানায়াক। অনিল কাপুৰৰ ভতিজীৰ লগতে এই ছবিত দেখা যাব দুই নতুন নায়ক লক্ষ্য আৰু গুৰফতেহ পিৰজাদাক। কৰণে প্ৰযোজনা কৰা ছবিখন পৰিচালনা কৰিছে শশাংক খৈটানে।

উল্লেখ্য যে ছবিখনৰ সন্দৰ্ভত দীৰ্ঘদিনৰ পৰাই চৰ্চা চলি আছিল। কিছু মাহৰ পূৰ্বেই সদৰী হৈছিল শ্বানায়াই বলিউদত ভৰি দিয়াৰ খবৰ। এইবাৰ কৰণে শ্বানায়াৰ লগতে দুই নতুন নায়ককো পৰিচিত



কৰালে। ‘দোস্তানা টু’ ছবিৰ যোগেদি বলিউদত ভৰি দিয়াৰ কথা আছিল লক্ষ্যৰ। অৱশ্যে ছবিখনৰ নিৰ্মাণ সম্প্ৰতি বন্ধ হৈ আছে। টুইটাৰত কৰণে লিখিছে, ‘নায়কৰ লুক দেখি আপোনালোকৰ ভাল লাগিব। বিশেষকৈ তেওঁৰ হাঁহিটো।’ আনজন নতুন নায়ক গুৰফতেহৰ সন্দৰ্ভত কৰণে লিখিছে, ‘একেবাৰে জকমকীয়া লুক গুৰফতেহৰ। সকলোৱে মন ভৰাই তুলিব এই নতুন নায়কে।’ উল্লেখ্য যে বলিউদৰ দ্বিতীয়টো কাপুৰ পৰিয়ালৰ নৱ প্ৰজন্মৰ ছোনম, অৰ্জুন, জাহ্নৱীৰ পাছত এইবাৰ শ্বানায়াই বলিউদত প্ৰৱেশ কৰাত স্বাভাৱিকতে চৰ্চা আৰম্ভ হৈছে। ইয়াৰ পূৰ্বে শ্বানায়াই তেওঁৰ সম্পৰ্কীয় ভগ্নী জাহ্নৱী কাপুৰ অভিনীত ‘গুঞ্জন ছাক্সেনা’ ছবিৰ সহ-প্ৰযোজকৰ দায়িত্ব পালন কৰিছিল।

# আমিৰ-ছলমানৰ উচ্চতাক লৈ বিতৰ্কিত মন্তব্য হৃত্বিকৰ



সম্প্ৰতি ছলমান খান আৰু আমিৰ খানৰ উচ্চতাৰ সন্দৰ্ভত মন্তব্য কৰি বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে হৃত্বিক ৰোছন। কৰণ জোহৰৰ অনুষ্ঠান ‘কফি উইথ কৰণ’ত প্ৰিয়ংকা চোপ্ৰাৰ স’তে উপস্থিত থকাৰ সময়তে বলিউদৰ ‘গ্ৰীক গড’-এ এই বিতৰ্কিত মন্তব্য কৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত হৃত্বিকে এই মন্তব্যৰ সন্দৰ্ভত নিজৰ স্পষ্টীকৰণো দিছে।

উক্ত অনুষ্ঠানত কৰণে প্ৰশ্ন কৰে যে ছলমান আৰু আমিৰৰ ভিতৰত কোনজন খানৰ স’তে হৃত্বিকে অভিনয় কৰিব বিচাৰিব? তেতিয়াই উত্তৰত হৃত্বিকে কয়, ‘দুয়োজনৰে উচ্চতা সমান হোৱাত কোনো এজনক পৃথকে পছন্দ কৰাৰ প্ৰয়োজন নাই।’ হৃত্বিকৰ এই মন্তব্য শুনাৰ পাছতে খৰ্গহস্ত হৈ পৰে দুই খানৰ অনুৰাগীসকলে। তেওঁলোকে দাবী কৰিছে যে হৃত্বিকৰ উচ্চতা ছলমান আৰু আমিৰতকৈ বেছি হোৱাৰ বাবেই তেওঁ দুই মহা তাৰকাক ইতিকিং কৰিছে। উল্লেখ্য যে হৃত্বিকৰ তুলনাত ছলমান আৰু আমিৰৰ উচ্চতা কম। দুয়োৰে অনুৰাগীসকলে সামাজিক মাধ্যমত হৃত্বিকক প্ৰচুৰ সমালোচনা কৰে। ইয়াৰ পাছতে নিজৰ মন্তব্যৰ প্ৰকৃত অৰ্থ ব্যাখ্যা কৰে। এক সংবাদমাধ্যমক দিয়া সাক্ষাৎকাৰত তাৰকা অভিনেতাজনে কয়, যি সকলৰ ৰসবোধ কম, তেওঁলোকেহে মোৰ বক্তব্যৰ এটা অংশ তুলি লৈ অভিযোগ আনিছে। মই ছলমান আৰু আমিৰক কোনোপধ্যেই অসন্মান কৰা নাই। মই বুজাব বিচাৰিছিলো যে উচ্চতাই হ’ল একমাত্ৰ স্থান, য’ত মই ছলমান আৰু আমিৰতকৈ বেছি নম্বৰ পাব পাৰো। তাৰ লগতে দুই খানৰ প্ৰতি সমীহ প্ৰদান কৰি হৃত্বিকে কয় যে আমিৰ আৰু ছলমান হৈছে কিংবদন্তি আৰু তেওঁলোকৰ কাষ পাবলৈ তেওঁক আৰু বহু বছৰ লাগিব।


মণিপুৰৰ নিৰ্বাচনত ভোটদানৰ পাছত চিহ্ন প্ৰদৰ্শন ভোটদাতাৰ।

# দক্ষিণ চীন সাগৰৰ বিবদমান অঞ্চলত চীনা নৌসেনাৰ অনুশীলন ঃ উদ্বিগ্ন ভিয়েটনাম

## ইউক্ৰেইনত ৰুছ সেনাৰ আক্ৰমণৰ মাজতে বিশ্বত বাঢ়িছে অশান্তি

**বেইজিং, ৫ মাৰ্চ ঃ** ইউক্ৰেইনত ৰুছ সেনাই চলোৱা আক্ৰমণৰ ঘটনাক লৈ বিশ্বজুৰি এতিয়া অশান্তিৰ সৃষ্টি কৰিছে। চুবুৰীয়া ৰাষ্ট্ৰখনত শক্তিশালী ৰাষ্ট্ৰ ৰাছিয়াই আক্ৰমণ কৰাৰ পাছত এতিয়া দক্ষিণ চীন সাগৰত উত্তেজনাৰ সৃষ্টি কৰিছে বিশ্বৰ আন এখন শক্তিশালী দেশ চীনে। ভিয়েটনামৰ উপকুলত নতুনকৈ নৌসেনাৰ অনুশীলন কৰাৰ কথা ঘোষণা কৰিছে চীনৰ পিপ'লছ লিবাৰেছন আৰ্মিয়ে। যাৰ বাবে এই অঞ্চলত এতিয়া বাণিজ্যিক জাহাজ চলাচল বন্ধৰ নিৰ্দেশনা জাৰি কৰিছে চীনে। ভিয়েটনাম চৰকাৰৰ সূত্ৰই সদৰী কৰা মতে, চীনৰ হেনান প্ৰদেশৰ ছানিয়া নৌঘাটিত নিয়োজিত নৌসেনাই এই অনুশীলনৰ আৰম্ভ কৰিছে। উল্লেখ্য যে বিবদমান এই জলপথত পূৰ্বে চীনৰ সেনাই কৃত্ৰিম নিৰ্মাণ কৰিছিল বুলি চৰ্চিত হৈছে। অহা ১৫ মাৰ্চ পূৰ্বে তাতে হেনানৰ 'মেৰিটাইম ছেফটি এডমিনিষ্ট্ৰেচন'ৰ নিয়মমাফিক অনুশীলন চলোৱা হ'ব বুলি সূত্ৰটোই প্ৰকাশ কৰিছে। মন কৰিবলগীয়া যে দক্ষিণ চীন সাগৰক লৈ প্ৰতিবেশী দেশসমূহৰ স'তে চীনৰ বিৰোধ নতুন নহয়। ইয়াৰ আগেয়ে এই অঞ্চলৰ এনে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে চীনে। ইয়াকে লৈ দীৰ্ঘদিন ধৰি অসন্তুষ্ট হৈ আহিছে সাগৰৰ আশে-পাশে থকা দেশসমূহে। আমেৰিকাসহ পশ্চিমীয়া দেশসমূহৰ অভিযোগ দক্ষিণ-চীন সাগৰক নিজৰ সাম্ৰাজ্যৰূপে ব্যৱহাৰ কৰি আহিছে বেইজিঙে। উল্লেখ্য যে চীনা নৌ বাহিনীৰ এই নৌসেনাৰ ঘাটি ভিয়েটনাম উপকূলৰ হুই চহৰৰ দুশ নটিকেল মাইল দূৰত অৱস্থিত। চীনৰ সামৰিক তৎপৰতাত ইতিমধ্যে উদ্বেগ প্ৰকাশ কৰি আহিছে ভিয়েটনাম চৰকাৰে। নিজৰ অৰ্থনীতিক অঞ্চলৰ মাজত চীনা নৌসেনাৰ এই অনুশীলনক ভিয়েটনামৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি আৰু উলংঘন কৰা বুলি দেশৰ সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে। উল্লেখ্য যে ২০২০ত দক্ষিণ-চীন সাগৰৰ বিবদমান প্যাড়াচাল দ্বীপপুঞ্জৰ সৰ্ববৃহৎ দ্বীপ উডি আইলেণ্ডত চীনা নৌসেনাৰ যুদ্ধ বিমান অৱতৰণক লৈ বেইজিং আৰু ভিয়েটনামৰ মাজত উত্তেজনাৰ সৃষ্টি হৈছিল। তাৰ পূৰ্বেও ২০১৪ৰ চীনৰ এটা খনিজ সম্পদ পৰিবাহী জাহাজ ভিয়েটনামৰ জলসীমাত খনন আৰম্ভ কৰাত দুয়ো দেশৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। সম্প্ৰতি ইউক্ৰেইনৰ যুদ্ধৰ মাজতে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কৈছে, 'আমাৰ দেশৰ বৰ্তমানৰ নেতাৰ দুৰ্বলতাৰ কাৰণে ইউক্ৰেইনৰ ওপৰত ৰাছিয়াই আক্ৰমণ চলাইছে। এইবাৰ চীনে একেভাৰে টাইৱান দখললৈ নিব।'



# সামৰণি পৰিল ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰৰ মহোৎসৱৰ সামৰণি

## অন্তিম দিনা সত্ৰবাসীয়ে ৰাম বিজয় ভাওনা বাটৰ নাট হিচাপে প্ৰদৰ্শন



অগ্ৰদূত বাৰ্তা

**বকো, ৫ মাৰ্চ ঃ** নৱ বৈষ্ণৱ ধৰ্মৰ ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰত আজি সামৰণি পৰিল সত্ৰ মহোৎসৱৰ। উল্লেখ্য যে মহাপুৰুষ মাধৱদেৱৰ নিৰ্দেশত তেওঁৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী বৰবিষ্ণু আতাই ১৫৮৮ কলহী নৈৰ পাৰত স্থাপন কৰিছিল ছমৰীয়া সত্ৰ। দক্ষিণ কুলীয়া শ্ৰীশ্ৰী বৰবিষ্ণু আতা থান ছমৰীয়া সত্ৰত বিগত দিনৰ দৰে এইবেলিও শ্ৰীশ্ৰী বৰবিষ্ণু আতাৰ তিৰোভাব তিথি চাৰিদিনীয়া ধৰ্মীয় কাৰ্যসূচিৰে উদ্‌যাপন কৰা হয়। সামৰণি অনুষ্ঠানত সভাঘৰত স্থাপন কৰা গুৰু আসন আৰু ভাগৱত পুনৰ হৰি নাম ধ্বনিৰে মূল নামঘৰৰ প্ৰতিষ্ঠা কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অহা ভক্ত প্ৰাণ ৰাইজৰ সমাগম ঘটে ছমৰীয়া সত্ৰত। হিন্দু- মুছলিমৰ সমন্বয় ক্ষেত্ৰ ছমৰীয়া সত্ৰ হৰি নাম ধ্বনিৰে দ্বিতীয় বৈকুণ্ঠ ধামত পৰিণত হয়। একেদৰে পশ্চিমহাটীৰ গায়ন বায়নৰ দ্বাৰা পত্ৰৰ পকাকামত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত 'ৰাম বিজয়' অংকীয়া নাটৰ অংশ বিশেষ বাটৰ নাটৰূপে প্ৰদৰ্শন কৰা হয়। ৰাম-সীতাৰ বিয়া হিচাপে অভিহিত বাটৰ নাট চাবলৈ সত্ৰধাম ছমৰীয়াত ভিৰ কৰে হেজাৰ হেজাৰ ভক্তই। ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰৰ মহোৎসৱ তথা ছমৰীয়া সভাত বহিঃৰাজ্যৰ পৰাও সমাগম ঘটে ভকতৰ। জাতীয় জীৱনৰ এক অপৰিহাৰ্য অংগস্বৰূপ, আধ্যাত্মিকতাৰ সমলৰে পৰিপূৰ্ণ ছমৰীয়া সত্ৰৰ মহোৎসৱত অগনন ভকতৰ হৰি নাম ধ্বনিত মহামিলনৰ পূৰ্ণ ভূমিলৈ পৰিণত হয় ছমৰীয়া সত্ৰ গাঁওখন। উল্লেখ্য যে আজি ছমৰীয়া সত্ৰ মহোৎসৱৰ সামৰণি পৰিলেও মেলাসমূহ সাতদিনলৈ অব্যাহত থাকিব। ছমৰীয়া সত্ৰৰ সত্ৰাধিকাৰ নিগমানন্দ অধিকাৰীয়ে কয়, 'ছমৰীয়া সত্ৰ হৈছে মহামিলনৰ তীৰ্থ ভূমি। ছমৰীয়া সভাত ৰাজ্যৰ ভক্তপ্ৰাণ ৰাইজৰ আগমন ঘটাৰ লগতে সত্ৰসমূহৰ সত্ৰাধিকাৰ সকলৰ সমাগম হয়। এক লাখতকৈয়ো অধিক ভক্ত প্ৰাণ ৰাইজৰ আগমন ঘটে। এইবাৰ পৰীক্ষাসমূহ চলি থকা বাবে সমাগম কিছু কমা বুলি উল্লেখ কৰি ৬০/৬৫ হেজাৰ ভক্তপ্ৰাণ ৰাইজৰ আগমন হোৱাৰ কথা ব্যক্ত কৰে। ছমৰীয়া সত্ৰ মহোৎসৱৰ চাৰিদিনীয়া কাৰ্যসূচী অনুযায়ী বৰবিষ্ণু আতাৰ চৰিত পাঠ, চাৰিহাটীৰ চুণৰ ভাৰ অৰ্পন, বিভিন্ন প্ৰান্তৰ পৰা অহা ভকত বৈষ্ণৱ তথা তীৰ্থ যাত্ৰী সকলৰ মাজত সিধা বিতৰণ, শ্ৰীশ্ৰী বৰবিষ্ণু আতাৰ সাংস্কৃতিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা অনুষ্ঠান পৰিবেশনৰ লগতে ভাওনা পৰিবেশন, মূল নামঘৰৰ পৰা সভাঘৰত গুৰু আসন আৰু ভাগৱত প্ৰতিষ্ঠা, ধৰ্মীয় পৰম্পৰাৰে সত্ৰৰ গায়ন বায়নৰ দ্বাৰা মেলা গীত আৰু ঠিয় নাম পৰিবেশন, সমূহীয়া নাম প্ৰসংগ, সত্ৰৰ গায়ন বায়নৰ দ্বাৰা 'ভোজন বিহাৰ' ঝুমুৰা পৰ সেৱন, বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

## ১৬৮ কিলোমিটাৰ সাঁতোৰ যাত্ৰাত অংশ ল'ব এলভিছে

# আৰৱ মহাসাগৰৰ এক নতুন প্ৰত্যাহ্বানৰ বাবে সাজু অসমৰ এলভিছ



ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৫ ফেব্ৰুৱাৰী : অসমৰ সাঁতোৰবিদ এলভিছ আলী হাজৰিকা সাজু হৈছে এক নতুন প্ৰত্যাহ্বানৰ । এইবাৰ তেওঁ লক্ষ্য আৰৱ মহাসাগৰ । আৰৱ মহাসাগৰৰ ৰছজ্ব কিলোমিটাৰ সাঁতোৰী পাৰ হোৱাৰ বাবে তেওঁ প্ৰস্তুতি চলাইছে। আঠ মাৰ্চৰ পুৱা মুম্বাইৰ গেটৱে অব ইণ্ডিয়াৰ পৰা এই যাত্ৰা আৰম্ভ হ'ব। ইয়াৰ বাবে কাইলৈ গুৱাহাটীৰ পৰা মুম্বাইলৈ বুলি ৰাওনা হ'ব সাঁতোৰবিদগৰাকী। আজি গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত সেই যাত্ৰাৰ ফ্লেগ অফ কৰা হয়। ফ্লেগ অফ কৰে অসম চৰকাৰৰ গৃহ বিভাগৰ সচিব দেৱ প্ৰসাদ মিশ্ৰ, জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈ আৰু বক্সিং ফেডাৰেচন অব ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কলিতাই। এই প্ৰত্যাহ্বান পূৰ্ণ যাত্ৰা সন্দৰ্ভত সাঁতোৰবিদ এলভিছে কয়, 'এই যাত্ৰা বৰ সহজ নহ'ব। কিয়নো ১৬৮ কিলোমিটাৰৰ এই যাত্ৰাত সৰু চাৰ্ক পোৱাৰ লগতে অন্যান্য প্ৰত্যাহ্বানৰো সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। আঠ মাৰ্চত পুৱা ৬-৩০ বজাত মুম্বাইৰ গেটৱে অফ ইণ্ডিয়াৰ পৰা এই যাত্ৰা আৰম্ভ হ'ব। আৰু সকলো ঠিকে থাকিলে ১০ মাৰ্চৰ দুপৰীয়া ২ বজাত একে স্থানতে যাত্ৰাৰ সামৰণি পৰিব। কাইলৈ মই মুম্বাইলৈ ৰাওনা হ'ম। সাত মাৰ্চৰ ১২ বজাত ফেডাৰেচনৰ স'তে আমাৰ টিমটোৰ আলোচনা হ'ব। সন্ধিয়াৰ পৰা আমি জিৰণি ল'ব লাগিব। কিয়নো পিছদিনা আমি পুৱা ৪-৩০ত গেটৱে অফ ইণ্ডিয়া গৈ পাব লাগিব। তাৰ বাবে ৩-৩০তে শোৱাৰ পৰা উঠিব লাগিব।' তেওঁ কয় যে এই যাত্ৰাৰ বাবে প্ৰস্তুতি চলাইছো। খোৱা কমাই দিছো। এই যাত্ৰাত আমাৰ লগত প্ৰায় ১৫জন মান লোক থাকিব। চিকিৎসকো থাকিব। উল্লেখ্য যে ভাৰতৰ তিনি ৰাজ্যৰ তিনিজনীয়া এটা দলে আৰৱ মহাসাগৰত এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। অসম, মুম্বাই আৰু পশ্চিমবংগৰ তিনি যুৱকে এই সাঁতোৰ যাত্ৰাত অংশ ল'ব ।


বাগ্‌সাৰ উত্তৰকাশীত উদ্ধাৰ সোণালী ফেঁচা, শনিবাৰে।

# শ্ৰীৰামপুৰত নৈশবাছত ২৫ বস্তা তামোল জব্দ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ৫ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰত ৩১ নম্বৰ ঘাইপথত যোৱা নিশা তিনি বজাত শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীৰ শ্বিলিগুৰি অভিমুখে গৈ থকা এম এল ০৮ই ৬৭৭৬ নম্বৰৰ নৈশ বাছখনৰ পৰা ২৫ বস্তা কেঁচা তামোল জব্দ কৰে। উল্লেখ্য যে যাত্ৰীবাহী নৈশ বাছত দীৰ্ঘ দিনৰ পৰাই কৰ ফাঁকিৰে বিভিন্ন সৰবৰাহ হৈ আছে। শ্ৰীৰামপুৰত স্থায়ী তালাচী চকী নথকাৰ সুযোগ গ্ৰহণ কৰি এই অসাধু ব্যৱসায়ীয়ে বিভিন্ন উপায়েৰে চলাইছে কৰ ফাঁকিৰ ৰমৰমীয়া বেহা। একাংশ নৈশ বাছৰ মালিক পক্ষৰ লগতে চালকসকলে যাত্ৰীৰ সা-সুবিধাৰ প্ৰতি নজৰ দিয়াৰ সলনি তেওঁলোকৰ লাভা লাভৰ বাবে যাত্ৰীক দাবী ধমকি দি বিধি বহিৰ্ভূত বাবে বাছৰ ভিতৰত আৰু বাছৰ চালৰ ওপৰত নিজ মন মৰ্জি মতে বিভিন্ন ধৰণৰ সামগ্ৰী বোজাই কৰি আনে। যাত্ৰীসকলে এইক্ষেত্ৰত প্ৰতিবাদ সাব্যস্ত কৰিলেও বাছৰ মালিক-চালকে কোনো কেৰেপ নকৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। উক্ত অভিযানটোত শিমুলটাপু আৰক্ষীয়ে জব্দ কৰা তালোমৰ বজাৰ মূল্য প্ৰায় ৩৫ হেজাৰ টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।




জনসংযোগ/ডিএফ/২৮২৩/২১


অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ** প্ৰাঞ্জলসেন ডেকা। **মুখ্য সম্পাদক ঃ** কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com